www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এজন মানুহে গোটেই দিনটো যি চিন্তা কৰে তেওঁ সেয়াই। সঁচাকৈয়ে! তাতকৈ অন্যধৰণৰ হোৱাটো বাৰু তেওঁৰ বাবে কেনেকৈ সম্ভৱ? - এমার্চন।

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ষষ্ঠ বছৰ ❒সংখ্যা - ২৫৯ ❒বুধবাৰ ❒১৭ ডিচেম্বৰ, ২০২৫ চন ❒৩০ আঘোণ, ১৯৪৭ শক ❒VOL - 6 ❒NO.- 259 ❒Wednesday ❒17th December, 2025 ❒মূল্য ঃ ১০.০০ টকা ❒মুঠ পৃষ্ঠা ঃ ৮

❑ ভাৰত-ইথিওপিয়া সম্পৰ্ক শক্তিশালী আৰু ব্যতিক্ৰমী কৰাত অৱদান ❑



## প্ৰধানমন্ত্ৰী মোদীক ইথিওপিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইথিওপিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান 'The Great Honour Nishan of Ethiopia' প্ৰদান কৰা হৈছে। ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী ▸▸ ৬ পৃষ্ঠাত

ৰাইজৰ দুৱাৰমুখত কংগ্ৰেছৰ নতুন অভিযান

## ২০ ডিচেম্বৰৰ পৰা কংগ্ৰেছৰ 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ'




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** অসমত আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে অসম প্ৰদেশ কংগ্ৰেছ কমিটি (এপিচিচি)য়ে এক বৃহৎ জনসংযোগ অভিযান আৰম্ভ কৰিবলৈ সাজু হৈছে। 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' শীৰ্ষক এই কাৰ্যসূচীৰ মূল লক্ষ্য হৈছে নতুন আৰু সমৃদ্ধিশালী অসম গঢ়ি তোলা। ২০ ডিচেম্বৰৰ পৰা ৰাজ্যজুৰি পূৰ্ণগতিত আৰম্ভ ▸▸ ৬ পৃষ্ঠাত

পৃথক কামতাপুৰ ৰাজ্য আৰু কোচ-ৰাজবংশীৰ জনজাতিকৰণৰ দাবী

## স্থগিত ঘোষণা প্ৰতিবাদ, অৱৰোধ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** পৃথক কামতাপুৰ ৰাজ্য গঠন, কোচ-ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান আৰু কামতাপুৰ ▸▸ ৬ পৃষ্ঠাত

## অসম প্ৰদেশ কংগ্ৰেছৰ অ'বিচি বিভাগৰ অধ্যক্ষৰ দায়িত্বত জয়া বৰুৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ, কামৰূপ, ১৬ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অ'বিচি (অন্যান্য পিছপৰা শ্ৰেণী) বিভাগৰ ▸▸ ৬ পৃষ্ঠাত

▪ আজমলৰ আশাত চেঁচাপানী ▪ বিধানসভা নিৰ্বাচনৰ পূৰ্বে স্পষ্ট ঘোষণা গৌৰৱ গগৈৰ ▪

# কংগ্ৰেছ-AIUDFৰ মিত্ৰতাৰ সম্ভাৱনা শূন্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে মঙলবাৰে স্পষ্টভাৱে ঘোষণা কৰে যে ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ আৰু AIUDFৰ মাজত কোনো ধৰণৰ মিত্ৰতা বা ৰাজনৈতিক বুজাবুজিৰ সম্ভাৱনা শূন্য। ৰাজীৱ ভৱনত অনুষ্ঠিত এক সংবাদমেলত গগৈয়ে এই মন্তব্য কৰি বদৰুদ্দিন আজমল নেতৃত্বাধীন AIUDFৰ শেহতীয়া আশাৰ ওপৰত যেন চেঁচাপানী ঢালি দিয়ে। যোৱা কেইবাটাও বছৰ ▸▸ ৬ পৃষ্ঠাত



ৰাহুল গান্ধীক আলোচনাৰ মুকলি আহ্বান আজমলৰ

## কংগ্ৰেছে সমস্যা সমাধান কৰিলে AIUDF ভংগ কৰিব আজমলে !

❑ AIUDFৰ সৈতে মিত্ৰতা নকৰিলে ২০২৬ত কংগ্ৰেছৰ ফলাফল বিহাৰত-কৈয়ো বেয়া হ'ব ❑

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** AIUDFৰ সভাপতি তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে কংগ্ৰেছ নেতা গৌৰৱ গগৈক মুকলি আহ্বান জনাইছে। সোমবাৰে বৰপেটাত অনুষ্ঠিত এক দলীয় কৰ্মীসভাত আজমলে কয় যে ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ বাবে ▸▸ ৬ পৃষ্ঠাত

এমপিএলএডিএছ প্ৰকল্পত অনিয়মৰ অভিযোগ

## এচিএছ বিষয়া সুকন্যা বৰাক চাকৰিৰ পৰা বৰ্খাস্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ ডিচেম্বৰ ঃ** এমপিএলএডিএছ (MPLADS) প্ৰকল্পৰ কামত গুৰুতৰ আৰ্থিক অনিয়ম আৰু অসদাচৰণৰ অভিযোগ প্ৰমাণিত হোৱাত অসম চৰকাৰে অসম অসামৰিক সেৱাৰ (ACS) বিষয়া সুকন্যা বৰাক ▸▸ ৬ পৃষ্ঠাত

## চাৰ্জশ্বীটত 'ক' লিখা আছে নে 'খ' লিখা আছে সেয়া বিৰোধীয়ে কেনেকৈ জানিলে ?

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** হোজাই জিলাৰ লামডিঙত মঙলবাৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই 'মুখ্যমন্ত্ৰীৰ ▸▸ ৬ পৃষ্ঠাত

আজিলৈকে গ্ৰেপ্তাৰ নহ'ল খনিজ আৰু ভূতত্ত্ব বিভাগে প্ৰকাশ কৰা ১৯জন কয়লা চোৰৰ এজনো

## ঐতিহাসিক পাটকাই পাহাৰৰ ক'লা হীৰা লুণ্ঠনৰ সময় সমাগত



**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৬ ডিচেম্বৰ ঃ** বিগত বছৰৰ দৰে এইবাৰো তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত ডিগবৈ বন সংমণ্ডলৰ অধীনত লিডু-মাৰ্ঘেৰিটাত আৰম্ভ হৈছে কয়লাৰ ক'লা সাম্ৰাজ্য। উল্লেখ্য যে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ গুৰুত্বৰ অভিযোগ মতে এই বাৰ চেঙিগেটৰ চৰ্দাৰ বি গণেশ। কুখ্যাত কয়লা চোৰ বি গণেশে মাৰ্ঘেৰিটা প্ৰশাসন, বন বিভাগ আৰু ▸▸ ৬ পৃষ্ঠাত

বৰপেটাত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণ অনুষ্ঠানত ঘোষণা ড° হিমন্ত বিশ্ব শৰ্মাৰ

## বিৰোধীৰ টাৰ্গেট জুবিন গাৰ্গ নহয়, টাৰ্গেট হিমন্ত বিশ্ব শৰ্মা !

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** মঙলবাৰে বৰপেটা চহৰত 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত বৰপেটা বিধানসভা সমষ্টিৰ ২০,০০৬ গৰাকী মহিলা উদ্যমীলৈ পুঁজি বিতৰণৰ শুভ উদ্বোধন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজিত এখন বৃহৎ ▸▸ ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন ?




আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে




আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

▪ জুইত জাহ গ'ল প্ৰায় ১০খন বাহন; ২৫ৰো অধিক আহত ▪ কেন্দ্ৰৰ সাহায্য ঘোষণা

## মৃত্যুদূত ঘন কুঁৱলী ! যমুনা এক্সপ্ৰেছৱেত ভয়ংকৰ দুৰ্ঘটনাত ১৩ জনৰ মৃত্যু



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** ঘন কুঁৱলীৰ ফলত সৃষ্টি হোৱা নিম্ন দৃশ্যমানতাৰ বাবে উত্তৰ প্ৰদেশৰ যমুনা এক্সপ্ৰেছৱেৰ (দিল্লী-আগ্ৰা ৰাজপথ) মথুৰা জিলাৰ মাইলষ্টোন-১২৭ৰ ওচৰত মঙলবাৰে পুৱা প্ৰায় ৪.৩০ বজাত সংঘটিত হয় এটা ভয়ংকৰ বহুবাহন সংঘৰ্ষ। এই দুৰ্ঘটনাত কমেও ১৩জন লোকৰ মৃত্যু হোৱাৰ লগতে ২৫ৰো অধিক ▸▸ ৬ পৃষ্ঠাত

❑ টুকটুকী, ছালনাবৰি আৰু আহোম গাঁৱত উচ্ছেদ ❑

## শান্তিপূৰ্ণভাৱে সম্পন্ন চৰকাৰী ভূমি বেদখলকাৰী বিৰুদ্ধে উচ্ছেদ অভিযান

**অসম বাৰ্তা, নগাঁও, ১৬ ডিচেম্বৰ ঃ** অসম চৰকাৰে চৰকাৰী ভূমি আৰু সংৰক্ষিত বনাঞ্চলসমূহক অবৈধ বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে ▸▸ ৭ পৃষ্ঠাত

জাতীয় স্বাৰ্থ আৰু জাতিৰ আত্মপ্ৰতিষ্ঠাৰ অবিৰত ৰাজনৈতিক সংগ্ৰামৰ মাজেৰে পাৰ কৰিলে পাঁচটাকৈ বৰ্ষ

## শদিয়াত আজি অসম জাতীয় পৰিষদৰ পঞ্চম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১৬ ডিচেম্বৰ ঃ** 'কা' আন্দোলনৰ পটভূমিত অৰ্থাৎ আজিৰ পৰা পাঁচ বছৰৰ পূৰ্বে ২০২০ চনৰ ১৭ ডিচেম্বৰ তাৰিখে ঐতিহাসিক শিৱসাগৰ চহৰত এক আপোচবিহীন স্বাভিমানী শক্তি হিচাপে আত্মপ্ৰকাশ ▸▸ ৬ পৃষ্ঠাত

## ইডিৰ গোচৰত সঁকাহ ছোনিয়া-ৰাহুললৈ

ইডিৰ অভিযোগপত্ৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ দিল্লী আদালতৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** নেচনেল হেৰাল্ড কাণ্ডত কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক এক বৃহৎ সঁকাহ দিলে দিল্লীৰ ৰাউজ ▸▸ ৭ পৃষ্ঠাত

সমষ্টিটোৰ ভোটাৰে বিচাৰিছে বিজেপি দলৰ প্ৰাৰ্থী

# অভয়াপুৰী বিধান সভা সমষ্টিত বিজেপি অনুকূলে বলিছে বতাহ

## অগপ দলত কৈ বিজেপি দলৰ সাংগঠনিক ভেটি শক্তিশালী

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১৪ ডিচেম্বৰ ঃ** সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি বঙাইগাঁও জিলাৰ তিনিওটা বিধান সভা সমষ্টিত বিভিন্ন দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ প্ৰচাৰ অভিযানে খদমদম পৰিৱেশৰ সৃষ্টি কৰিছে। ইয়াৰ ভিতৰত সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ পাছত বঙাইগাঁৱৰ লগতেও সমষ্টিৰ অভয়াপুৰী সমষ্টি ধৰ্মীয় সংখ্যাগুৰু ভোটাৰৰ আধিক্য হৈ পৰে। উল্লেখ্য যে অগপ আৰু বিজেপি দলে আসন ভাগ বাটোৱাৰাৰ সময়ত প্ৰতিবাৰেই জিলাখনৰ তেতিয়াৰ বঙাইগাঁও অভয়াপুৰী উত্তৰ আৰু অভয়পুৰী দক্ষিণ তথা তিনিওটা সমষ্টিয়ে অগপ দলক বিজেপি দলে এৰি দিছিল যদিও বঙাইগাঁও সমষ্টিৰ বাহিৰে কোনোটাতে কৃতকাৰ্য হ'ব নোৱাৰিলে। ফলত দুটা সমষ্টিতে কংগ্ৰেছ দলে বিজয় সাব্যস্ত কৰিলে। এইবেলি আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি সমষ্টি তিনিটাক লৈ অগপ আৰু বিজেপি দলৰ মাজত টনা আজোঁৰা হোৱাটো নিশ্চিত হৈ পৰিছে। অগপ দলে পূৰ্বৰ দৰে এইবলিও তিনিওটা সমষ্টিয়ে দাবী কৰাৰ সম্ভাবনা আছে। কিন্তু বিজেপিয় সৃজনগ্ৰাম সমষ্টিটো বিনা দ্বিধাই এৰি দিয়াটো নিশ্চিত যদিও বঙাইগাঁও আৰু অভয়াপুৰী সমষ্টি বিজেপিয়ে যে সহজতে এৰি নিদিয়ে সেয়াও নিশ্চিত। কাৰণ দুয়োটা সমষ্টিতে বিজেপি দলৰ আছে এক শক্তিশালী ভেটি। মনকৰিবলগীয়া যে বিগত পৌৰসভা নিৰ্বাচনত বঙাইগাঁও সমষ্টিৰ বঙাইগাঁও পৌৰসভাৰ ২৫খন আসনৰ ভিতৰত ১৩ খনেই বিজেপিয়ে দখল কৰাৰ বিপৰীতে অভয়াপুৰী সমষ্টিৰ অভয়াপুৰী পৌৰসভাৰ ১১খন আসনৰ ৮ খনতে বিজেপিয়ে দখল কৰাৰ বিপৰীতে মাত্ৰ দুখন আসনতে সন্তুষ্ট থাকিবলগীয়া হয়। এনে অৱস্থাত অভয়াপুৰী সমষ্টিৰ ওপৰত শেন চকু ৰাখি কৌশলগতভাৱে বিজেপিয়ে বঙাইগাঁও সমষ্টি বিচাৰিব পাৰে। তেনে অৱস্থাত সাংসদ হিচাবে নিৰ্বাচিত হৈয়ো বঙাইগাঁও সমষ্টিত পত্নী দীপ্তিময়ী চৌধুৰীক বিধায়িকা বনাই পৰিয়াল কেন্দ্ৰীক ৰাজনীতিৰ পাতনি মেলা সাংসদ ফণীভূষণ চৌধুৰীয়ে যে বঙাইগাঁও সমষ্টি যে এৰি নিদিয়ে সেয়াও নিশ্চিত। এনে অৱস্থাত অভয়াপুৰী সমষ্টিটো অগপ দলে বিজেপি দলক এৰি দিয়াৰ সম্ভাৱনা অধিক। এনেবোৰ কথাই চৰ্চিত হৈছে জিলাখনত। এনে ধাৰণাক সাৰথি কৰিয়ে অভয়াপুৰী সমষ্টিত প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে ভিতৰত জিলাখনৰ ধৰ্মীয় সংখ্যালঘু ভোটাৰৰ আধিপত্য থকা সৃজনগ্ৰাম সমষ্টিত এতিয়ালৈকে বিজেপি দলৰ কোনো প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে প্ৰকাশ্যে আগবাঢ়ি অহা যদিও কংগ্ৰেছ, অগপ আৰিৰু ৰাইজৰ দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে খদমদম পৰিৱেশৰ সৃষ্টি কৰ পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত দলটোৰ জিলা সভাপতি উজ্জ্বল কান্তি ৰায়, ব্যৱসায়ী তথা সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠক, বিজেপিৰ প্ৰাক্তন জিলা সভাপতিদ্বয় সুকেন ৰায়, হিমানী অধিকাৰী আদিৰ নাম বৰ্তমানে চৰ্চিত হৈছে। উল্লেখ্য যে গৰিষ্ঠ সংখ্যক ভোটাৰে অভয়াপুৰী সমষ্টি বিজেপি দলে লোৱাটো বিচাৰিছে যদিও কোনোক্ষেত্ৰতে যাতে সমষ্টিৰ বাহিৰা লোকক আনি প্ৰাৰ্থিত্ব জাপি দিয়া নহয় তাৰ বাবে দলীয় কাৰ্যকৰ্তালৈ আহবান জনায় ভোটাৰ ৰাইজে।

উপযুক্ত প্ৰশিক্ষণ অবিহনে ভেনিলা কৃষকে অধিক উৎপাদন আশা কৰিব নোৱাৰে ঃ দীজেন্দ্ৰ মোহন বৰ্মণ

# ভেনিলা খেতিৰে কৃষি বিপ্লৱৰ সূচনা কৰিছে নিয়াবলীৰ কৃষকে

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৪ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ লগতে মেঘালয় সীমান্তৱৰ্তী অঞ্চলত বায়ু মাটি পানী আৰু বতৰৰ সৈতে খাপ খাই পৰা ভেনিলা খেতিয়ে কৃষিক্ষেত্ৰত ইতিমধ্যে বিশেষ চৰ্চা লাভ কৰিছে। জীৱন জীৱিকাৰ পথ হিচাবে ভেনিলা খেতিকে সম্বল হিচাবেলৈ দুধনৈ নিকটৱৰ্তী গাৰো জনগোষ্ঠী বসতিপূৰ্ণ নিয়াবলী গাঁৱৰ প্ৰায় ৪০০ পৰিয়ালে ভেনিলা খেতি কৰি নীৰৱে এক কৃষি বিপ্লৱৰ সূচনা কৰিছে। লাভজনক কৃষি হিচাবে বিবেচিত হলেও উপযুক্ত প্ৰশিক্ষণ, প্ৰচেছিং আৰু এখন নিৰ্ভৰযোগ্য বজাৰৰ অভাবৰ বাবে কৃষক সকলে ভবা ধৰণে লাভবান হব পৰা নাই। ভেনিলা খেতিৰ বাবে উপযোগী গোৱালপাৰা জিলাৰ লগতে মেঘালয় সীমান্তৱৰ্তী অঞ্চলত যদি আগ্ৰহী কৃষক সকলে উপযুক্ত প্ৰশিক্ষণ লৈ ভেনিলা খেতি কৰে লগতে উৎপাদিত ভেনিলাৰ প্ৰচেছিং কৰাৰ প্ৰশিক্ষণ লয় তেতিয়া কৃষক সকলে অধিক উৎপাদন কৰাৰ লগতে লাভবান হব। এই ক্ষেত্ৰত ভাৰত চৰকাৰৰ Spice Boardৰ উপ-সঞ্চালক দীজেন্দ্ৰ মোহন বৰ্মনে আজি দুধনৈস্থিত গোৱালপাৰা কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী তথা মুৰব্বী ড° সন্তোষ বৈশ্য আৰু কৃষি অভিযন্তা বেঞ্জামিন কামানৰ সহযোগিতাত দুধনৈ নিকটৱৰ্তী তথা মেঘালয় সীমান্তৱৰ্তী নিয়াবলীত উপস্থিত হৈ ভেনিলা খেতিৰ সৈতে জড়িত কৃষক সকলক সাক্ষাত কৰি উৎপাদিত ভেনিলা কিদৰে প্ৰচেচিং কৰি বিক্ৰী কৰাৰ বাবে উপযুক্ত কৰি তুলিব পাৰে সেই সম্পৰ্কে প্ৰশিক্ষণ দিয়ে আৰু কৃষক সকলৰ সৈতে মত বিনিময় কৰে। কৃষক সকলক উপযুক্ত বজাৰ আৰু উচিত মূল্য কেনেদৰে দিব পাৰি সেই সম্পৰ্কতো আলোচনা কৰে স্পাইচ বোৰ্ড (Spise Board)ৰ উপ সঞ্চালক দীজেন্দ্ৰ মোহন বৰ্মনে। উপ সঞ্চালক গৰাকীয়ে সংবাদ মাধ্যমক কয় যে বতৰৰ উপযোগী ভেনিলা খেতিৰ বাবে সুকীয়াকৈ কোনো ভূমিৰ প্ৰযোজন নহয় অসম মেঘালয় অঞ্চলৰ কৃষক সকলক। কিয়নো ঐতিহ্যমণ্ডিত গোৱালপাৰা জিলাত অধিক সংখ্যক কৃষকৰ বাৰীত তামোল গছেৰে ভৰি আছে। সেই তামোল গছতেই কৃষক সকলে লতাজাতীয় ভেনিলাৰ পুলি লগাই এইবিধ খেতি কৰিব পাৰে। নিয়াবলী গাঁৱৰ অগ্ৰনি কৃষক লেভি চাংমাই কয় যে প্ৰতিগৰাকী কৃষকে বছৰেকত এক কুইণ্টল কৈ ভেনিলা উৎপাদন কৰে। উৎপাদিত ভেনিলা কেঁচা অৱস্থা আৰু শুকুৱাই বিক্ৰী কৰে। উল্লেখ্য যে প্ৰতি কেজি কেঁচা ভেনিলা একৰ পৰা ডেৰহাজাৰ টকাকৈ বিক্ৰী হয় আৰু প্ৰচেছিং কৰি শুকুৱাই বিক্ৰী কৰা ভেনিলা বিক্ৰী হয় প্ৰতি কিলোত ২০ হেজাৰ টকা। উল্লেখ্য যে নিয়াৱলীৰ অধিক সংখ্যক কৃষকে উৎপাদিত ভেনিলা প্ৰচেছিং কৰিব নজনাৰ বাবে শুকুৱাই বিক্ৰী কৰিব নোৱাৰে। তাৰ বাবে কৃষক সকলে শ্ৰম অনুসাৰে মূল্য নাপায়। ইয়াৰ উপৰিও উপযুক্ত বজাৰ নথকাৰ বাবে কৃষক সকলে উত্তৰ গাৰোপাহাৰ জিলাৰ ৰিচুত উৎপাদিত ভেনিলা সমূহ কম দামতে এটা ব্যক্তিগত ফাৰ্মত বিক্ৰী কৰি দিয়ে। ভাৰত চৰকাৰৰ স্পাইচ বোৰ্ডৰ ফালৰ পৰা কৃষক সকলক উৎপাদিত ভেনিলা গছৰ পৰা চিঙি কেনেদৰে ৰ'দত শুকুৱাই প্ৰচেছিং কৰে সেই বিষয়ে প্ৰশিক্ষণ দিয়াৰ লগতে এখন উপযুক্ত বজাৰ দিয়াৰ ব্যৱস্থা হাতত লৈছে। স্পাইচ বোৰ্ডৰ বিষয়া গৰাকীয়ে নিয়াবলী গাঁৱৰ কেবাগৰাকী ভেনিলা কৃষকৰ ভেনিলা পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে। উল্লেখ্য যে নিয়াবলী গাঁৱৰ পৰা এইবাৰ চাৰিগৰাকী নিৰ্বাচিত ভেনিলা কৃষকক দক্ষিণ ভাৰতলৈ উচ্চ প্ৰশিক্ষণৰ বাবে পঠাব স্পাইচ বোৰ্ডে।

শিল্পী দিৱসত মাজুলী ভিত্তিত প্ৰাইজমাণি জ্যোতি সংগীত প্ৰতিযোগিতা

# বালিচাপৰিৰ মিলিত কৃষ্টি সংঘৰ সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ডিচেম্বৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ সমাজ সংস্কৃতিৰ সৰ্ববৃহৎ অনুষ্ঠান মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত আজি এখন বিশেষ সভা অনুষ্ঠিত হয়। মিলিত কৃষ্টি সংঘৰ সভাপতি প্ৰকাশ প্ৰসাদৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মিলিত কৃষ্টি সংঘৰ সকলো কাৰ্যনিৰ্বাহক সদস্যই অংশগ্ৰহণ কৰে। সভাৰ আঁত ধৰে মিলিত কৃষ্টি সংঘৰ সাধাৰণ সম্পাদক যদু কলিতাই। উক্ত, সভাত মিলিত কৃষ্টি সংঘৰ উদ্যোগত যোৱা ৪, ৫ আৰু ৬ নৱেম্বৰত উদযাপন কৰা তিনিদিনীয়া শ্ৰীশ্ৰী কৃষ্ণৰ ৰাসলীলাৰ পৰ্যালোচনা কৰাৰ লগতে তিনিদিনীয়া ৰাসলীলাৰ হিচাপ দাখিল কৰা হয়। সভাত মিলিত কৃষ্টি সংঘৰ উদ্যোগত আগন্তুক শিল্পী দিৱস উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত, শিল্পী দিৱসত মাজুলী ভিত্তিত প্ৰাইজমাণি মুকলি জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত মিলিত কৃষ্টি সংঘৰ অতিথি গৃহ মেৰামতি, সংবিধান ছপা কৰা সন্দৰ্ভতো সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত, সভাত বীৰেন শইকীয়া, বীৰেন ভূঞা, দিগন্ত হাজৰিকা, ৰংগৰস মহন্ত, দুল দত্ত, দুদু বৰুৱা, প্ৰীতম ভট্টাচাৰ্য, ফুল বৰা, নৱজিত মিলি, প্ৰণৱজ্যোতি বৰা, সৰুমইনা দাস, নিতুল ভঁৰালী, বাবুল বৰা, ৰূপশিখা বৰুৱা, মুনমী বৰা আদিয়ে বিভিন্ন পৰামৰ্শ প্ৰদান কৰে। সভাত শলাগ জ্ঞাপন কৰে যদু কলিতাই।

অসমীয়া শিখ সন্থা অসমৰ নতুন সমিতি গঠন; শ্বৰন সিং সভাপতি, নণদ্বীপ সিং সম্পাদক নিৰ্বাচন

# বৰক'লাৰ কেন্দ্ৰীয় গুৰুদ্বাৰত অসমীয়া শিখ সন্থাৰ বিশেষ অধিৱেশন

## অসমীয়া শিখ সকলে অসমৰ কৃষ্টি-সংস্কৃতিত বিশেষ বৰঙনি যোগাই আহিছে ঃ চমচেৰ সিং

**অসম বাৰ্তা, নগাঁও, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ অসমীয়া শিখ প্ৰধান অঞ্চল বৃহত্তম অসমীয়া শিখ সন্থাৰ আজি বৰক'লা কেন্দ্ৰীয় গুৰুদ্বাৰত এখনি বিশেষ অধিৱেশন সম্পন্ন হয়। অধিৱেশন খনিত সভাপতিত্ব কৰে প্ৰাক্তন ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া তথা প্ৰাক্তন আয়ুক্ত চমচেৰ সিঙে। তেওঁ ভাষণত কয় যে- বিশ্বৰ সকলো দেশতে শিখ সম্প্ৰদায়ৰ লোকে বসবাস কৰি আছে। আমাৰ ৰাজ্যখনটো অসমীয়া শিখসকলে বৃহত্তম অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত বিশেষ বৰঙনি যোগাই আহিছে। অসমীয়া শিখ সমাজে ঐক্য সমন্বয়ে শিখ সকলৰ উন্নয়নৰ বাবে কাম কৰি যাবলৈ আহ্বান জনায়। চৰ্দাৰ শ্বৰন সিঙে উদ্দেশ্য ব্যাখ্যা কৰা সভখনিত দুলিয়াজান নিৱাসী তথা দুলিয়াজান শিখ সমাজৰ প্ৰতিনিধি ইকবাল সিঙে কয় যে বৰক'লাৰ দুজন শিখ শ্বহীদ চন্দন সিং আৰু কৰম সিঙে অসমীয়া শিখ জাতিটোক বহুখিনি আগুৱাই নি বিশ্বৰ লগত পৰিচয় কৰালে। তেওঁ লগতে কয় যে আমি যতেই থাকো আমি অসমীয়া শিখ সকল জিলিকি থাকিব লাগিব। সভাত অভিযন্তা অৱতাৰ সিঙে কয় যে ৬০-৭০ দশকতে সুদুৰ পাঞ্জাৱৰ চুৰজিৎ সিং বাৰনালা আৰু জ্ঞানী জয় সিঙৰ দৰে বৰেণ্য ৰাজনীতিকে নগাঁও জিলাৰ বৰক'লাত পদাৰ্পণ কৰি অসমীয়া শিখ সকলক প্ৰশংসা কৰি গৈছে। শিল্পী জীৱন সিঙে কাৰ্যবিৱৰণি পাঠ আৰু আতঁধৰা অনুষ্ঠানটিত আকাশবাণী অনাতাঁৰ কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ইজ্জত সিং, গুৰুবচ্চন সিং শিশু সাহিত্যিক উত্তম সিং আৰু কমল সিঙে অসমীয়া শিখ সকলৰ ওপৰত আলোকপাত কৰি সাৱলীল ভাষণ প্ৰদান কৰে। সভাত ঈশ্বৰ সিং, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গুৰুমুখ সিং, বলবিৰ সিং, কুলদীপ সিং, প্ৰেম সিং উপস্থিত থকা সভাখনিত ৰাজ্যখনৰ তনিচুকীয়া, ডিব্ৰুগড়, দুলিয়াজান, গুৱাহাটী, তেজপুৰ, নগাঁও, লংকা, চাপৰমুখ, হাতীপাৰা, বৰক'লা আদি অঞ্চলৰ পৰা বহুকেইজন শিখ সমাজৰ ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উল্লেখ যে, সভাত সৰ্বসন্মতি ক্ৰমে- চমচেৰ সিংক মুখ্য পৃষ্ঠপোষক, শ্বৰন সিংক সভাপতি, কুলদীপ সিংক কাৰ্যকৰী সভাপতি, নণদ্বীপ সিংক সাধাৰণ সম্পাদক, জীৱন সিংক যুটীয়া সম্পাদক, ডাঃগ্ৰিৰ নাৰায়ণ সিংক কাৰ্যালয় সম্পাদক, ৰাজবিৰ সিংক সাংস্কৃতিক সম্পাদক, ঈশ্বৰ সিংক কোষাধ্যক্ষ লগতে ৫জন উপ সভাপতি আৰু ৯ জনক কাৰ্যকৰী সদস্য হিচাপে লৈ অসমীয়া শিখ সন্থাৰ এখন শক্তিশালী সমিতি গঠন কৰা হয়। গুৰুমুখ সিঙে আতঁধৰা অনুষ্ঠানটিত প্ৰাণৰ শিল্পী তথা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলী তথা পুষ্পাঞ্জলী অৰ্পন কাৰ্যসূচী সম্পন্ন হয়। উক্ত অনুষ্ঠানত অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ সাংবাদিক দেৱজিৎ হাজৰিকাকে প্ৰমুখ্যে কৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিখ সন্থাৰ সকলো লোকে পুষ্পাঞ্জলী অৰ্পন কৰে।

# মাজুলীত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৪ ডিচেম্বৰ ঃ** সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ মাজুলী জিলা সমিতিৰ এখন জৰুৰী কাৰ্যনিৰাহক সভা আজি গড়মূৰস্থিত চিলাৰায় ভৱনত মাজুলী জিলা আক্ৰাছুৰ সভাপতি আদিত্য দত্তৰ সভাপতিত্ব অনুষ্ঠিত হয়। সভা খনৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আতঁ ধৰে আক্ৰাছুৰ মাজুলী জিলা সমিতিৰ সাধাৰণ সম্পাদক ক্ষিৰোদ বৰাই। আজিৰ সভাৰ জৰিয়তে তেতিয়াৰ মাজুলী মহকুমা ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক দেৱজিৎ বৰুৱাক আক্ৰাছুৰ মাজুলী জিলা সমিতিৰ মুখ্য উপদেষ্টা হিচাপে মনোনিত কৰে। সভাৰ সিদ্ধাম্ত অনুসৰি মাজুলীৰ কোচ ৰাজবংশী ছাত্ৰ- ছাত্ৰী সকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰিৰ সহায়ক হোৱাকৈ বিনামূলীয়া প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন। মাজুলীৰ কোচ ৰাজবংশী লোকৰ ক্ষেত্ৰত এক নিজাববীয়া জৰিপ আৰু সম্পুৰ্ণ অগতানুগতিক ভাবে অহা জানুৱাৰী মাহৰ পৰা আত্মমীয় সন্ধান বিচাৰি শীৰ্ষক কাৰ্যসূচী ৰূপায়ণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। আজিৰ সভাত উপস্থিত থাকি সন্মিলনীৰ সাধাৰণ সম্পাদক জীৱন বৰুৱাই কয় যে, মাজুলী জিলাত বসবাস কৰা কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকল বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে। শিক্ষা, স্বাস্থ্য, ভূমি অধিকাৰ, চাকৰি আৰু সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত জনগোষ্ঠীটোক উপযুক্ত সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত কোচ-ৰাজবংশী ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। চৰকাৰী আঁচনি আৰু সুবিধাসমূহ সঠিকভাৱে ৰূপায়ণ নোহোৱাৰ ফলত ছাত্ৰ সমাজ ক্ষতিগ্ৰস্ত হৈছে। বিষয়সমূহ শীঘ্ৰে সমাধানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাই। সভাত আক্ৰাছুৰ কেন্দ্ৰীয় কাৰ্যনিৰাহক লক্ষ্যজিৎ বৰুৱা উপস্থিত থাকি গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। আজিৰ সভাত আক্ৰাছুৰ মাজুলী জিলা সমিতিৰ প্ৰচাৰ সম্পাদক ভাস্কৰ বৰাকে ধৰি বহু সংগঠনৰ বহু সদস্য উপস্থিত থাকে।

# হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয়ত মহাৰজত জয়ন্তী উদ্‌যাপনৰ লাইখুঁটা স্থাপন



**অসম বাৰ্তা, মৈৰাবাৰী, ১৪ ডিচেম্বৰ ঃ** মৰিগাও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অন্তৰ্গত হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয় স্থাপন হোৱা ৭৯ বছৰ হ'ল। হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয়খনে ৭৯ বছৰ অতিক্ৰম কৰাৰ পৰিপ্ৰেক্ষিতত স্থানীয় শিক্ষা প্ৰেমী ৰাইজে মহাৰজত জয়ন্তী উদ্‌যাপন কৰিবলৈ স্বেচ্ছাই আগবাঢ়ি অহা পৰিলক্ষিত হ'ল। যোৱা ১৫ আগষ্ট তাৰিখে সাধাৰণ সভা অনুষ্ঠিত কৰি হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয় মহাৰজত জয়ন্তী উদযাপন সমিতি গঠন কৰা হ'ল। পৰৱৰ্তী সময়ছোৱাত বিভিন্ন ধৰণৰ উপ সমিতি গঠন কৰি মহাৰজত জয়ন্তী সাফল্য মণ্ডিত কৰিবলৈ ৰাজহুৱা কামৰ দায়িত্ব সন্মান সহকাৰে গ্ৰহণ কৰি বয়োজেষ্ঠ নাগৰিক, বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী যুদ্ধকালীন তৎপৰতাৰে কামত আগবাঢ়িছে বুলি জানিব পৰা গৈছে। উদ্যোক্তা সকলে জনোৱা মতে অহা ইংৰাজী ২৭, ২৮ ডিচেম্বৰ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসুচীৰে ১৯৪৭ চনত স্থাপন হোৱা বিদ্যালয়খনৰ মহাৰজত জয়ন্তী উদযাপন কৰা হ'ব। আজি দিনৰ ১১ বজাত হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয় প্ৰাংগনত মহাৰজত জয়ন্তী উদযাপনৰ লাইখুটা স্থাপন অনুষ্ঠান উপলক্ষে এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত হৈ যায়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে উদযাপন সমিতিৰ যুটীয়া সম্পাদক আলম বাহাৰুল ইছলামে। আদৰণি অনুষ্ঠান পৰিচালনা কৰে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সম্পাদক তথা এছ চি চিৰ ৰাজ্যিক সভাপতি ছাব্বিৰ হুছেইনে। সভাখনত উপস্থিত থকা ধিং সমষ্টিৰ যুৱ নেতা মেহবুব মুক্তাৰ, বিশিষ্ট ব্যৱসায়ী নজৰুল ইছলামকে ধৰি উদযাপন সমিতিৰ বিষয়ববীয়া, প্ৰাক্তন ছাত্ৰ আৰু শুভাকাংক্ষী সকলক ফুলাম গামোছাৰে সম্বৰ্ধনা জনোৱা হয়। এই সভাতেই হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয় মহাৰজত জয়ন্তীৰ থিম ছঙৰ শুভাৰম্ভ কৰে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি অৱসৰ প্ৰাপ্ত শিক্ষক মহম্মদ কমৰুল ইছলামে। সভাৰ অন্তত বিদ্যালয়ৰ পশ্চিম ফালে থকা মুকলি পথাৰত স্থানীয় ৰাইজ, সমিতিৰ বিষয়ববীয়া সকল আৰু শুভাকাংক্ষীৰ উপস্থিতিত যুৱ নেতা মেহবুব মুক্তাৰ, বিশিষ্ট ব্যৱসায়ী নজৰুল ইছলাম আৰু উদ্‌যাপন সমিতিৰ সভাপতি মহম্মদ কমৰুল ইছলামে সকলোৰে সহযোগত হাতীমুৰীয়া বালক প্ৰাথমিক বিদ্যালয় মহাৰজত জয়ন্তী উদ্‌যাপনৰ বাবে লাইখুঁটা স্থাপন কৰে। লাইখুঁটা স্থাপন কৰাৰ পিছত স্থানীয় ৰাইজ উল্লসিত হৈ পৰে।

# কচুৱাৰ বৰবিলৰ যুৱক উচমান আলীক জেললৈ প্ৰেৰণ

**অসম বাৰ্তা, কচুৱা, ১৪ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষীয়ে বৰবিল ইছলামপুৰৰ যুৱক উচমান আলীক যোৱা কালি গ্ৰেপ্তাৰ কৰি নগাঁও জেললৈ প্ৰেৰণ কৰে। কামপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অধীনস্থ বৰপথাৰ খণ্ড বন কাৰ্যালয়ৰ বিষয়া মৃনাল কুমাৰ বৰাই তৰা এক গোচৰৰ ভিত্তিত যুৱকজনক গ্ৰেপ্তাৰ কৰা হৈছেবুলি আৰক্ষী সূত্ৰে প্ৰকাশ। যোৱা ৫ ডিচেম্বৰত বনৰক্ষী বাহিনী বৰপানী সংৰক্ষিত বনাঞ্চলৰ বৰবিল ইছলামপুৰৰ বেদখলী ঠাই সমূহত চৰকাৰী জৰীপ কৰিবলৈ যাওঁতে ধৃত উচমান আলী আৰু ফাৰুক হুছেইন নামৰ দুজন যুৱকে বাধা প্ৰদান কৰাৰ লগতে বনকৰ্মী সকলক অকথ্য গালি গালাজ কৰিছিল বুলি যুৱক দুজনৰ ওপৰত বনকৰ্মী জনে গোচৰ তৰিছিল। ইপিনে ধৃত উচমান আলী আৰু একাংশই উচ্ছেদৰ জাননী পোৱা লোক সকলৰ পৰা ধন সংগ্ৰহ কৰি উচ্ছেদ বন্ধ কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰাত বন বিভাগ ক্ষুণ্ণ হৈ পৰে বুলি বহুতে জানিব দিয়ে।

# চিত্ৰশিল্পী যুগল কিশোৰ চলিহাৰ স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, টংলা, ১৪ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলা নগৰ নিবাসী উদীয়মান চিত্ৰশিল্পী, তবলাবাদক যুগল কিশোৰ চলিহাৰ আজি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। শিল্পী সমাজ টংলাৰ প্ৰতিষ্ঠাপক সম্পাদক জ্ঞানেন্দ কুমাৰ চলিহা আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ডেইজী চলিহাৰ একমাত্ৰ পুত্ৰ যুগল কিশোৰ চলিহা (৪০)ৰিতুই কিছুদিন ধৰি যকৃতজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসা গ্ৰহণ কৰি থকাৰ অৱস্থাত আকস্মিক মৃত্যু ঘটিছি। তেখেতৰ স্মৃতিচাৰণ সভাত পিতৃ জ্ঞানেন্দ কুমাৰ চলিহা আৰু মাতৃ ডেইজী চলিহাই মনোভাৱ প্ৰকাশ কৰি কয় যে আমাৰ একমাত্ৰ পুত্ৰ যুগল কিশোৰ চলিহা(ৰিতু)ৰ যোৱা ১৩ নবেম্বৰ তাৰিখ বৃহস্পতি বাৰে আকস্মিক ভাৱে বিয়োগ ঘটে। তেওঁ আমাক, পত্নী-কন্যা, ভনী-ভনীজোৱাই, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ সকলোকে এৰি থৈ বৈকুণ্ঠ গামী হয়। আমাৰ এই মহাবিপদৰ সময়ত শোকসাগৰত পৰি থকা পৰিয়ালটিক সদাশয় ব্যক্তি, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু বিভিন্ন সামাজিক অনুষ্ঠান সাহিত্য-সংস্কৃতি, শিক্ষাঅনুষ্ঠান, প্ৰেছ-সংঘ আদিয়ে আমাৰ দুখৰ সমভাগি হ'লহি সকলোৰে প্ৰতি কৃতজ্ঞতা তথা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ বুলি কয়।

# জাগুন বিষ্ণুপুৰত কিৰাট ৰাই জনগোষ্ঠীৰ চাকেলা উৎসৱ উদ্‌যাপন

**অসম বাৰ্তা বিশেষ, জাগুন, ১৪ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ জাগুন ৯ মাইল বিষ্ণুপুৰত আজি দিনজোৰা কাৰ্যসূচীৰে কিৰাট ৰাই জনগোষ্ঠীয় সম্প্ৰদায়ৰ লোকসকলে উলহ মালহেৰে চাকেলা উৎসৱ উদ্‌যাপন কৰে। এই উৎসৱৰ আন এটা নাম উধৌলি উৎসৱ বুলিও প্ৰচলন আছে। চাকেলা উৎসৱ বছৰত দুবাৰকৈ উদযাপন কৰা হয় ইয়াৰে এটাক উধৌলি আৰু আনটোক উভৌলি বুলি পালন কৰা হয়। বিশেষকৈ উধৌলি উৎসৱত কিৰাট ৰাই জনগোষ্ঠীয় লোকসকলে মুন্দুম তথা প্ৰাৰ্থনা শক্তিৰে ভু-গৰ্ভৰ পৰা খান্দি উলিওৱা শিলেৰে থাপনা সাজি দেৱ-দেৱতা তথা প্ৰকৃতিক পূজা-অৰ্চনাৰ মাজেৰে আৰাধনা কৰে। আদিম যুগৰে পৰা পৰম্পৰাগত ভাৱে প্ৰচলিত এই উৎসৱ বিশেষকৈ নিজ সম্প্ৰদায়ৰ ধৰ্ম, ভাষা, ৰীতি-নীতি যাতে সদায়ে অক্ষুণ্ণ থাকে তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰে ইয়াক কিৰাট ৰাই জনগোষ্ঠীয় লোকৰ পৰম্পৰাগত ৰীতি-নীতিৰ মাজেৰে উদযাপন কৰা হয়। পূজা-অৰ্চনাৰ উপৰিও এই উৎসৱত কিৰাট ৰাই লোকসকলে চাকেলা চিলি নৃত্যও পৰিবেশন কৰে। লগতে তেওঁলোকে এই কথাও জনায় যে কিৰাট ৰাই লোক সকলে আদিম যুগৰে পৰা এই উৎসৱক জনজাতীয় পৰম্পৰাৰে মানি আহিছে আৰু অদূৰ ভৱিষ্যতেও ইয়াক অক্ষুণ্ণ ৰাখিব বুলি জনায়। আজিৰ দিনজোৰা কাৰ্যসূচীৰ মাজতে আয়োজক সমিতিয়ে ঈশ্বৰ পুত্ৰ সকলোৰে হিয়াৰ আমঠু শ্ৰদ্ধাৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ ৩

# ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ মাৰাথন অভিযান

**অসম বাৰ্তা, ৰূপহীহাট, ১৪ ডিচেম্বৰ ঃ** ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সূৰুজ দত্তই নতুনকৈ থানাখনত যোগদান কৰিয়েই এটাৰ পিছত আন এটা অভিযান চলাইছে ড্ৰাগছৰ বিৰুদ্ধে। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সূৰুজ দত্তই এক গোপন সূত্ৰৰ পম খেদি আজি দিনৰ ভাগত ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে পৃথকে পৃথকে চলাই ৩ টাকৈ অভিযান। ৰূপহীহাট আৰক্ষীয়ে প্ৰথমে ৰূপহী তিনিআলীত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই। আৰক্ষীৰ অভিয়ানত ১৪ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ গ্ৰেপ্তাৰ কৰে এজন ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ নাম শুকুৰ আলী। আৰক্ষীয়ে সৰবৰাহকাৰী জনৰ পৰা জব্দ কৰা ড্ৰাগছ খিনিৰ ওজন ২.৫৭ গ্ৰাম। আনপিনে ৰূপহীহাট আৰক্ষীয়ে ৰূপহীহাটৰ গড়েমাটিখোৱাত ড্ৰাগছৰ বিৰুদ্ধে চলাই আন এক অভিযান। আৰক্ষীৰ অভিয়ানত ৯ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰসহ গ্ৰেপ্তাৰ কৰে আন এজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰী জনৰ নাম সাহাব উদ্দিন। ধৃত সৰবৰাহকাৰী জনৰ পৰা জব্দ কৰা ড্ৰাগছ খিনিৰ ওজন ১.৭১ গ্ৰাম। ইপিনে ৰূপহীহাটৰ শিঙিমাৰীত চলাই আন এক অভিয়ান। আৰক্ষীৰ অভিযানত এটা চাবোনৰ বাকচভৰ্তি ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে আন এজন ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত ড্ৰাগছ সৰবৰাহকাৰী জনৰ নাম বাহাৰুল ইসলাম। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছ খিনিৰ ওজন ১০.১৮ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত সৰবৰাহকাৰী ৩ জনক জেৰা অব্যাহত ৰাখিছে।

# মুকালমুৱাৰ সাপকাটাত ৰাইজে দুই চোৰক ধৰি গতাই দিলে আৰক্ষীক

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৪ ডিচেম্বৰ ঃ** নলবাৰীৰ মুকালমুৱাৰ সাপকাটাত ৰাইজে ধৰি দুই চোৰক গতাই দিলে মুকালমুৱা আৰক্ষীক। দুদিন পূৰ্বে সাপকাটাৰ এখন হোটেলত সংঘটিত হৈছিল চুৰিকাণ্ডৰ ঘটনা। আন্নাফ হোটেল নামৰ এখন হোটেলৰ পৰা দুদিন পূৰ্বে নিশা দুটাকৈ গেছ চিলিণ্ডাৰৰ লগতে বিভিন্ন সামগ্ৰী আৰু নগদ ধন লৈ গৈছিল চোৰে। চুৰিকাণ্ডৰ সমগ্ৰ দৃশ্য বন্দী হৈছিল সন্মুখত থকা এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ চি চি টিভি কেমেৰাত। চি চি টিভি কেমেৰাত আৱদ্ধ হৈছিল চুৰিকাণ্ডত ব্যৱহৃত AS13 AC5633 নম্বৰৰ মেজিক বাহনখন। আজি দিনৰ ভাগত স্থানীয় ৰাইজে চুৰিকাণ্ডত মেজিক বাহনখন লৈ গৈ থকা অৱস্থাত স্থানীয় ৰাইজে মেজিক বাহনসহ দুই চোৰক আৱদ্ধ কৰি সোধপোচ কৰাত হোটেলখনত চুৰি কৰা বুলি স্বীকাৰ কৰে ধৃত দুই চোৰে। ধৃত চোৰ দুটা হৈছে বাক্সা জিলাৰ মতিবৰ আলী আৰু বালিকুচিৰ ছাদ্দাম হুছেইন। পৰৱৰ্তী সময়ত দুই চোৰক স্থানীয় লোকে গতাই দিয়ে মুকালমুৱা আৰক্ষীক।

## সম্পাদকীয়

# বিষাক্ত গেছ চেম্বাৰত পৰিণত ৰাজধানী নতুন দিল্লী

**দেশ**ৰ ৰাজধানী নতুন দিল্লী এতিয়া এক বিষাক্ত গেছ চেম্বাৰলৈ ৰূপান্তৰিত হৈছে। কুঁৱলী আৰু প্ৰদূষিত ধোঁৱাই আকাশ ছানি ধৰা এই দৃশ্য এটা ভয়াৱহ বাস্তৱতা। সোমবাৰে ৬৬খন বিমান আৰু ৬০খন ৰে'লৰ যাত্ৰা বাতিল, শিক্ষানুষ্ঠানবোৰ বন্ধ—এইবোৰ কেৱল প্ৰদূষণৰ তীব্ৰতাৰ সংখ্যাগত প্ৰকাশ। প্ৰকৃততে, দিল্লীবাসীয়ে এতিয়া বিহতকৈও ভয়ংকৰ বায়ুৰ সৈতে যুদ্ধ কৰিবলৈ বাধ্য হৈছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ তথ্যমতে, গোটেই মাহজুৰি ৰাজধানীৰ বায়ুৰ গুণাগুণ 'অতি দুৰ্বল'ৰ পৰা 'গুৰুতৰ' স্তৰলৈ অৱনমিত হৈছে। এই পৰিস্থিতিয়ে সাধাৰণ মানুহৰ মনেৰে অসংখ্য প্ৰশ্নৰ সৃষ্টি কৰিছে। প্ৰথম প্ৰশ্ন ঃ ইয়াক কিয় নিয়ন্ত্ৰণ কৰিব পৰা নগ'ল? গ্ৰেডেড একচন ৰেচপঞ্চ প্লেন (GRAP)-ৰ Stage-3 আৰু Stage-4 কাৰ্যকৰী কৰা হৈছে, কিন্তু প্ৰদূষণৰ মাত্ৰা কমিবৰ সলনি বাঢ়িহে আছে। মানুহে ভাবিবলৈ বাধ্য হয়, এই ব্যৱস্থাবোৰ কেৱল অস্থায়ী নেকি? দীৰ্ঘম্যাদী সমাধানৰ অভাৱতেই নেকি আমি বাৰে বাৰে একে সমস্যাৰ সন্মুখীন হ'বলৈ ধৰিছোঁ? দ্বিতীয়তে, স্বাস্থ্যৰ ক্ষতিৰ প্ৰশ্ন। প্ৰায় প্ৰতিখন ঘৰতে এতিয়া হাঁপানী, শ্বাস-প্ৰশ্বাসৰ সমস্যা, চকুৰ জ্বলা আদি ৰোগী। মাস্ক অবিহনে বাহিৰলৈ ওলোৱা অসম্ভৱ। সাধাৰণ মানুহে সুধিব- আমাৰ শিশুসকলৰ ভৱিষ্যৎ কি? বয়সস্থ লোকসকলৰ জীৱন-যুঁজটোৱেই নেকি ইয়াৰ বিনিময়? চিকিৎসকসকলে সতৰ্ক কৰি দিছে যে দীৰ্ঘকালীন প্ৰদূষণৰ সংস্পৰ্শে ফুলফাঁচৰ ৰোগ, হৃদৰোগ আৰু ক্ৰণিক অসুস্থতাৰ বৃদ্ধি কৰে। ইয়াৰ বাবে দায়ী কোন? তৃতীয়তে, প্ৰদূষণৰ উৎস সম্পৰ্কীয় প্ৰশ্ন। ইয়াত কেৱল দিল্লীৰ গাড়ী-মটৰ আৰু কল-কাৰখানাই দায়ী নেকি? নে ওচৰৰ ৰাজ্যত শস্য কটাৰ পিছত জুই লগোৱা এই সমস্যাক উৎকট ৰূপ দিছে? সাধাৰণ নাগৰিকে বুজিব নোৱাৰে যে কিয় ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰসমূহে সমন্বয় কৰি এই সমস্যাৰ স্থায়ী সমাধান উলিয়াব পৰা নাই। আনহাতে, অৰ্থনৈতিক প্ৰভাৱৰো প্ৰশ্ন উঠিছে। বিমান আৰু ৰে'ল যাত্ৰা বাতিল, স্কুল-কলেজ বন্ধ হোৱাত কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু পৰিয়ালবোৰৰ অনিয়মিতা। ক্ষুদ্ৰ ব্যৱসায়, নিৰ্মাণ কাম-কাজ, পৰিবহণ আদিত বাধাৰ সৃষ্টি হৈছে। ইয়াৰ বাবে হোৱা আৰ্থিক ক্ষতিৰ যথাযথ হয়নে? শেষত, ভৱিষ্যতৰ প্ৰশ্ন। আমাৰ উন্নয়নৰ মডেলটোৱেই নেকি ভুল? নগৰীয়াকৰণ আৰু উদ্যোগিকৰণৰ নামত আমেনে আমাৰ পৰিৱেশক বলি দিছো? সচেতনতা, বৃক্ষৰোপণ, পৰিৱেশবান্ধৱী শক্তিৰ ব্যৱহাৰ, গণপৰিবহণৰ উন্নয়ন আদি কাৰ্যকৰী পদক্ষেপ কিয় আগবাঢ়িব পৰা নাই? দিল্লীৰ বতাহে আমাক সকলেৰে সতৰ্ক কৰি দিছে। এইটো কেৱল দিল্লীৰ সমস্যা নহয়, গোটেই দেশৰে পৰিৱেশীয় সংকট। ৰাজনৈতিক ইচ্ছাশক্তি, জনসচেতনতা আৰু কঠোৰ নীতিৰ মিশ্ৰণেহে এই বিষাক্ততাৰ পৰা মুক্ত হ'ব পাৰি। নহ'লে, ৰাজধানী কেৱল এটা 'গেছ চেম্বাৰ' হৈয়েই নাথাকিব, ই আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে এটা অভিশাপ হৈ পৰিব।


◀◀ ইউনিক'ডৰ সক্ষমতাই অসমীয়া ভাষাক বিশ্বৰ জ্ঞানৰ মহাসাগৰত নিজৰ অৱস্থান সবল কৰাৰ এক বৃহৎ সুযোগ প্ৰদান কৰিছে। আন্তৰ্জালত অসমীয়া ভাষাৰ প্ৰৱেশে অসমৰ সংস্কৃতি, ইতিহাস, আৰু সাহিত্যক বিশ্ব দৰবাৰত তুলি ধৰাৰ এক শক্তিশালী মাধ্যম সৃষ্টি কৰিছে। অসমীয়া ৱিকিপিডিয়া আৰু অন্যান্য জ্ঞানমূলক ডিজিটেল প্ৰকল্পসমূহে ইউনিক'ডৰ সহায়ত অসম সম্পৰ্কীয় তথ্য আৰু জ্ঞানক বিশ্বব্যাপী প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ সক্ষম হৈছে, যিয়ে বিশ্বৰ গৱেষক আৰু শিক্ষাৰ্থীসকলক অসমৰ বিষয়ে জ্ঞান লাভ কৰাৰ পথ মুকলি কৰিছে। ইয়াৰ উপৰিও, ইউনিক'ডৰ জৰিয়তে অসমীয়া ভাষাত স্থানীয় জ্ঞান আৰু পুৰণি সাহিত্যসমূহ সংৰক্ষণ কৰাৰ ফলত, এইসমূহ চিৰদিনৰ বাবে সুৰক্ষিত হৈ থাকিব আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে উপলব্ধ হ'ব। ▶▶

# ইউনিক'ডত অসমীয়া ভাষা আৰু ভৱিষ্যত সম্ভাৱনা

**হিমাংশু ৰণ্জন ভূঞা**

**ই**উনিক অসমীয়া ভাষাৰ এই ভৱিষ্যত সম্ভাৱনাসমূহ বাস্তৱায়িত কৰিবলৈ হ'লে কিছুমান জটিল কাৰিকৰী আৰু নীতিগত প্ৰত্যাহ্বানৰ মোকাবিলা কৰাটো অতি গুৰুত্বপূৰ্ণ। আটাইতকৈ দীৰ্ঘদিনীয়া প্ৰত্যাহ্বানটো হৈছে ইউনিক'ডত অসমীয়া লিপিৰ স্বতন্ত্ৰ স্বীকৃতিৰ বিষয়টো, যিটো অসমীয়া ভাষাবিদ আৰু প্ৰযুক্তি বিশেষজ্ঞসকলৰ বাবে এক অতি স্পৰ্শকাতৰ আৰু গুৰুত্বপূৰ্ণ বিষয়। বৰ্তমানৰ ইউনিক'ড ক'ড ব্লক 'বঙালী আৰু অসমীয়া'ৰ অধীনত, অসমীয়া লিপিৰ বাবে কিছুমান স্বকীয় কাৰিকৰী সমস্যা আছে। অসমীয়া বৰ্ণমালাৰ নিজস্ব ক্ৰম বা 'অসমীয়া ক্ৰমিক সজ্জা' (Assamese Collation) প্ৰতিষ্ঠা কৰিবলৈ সুকীয়া লিপি ক'ড পইণ্টৰ প্ৰয়োজন, কিয়নো বৰ্তমানৰ উমৈহতীয়া ক্ৰমে কেৱল বঙালী ক্ৰমিক সজ্জাকহে প্ৰতিনিধিত্ব কৰে। অসমীয়া ক্ৰমিক সজ্জাই অভিধান বা তথ্যৰাজীসমূহত বৰ্ণসমূহক সঠিক ক্ৰমত সজোৱাৰ বাবে অপৰিহাৰ্য, আৰু ইয়াৰ অভাৱে অসমীয়া ভাষাৰ ডাটাবেছ আৰু সন্ধান যন্ত্ৰৰ কাৰ্য্যক্ষমতাত প্ৰভাৱ পেলায়। ইয়াৰ উপৰিও, অসমীয়া ভাষাত ব্যৱহৃত স্বকীয় বৰ্ণসমূহ, যেনে - 'ৱ' বা অসমীয়া 'ৰ'ৰ দৰে বৰ্ণসমূহৰ বাবে স্বতন্ত্ৰ কাৰিকৰী স্থানৰ প্ৰয়োজন, যিয়ে ভাষাটোৰ স্বকীয়তা ৰক্ষা কৰাৰ লগতে ইয়াৰ তথ্য প্ৰক্ৰিয়াকৰণত শুদ্ধতা নিশ্চিত কৰে। এই সমস্যাৰ সমাধানৰ বাবে ভাৰত চৰকাৰৰ মানক ব্যুৰো, অসম চৰকাৰৰ ভাষা প্ৰতিষ্ঠানসমূহ, আৰু অসম সাহিত্য সভাৰ দৰে শীৰ্ষস্থানীয় সংস্থাসমূহে মিলি আন্তঃৰাষ্ট্ৰীয় মানক সংস্থাসমূহৰ ওচৰত অসমীয়া লিপিৰ ঐতিহাসিক স্বকীয়তা আৰু কাৰিকৰী প্ৰয়োজনীয়তাসমূহ দৃঢ় যুক্তিৰে উপস্থাপন কৰাটো জৰুৰী। এই কাৰিকৰী আৰু নীতিগত প্ৰত্যাহ্বানৰ সফলতাৰ ওপৰতেই অসমীয়া ভাষাৰ ডিজিটেল ভৱিষ্যতৰ বহুতো গুৰুত্বপূৰ্ণ পদক্ষেপ নিৰ্ভৰশীল।

কেৱল কাৰিকৰী প্ৰত্যাহ্বানৰ সমাধানতে ক্ষান্ত নাথাকি, ইউনিক'ডত উপলব্ধ অসমীয়া সমলৰ গুণগত মানদণ্ড আৰু পৰিমাণৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা উচিত। ভাষা প্ৰযুক্তিৰ বিকাশৰ বাবে বৃহৎ আকাৰৰ আৰু উচ্চ মানদণ্ডৰ 'ভাষা কৰ্পাছ'ৰ প্ৰয়োজন। যদি এই কৰ্পাছ অশুদ্ধ বা ব্যাকৰণগতভাৱে আসোঁৱাহপূৰ্ণ হয়, তেন্তে কৃত্ৰিম বুদ্ধিমত্তা প্ৰণালীয়েও সেই অশুদ্ধিৰ ওপৰত আধাৰিত ভুল সিদ্ধান্ত গ্ৰহণ কৰিব। সেয়েহে, আন্তৰ্জালত প্ৰকাশিত প্ৰতিটো অসমীয়া পাঠ্যই মানক অসমীয়া ব্যাকৰণ আৰু শব্দৰীতিৰ প্ৰতিফলন ঘটোৱাটো নিশ্চিত কৰিবলৈ এক সামূহিক সচেতনতা আৰু নিৰীক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অসমৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ পুৰণি আৰু মূল্যবান গ্ৰন্থসমূহক ইউনিক'ডত ডিজিটাইজ কৰাৰ বাবে এক নিৰ্দিষ্ট আৰু সুসংগঠিত প্ৰকল্প আৰম্ভ কৰা উচিত, যিয়ে ভাষাৰাজিৰ ভঁৰাল বৃদ্ধি কৰিব। ইয়াৰ উপৰিও, লেখক, সাংবাদিক, আৰু ডিজিটেল সমল সৃষ্টিকৰ্তাসকলক ইউনিক'ডত লিখাৰ সময়ত ব্যাকৰণগত শুদ্ধতা আৰু শব্দৰ সঠিক ব্যৱহাৰৰ প্ৰতি অধিক মনোযোগ দিবলৈ উৎসাহিত কৰিব লাগে। এই ক্ষেত্ৰত, স্বয়ংক্ৰিয় বানান শুধৰণি সঁজুলি (Spell Checkers), ব্যাকৰণ পৰীক্ষণ সঁজুলি (Grammar Checkers), আৰু অসমীয়া শব্দৰ বিস্তৃত ডিজিটেল অভিধানৰ দৰে মৌলিক ভাষা সঁজুলিসমূহৰ বিকাশক অগ্ৰাধিকাৰ দিয়া উচিত। এই সঁজুলিসমূহে মানক অসমীয়া ভাষাৰ ব্যৱহাৰক উৎসাহিত কৰাৰ লগতে ডিজিটেল মাধ্যমত লিখা-মেলা কৰা লোকসকলক শুদ্ধতা বজাই ৰখাত সহায় কৰিব, যিয়ে দীৰ্ঘম্যাদীভাৱে অসমীয়া ভাষাৰ ডিজিটেল বিশুদ্ধতা সুনিশ্চিত কৰিব।



অসমীয়া ভাষাৰ এই ডিজিটেল যাত্ৰাত চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। চৰকাৰী সংস্থাসমূহে, বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ আৰু শিক্ষা বিভাগে, অসমীয়া ভাষা প্ৰযুক্তিৰ গৱেষণা আৰু বিকাশৰ বাবে এক সুনিৰ্দিষ্ট আৰু বৃহৎ পৰিমাণৰ পুঁজি যোগানৰ আঁচনি গ্ৰহণ কৰিব লাগে। এই পুঁজিৰ জৰিয়তে বিশ্ববিদ্যালয় আৰু ব্যক্তিগত গৱেষণা কেন্দ্ৰসমূহত অসমীয়া ভাষাৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা, যন্ত্ৰ অনুবাদ, আৰু ধ্বনি চিনাক্তকৰণৰ দৰে অত্যাধুনিক প্ৰযুক্তিৰ বিকাশৰ বাবে গৱেষণা কাৰ্যসূচী আৰম্ভ কৰিব লাগে। বেচৰকাৰী সংস্থা আৰু ভাষা প্ৰেমীসকলে একত্ৰিত হৈ অসমীয়া ভাষাৰ ডিজিটেল সমল সৃষ্টিৰ বাবে স্বেচ্ছামূলক প্ৰকল্পসমূহ গ্ৰহণ কৰিব লাগে, যেনে - অসমীয়া ৱিকিপিডিয়া, ৱিকিউৎস, আৰু অন্যান্য ডিজিটেল অভিধানসমূহৰ বিকাশ। ইয়াৰ উপৰিও, চৰকাৰী সেৱা আৰু ডিজিটেল প্লেটফৰ্মসমূহক সম্পূৰ্ণৰূপে অসমীয়া ভাষাত উপলব্ধ কৰাটো বাধ্যতামূলক কৰিব লাগে, যাতে সাধাৰণ নাগৰিকসকলে তেওঁলোকৰ দৈনন্দিন চৰকাৰী কাম-কাজত নিজৰ মাতৃভাষাৰ ব্যৱহাৰ কৰিবলৈ উৎসাহিত হয়। এই পদক্ষেপসমূহে অসমীয়া ভাষাৰ ডিজিটেল প্ৰয়োজনীয়তা আৰু ব্যৱহাৰিক গুৰুত্ব বৃদ্ধি কৰিব, যাৰ ফলত প্ৰযুক্তি উদ্যোগসমূহো অসমীয়া ভাষাত সঁজুলি আৰু এপ্লিকেশ্বন সৃষ্টি কৰিবলৈ আগ্ৰহী হ'ব। এইদৰে চৰকাৰী পৃষ্ঠপোষকতা, শৈক্ষিক গৱেষণা, আৰু জনসাধাৰণৰ সক্ৰিয় অংশগ্ৰহণৰ সংমিশ্ৰণেহে ইউনিক'ডৰ জৰিয়তে অসমীয়া ভাষাৰ ভৱিষ্যত সমৃদ্ধি নিশ্চিত কৰিব পাৰিব।

ইউনিক'ডৰ সক্ষমতাই অসমীয়া ভাষাক বিশ্বৰ জ্ঞানৰ মহাসাগৰত নিজৰ অৱস্থান সবল কৰাৰ এক বৃহৎ সুযোগ প্ৰদান কৰিছে। আন্তৰ্জালত অসমীয়া ভাষাৰ প্ৰৱেশে অসমৰ সংস্কৃতি, ইতিহাস, আৰু সাহিত্যক বিশ্ব দৰবাৰত তুলি ধৰাৰ এক শক্তিশালী মাধ্যম সৃষ্টি কৰিছে। অসমীয়া ৱিকিপিডিয়া আৰু অন্যান্য জ্ঞানমূলক ডিজিটেল প্ৰকল্পসমূহে ইউনিক'ডৰ সহায়ত অসম সম্পৰ্কীয় তথ্য আৰু জ্ঞানক বিশ্বব্যাপী প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ সক্ষম হৈছে, যিয়ে বিশ্বৰ গৱেষক আৰু শিক্ষাৰ্থীসকলক অসমৰ বিষয়ে জ্ঞান লাভ কৰাৰ পথ মুকলি কৰিছে। ইয়াৰ উপৰিও, ইউনিক'ডৰ জৰিয়তে অসমীয়া ভাষাত স্থানীয় জ্ঞান আৰু পুৰণি সাহিত্যসমূহ সংৰক্ষণ কৰাৰ ফলত, এইসমূহ চিৰদিনৰ বাবে সুৰক্ষিত হৈ থাকিব আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে উপলব্ধ হ'ব। এই ডিজিটেল সংৰক্ষণে অসমীয়া সাহিত্যৰ ঐতিহ্যক কেৱল কাগজে-কলমে নহয়, বৰঞ্চ এক স্থায়ী আৰু সহজে প্ৰৱেশযোগ্য ডিজিটেল ৰূপত জীয়াই ৰাখিব। এইদৰে, ইউনিক'ডে অসমীয়া ভাষাক কেৱল এক যোগাযোগৰ মাধ্যম হিচাপে নহয়, বৰঞ্চ এক বিশ্বজনীন জ্ঞানৰ মাধ্যম হিচাপেও প্ৰতিষ্ঠা কৰাত সহায় কৰিছে। এই প্ৰতিষ্ঠাই অসমীয়া জাতিৰ সাংস্কৃতিক জীৱন আৰু আত্মপৰিচয়ক সবল কৰি তুলিব আৰু বিশ্বৰ যিকোনো প্ৰান্তত থকা অসমীয়া লোকসকলক মাতৃভাষাৰ সৈতে নিৰন্তৰভাৱে সংযোগ স্থাপন কৰি থাকিবলৈ সহায় কৰিব, যিয়ে প্ৰৱাসী অসমীয়া সমাজৰ মাজত ভাষাৰ সংৰক্ষণতো এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।

শেহতীয়াকৈ অসমীয়া ভাষাৰ ক্ষেত্ৰত বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা আৰু ডাটা চাইন্সৰ ক্ষেত্ৰত কিছু গৱেষণাৰ কাম আৰম্ভ হৈছে, কিন্তু এইবোৰৰ ক্ষিপ্ৰ বিকাশৰ বাবে ইউনিক'ডৰ আধাৰত আৰু অধিক সমন্বিত আৰু শক্তিশালী প্ৰচেষ্টাৰ প্ৰয়োজন। অসমীয়া ভাষাৰ বাবে 'টেক্সট-টু-স্পীচ' (পাঠৰ পৰা মাতলৈ ৰূপান্তৰ) আৰু 'স্পীচ-টু-টেক্সট' (মাতৰ পৰা পাঠলৈ ৰূপান্তৰ) প্ৰযুক্তিসমূহৰ বিকাশ আজিৰ সময়ৰ এক অন্যতম গুৰুত্বপূৰ্ণ চাহিদা, যিয়ে বিশেষভাৱে সক্ষম লোকসকলৰ বাবেও অসমীয়া ভাষাৰ প্ৰৱেশযোগ্যতা বৃদ্ধি কৰিব। এই প্ৰযুক্তিসমূহৰ সফলতা ইউনিক'ডত উপলব্ধ অসমীয়া উচ্চাৰণ আৰু পাঠ্যৰ বৃহৎ যুগল তথ্যৰ ওপৰত নিৰ্ভৰশীল। গৱেষকসকলে ইউনিক'ডৰ মানক ব্যৱহাৰ কৰি অসমীয়া ভাষাৰ বাবে উন্নত মেচিন লাৰ্ণিং মডেল আৰু ডিপ লাৰ্ণিং এলগৰিথমসমূহ বিকাশ কৰিব লাগে, যিয়ে ভাষাৰ জটিল ব্যাকৰণ আৰু প্ৰসংগসমূহ শুদ্ধভাৱে বুজি পাব পাৰে। তদুপৰি, অসমীয়া ভাষাৰ উপভাষাসমূহৰ সংৰক্ষণ আৰু ডিজিটেলকৰণৰ বাবেও ইউনিক'ডৰ ভূমিকা অনস্বীকাৰ্য, কিয়নো এই উপভাষাসমূহক মানক ইউনিক'ড লিপিত লিপিবদ্ধ কৰিহে ইয়াৰ ভাষিক বৈচিত্ৰ্যতা সংৰক্ষণ কৰিব পৰা যায়। এই সকলোবোৰ গৱেষণা আৰু বিকাশৰ কামৰ বাবে ভাষা প্ৰযুক্তিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু অন্যান্য সফল ভাষাৰ ডিজিটেল প্ৰকল্পসমূহৰ পৰা জ্ঞান আহৰণ কৰাটো অতি জৰুৰী।

সামৰণিত এই কথা পুনৰ দৃঢ়তাৰে ক'ব পাৰি যে ইউনিক'ডে অসমীয়া ভাষাৰ বাবে ডিজিটেল যুগত এক নতুন জীৱন আৰু এক বৃহৎ ভৱিষ্যতৰ পথ মুকলি কৰিছে। ইউনিক'ডৰ মানকৰণৰ ফলস্বৰূপে ভাষাটোৱে তথ্য প্ৰযুক্তিৰ সকলো সুবিধা গ্ৰহণ কৰি বিশ্বজনীন জ্ঞানৰ ভঁৰালত নিজৰ স্থান দখল কৰিবলৈ সাজু হৈছে। এই কাৰিকৰী আধাৰৰ অবিহনে অসমীয়া ভাষাৰ ডিজিটেল জগতত সক্ৰিয় প্ৰৱেশ আৰু স্থায়িত্ব প্ৰায় অসম্ভৱ আছিল। কিন্তু এই ভৱিষ্যতৰ সফলতা কেৱল কাৰিকৰী মানকৰ ওপৰতে নিৰ্ভৰশীল নহয়, বৰঞ্চ ইউনিক'ডত অসমীয়া লিপিৰ স্বকীয় স্বীকৃতি লাভ, উচ্চ গুণগত মানদণ্ডৰ সমলৰ সৃষ্টি, আৰু অসমীয়া সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ সামূহিক দায়বদ্ধতাৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। প্ৰতিটো স্তৰৰ লোকে নিজৰ দৈনন্দিন ডিজিটেল জীৱনত সক্ৰিয়ভাৱে শুদ্ধ অসমীয়া ভাষাৰ ব্যৱহাৰ কৰিলেহে ইউনিক'ডৰ পূৰ্ণ ক্ষমতাৰ সদ্ব্যৱহাৰ হ'ব। ভাষিক বিশুদ্ধতা বজাই ৰাখি, আধুনিক প্ৰযুক্তিৰ সহায়ত অসমীয়া ভাষাক একবিংশ শতিকাৰ প্ৰাসঙ্গিক ভাষা হিচাপে গঢ়ি তোলাৰ এই এক ঐতিহাসিক সুযোগ। এই সুযোগৰ সঠিক ব্যৱহাৰৰ দ্বাৰা অসমীয়া ভাষা চিৰদিন জীয়াই থাকিব আৰু ই বিশ্বৰ ডিজিটেল মানচিত্ৰত এক উজ্জ্বল স্থান লাভ কৰিবলৈ সক্ষম হ'ব, যাৰ জৰিয়তে অসমৰ সাংস্কৃতিক আৰু জ্ঞানভিত্তিক ঐতিহ্য বিশ্বৰ বাবে উন্মোচিত হ'ব।

*(তথ্যসূত্ৰ- কেবাখনো গ্ৰন্থ, একাধিক প্ৰবন্ধ আৰু ইণ্টাৰনেটত উপলব্ধ বিভিন্ন লেখাৰ সহায় লোৱা হৈছে।)*

# উপাৰ্জনৰ উপায় হিচাপে সামাজিক মাধ্যম

**আয়শা ছিদ্দিকা**

**দেশ**ত নিবনুৱা সমস্যা চৰম পৰ্যায়ত। উপাৰ্জনৰ নামত আত্মসন্মান বিক্ৰী কৰি উপাৰ্জন কৰা সমীহ নহয়।

ইনফ্লুৱেন্সাৰ আধুনিক যুগৰ সবাতোকৈ প্ৰিয় এটা শব্দ। এই শব্দটোৱে একদল ব্যক্তিৰ এক নতুন ৰাজহুৱা পৰিচয় দাঙি ধৰে যি নিজৰ ব্যক্তিগত জীৱন, চিন্তা, দেহ আৰু অনুভৱক এক উমৈহতীয়া পণ্যলৈ ৰূপান্তৰিত কৰি উপাৰ্জনৰ পথ নিৰ্মাণ কৰে। কিন্তু এই উপাৰ্জনৰ নামত আমাৰ সমাজ এক ভয়াৱহ ৰূপ ধাৰণ কৰিছে য'ত ব্যক্তিয়ে নিজৰ সন্মান, লাজ, সীমা, পৰিয়াল, আত্মীয়াকো অৱজ্ঞা কৰি এক অদম্য আত্ম-প্ৰদৰ্শনত মত্ত হৈ পৰে। এইটোক এক সৰল আৰু উন্নত উপাৰ্জনৰ মাধ্যম বুলি গণ্য কৰে যদিও বাস্তৱ দৃষ্টিত ই এক সামাজিক ৰোগ।

সামাজিক মাধ্যমৰ এলগৰিদম সদায় চাবস্ক্ৰাইব, লাইক, আৰু ভিউৰ সন্ধানত থাকে। এই সন্ধানত এজন সাধাৰণ ব্যক্তিয়েও নিজকে এক প্ৰডাক্ট হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা আৰম্ভ কৰে। কি খাইছে, ক'লৈ গৈছে, কেনেদৰে নাচিছে, কিমান কান্দিছে সকলোৱে এক ৰূপ লয় যাৰ মূল্য থাকে কেৱল এনগেজমেণ্ট ৰেটত। এই হেঁচাই মানুহক এনে কাম কৰিবলৈ বাধ্য কৰায় যিবোৰে তেওঁলোকৰ আত্মসন্মানক ধূলিয়ৰিত লীন কৰি পেলায় মাথোঁ এটা ভাইৰেল হোৱা প্ৰতিযোগিতাত। পৰম্পৰাগত ভাৱে লাজ এক সামাজিক সীমা ৰক্ষাকাৰী হিচাপে কাম কৰিছিল। কিন্তু ডিজিটেল যুগত এই লজ্জাক এক বাধা হিচাপে চিনাক্ত কৰা হৈছে। যিয়ে যিমান নিঃসংকোচ, সিমান সফল এই মনৰস্থাই যুৱক-যুৱতীসকলক পৰিয়ালৰ সদস্যৰ শোকগ্ৰস্ত মুহূৰ্তত ধৰি কণ্টেণ্ট বনাবলৈ, ব্যক্তিগত কলহ-বিবাদ ৰাজহুৱাকৈ বিক্ৰী কৰিবলৈ উৎসাহিত কৰে। নিজৰ দেহক এক কুৎসিত প্ৰদৰ্শনীৰ বস্তু হিচাপে পেশ কৰাটো যেন এক সাধাৰণ ঘটনা হৈ পৰিছে। ইয়াৰ পিছত "views" আৰু "comments"ৰ সংখ্যাই মানুহৰ আত্মসন্মানৰ মাপকাঠী হৈ উঠে।

আটাইতকৈ ভয়াৱহ দিশ হ'ল এই প্ৰদৰ্শনত পৰিয়ালকো সক্ৰিয়ভাৱে অংশীদাৰ কৰা হয়। সৰু ছোৱালীজনীয়ে কান্দি থকা ভিডিঅ', স্বামী-স্ত্ৰীৰ বিবাদ, বুঢ়া-বুঢ়ীৰ অসুবিধাক এক exploitation (শোষণ)ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। পৰিয়ালৰ সদস্যক আগতীয়া সন্মতি নিদিয়াকৈ তেওঁলোকৰ অসুবিধাৰ সময়কে ধৰি এক ৰোমাঞ্চকৰ, ভিডি তৈয়াৰ কৰা হয়। এইক্ষেত্ৰত, পৰিয়ালৰ সম্পৰ্ক আৰু অনুভৱতকৈ "কণ্টেণ্ট"ৰ মূল্য বেছি হৈ পৰে।

যিয়ে নিজক নগ্ন কৰি সদায় প্ৰদৰ্শন কৰি থাকে, তাৰ আত্ম-পৰিচয় সম্পূৰ্ণৰূপে বাহ্যিক validations (সঁজাতকৰণ)ৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। লাইক কম হ'লেই আত্মবিশ্বাস ক্ষুব্ধ হৈ পৰে। Negative comments (নেতিবাচক মন্তব্য)য়ে mental health (মানসিক স্বাস্থ্য) অৱনতি ঘটায়। এই উপাৰ্জন এক অস্পষ্ট আধাৰত গঢ়ি উঠে, য'ত আজি আছে, কাইলৈ নাই। কিন্তু ইয়াৰ বিনিময়ত হেৰোৱা হয় ব্যক্তিৰ অভ্যন্তৰীণ শান্তি, স্বাভাৱিক সামাজিক জীৱন, আৰু এক স্থিৰ আত্ম-পৰিচয়।

ইয়াক আপুনি কি বুলি ক'ব উপাৰ্জন নে আত্ম-শোষণ (self-exploitation)...?

নিজক তুচ্ছ কৰি উপাৰ্জন কৰা টকাৰে শান্তিৰ লুকমা মুখত তুলিব পাৰে জানো...?

সামাজিক মাধ্যমত উপাৰ্জন কৰাটো ভুল নহয়। কিন্তু যেতিয়া উপাৰ্জনৰ অংকই মানুহৰ মূল্যবোধ, সীমা, আত্মসন্মান, পৰিয়ালৰ সন্মানতকৈ গুৰুত্বপূৰ্ণ হৈ উঠে, তেতিয়া ই আৰু উপাৰ্জনৰ মাধ্যম নাথাকি হৈ উঠে এক আত্ম-ধ্বংসৰ এক পথ।

আমি এক এনে সমাজত জীৱন যাপন কৰিছোঁ য'ত সফলতাৰ সংজ্ঞা টকা-পইচা আৰু ভাইৰেল হোৱাৰ সংখ্যাৰে সাঙুৰি ৰখা হৈছে। যেতিয়া উপাৰ্জনৰ পথটোৱে আপোনাৰ মানৱীয় গুণাবলী, আপোনাৰ পৰিয়ালৰ গোপনীয়তা, আৰু আপোনাৰ নিজৰ সন্মানক হত্যা কৰে, তেতিয়া সেই উপাৰ্জনৰ কোনো অৰ্থই বৈ নাথাকে। আমি ডিজিটেল দাসত্বৰ সলনি স্বাস্থ্যকৰ ডিজিটেল সা-সম্পত্তি সৃষ্টিৰ ফালে গতি কৰাটো অতি প্ৰয়োজন। নহ'লে, আমি এক নগ্ন, আৰু লজ্জাহীন প্ৰজন্ম গঢ়ি তুলিম, যাৰ হাতত প্ৰচুৰ টকা থাকিব, কিন্তু আত্মসন্মান নাথাকিব।

সামাজিক মাধ্যমৰ পৰা উপাৰ্জন কৰা বেয়া নহয়। দেশত যেতিয়া নিবনুৱা সমস্যা চৰম পৰ্য্যায়ত তেতিয়া উপাৰ্জনৰ ভিন্ন ভিন্ন পথৰ সন্ধান কৰাটো শলাগ ল'বলগীয়া। কিন্তু উপাৰ্জন কৰিব পৰা যায় বুলিয়েই হোৱা নোহোৱাকৈ যি তি প্ৰচাৰ কৰাটো, নিজৰ দেহ প্ৰদৰ্শন কৰাটো, কণ্টেনৰ নামত মানুহক অশান্তি দিয়াটো কোনো পধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে।

দেশত যেতিয়া নিবনুৱা সমস্যা চৰম পৰ্য্যায়ত তেতিয়া উপাৰ্জনৰ ভিন্ন ভিন্ন পথৰ সন্ধান কৰাটো শলাগ ল'বলগীয়া। কিন্তু উপাৰ্জন কৰিব পৰা যায় বুলিয়েই হোৱা নোহোৱাকৈ যি তি প্ৰচাৰ কৰাটো, নিজৰ দেহ প্ৰদৰ্শন কৰাটো, কণ্টেনৰ নামত মানুহক অশান্তি দিয়াটো কোনো পধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে।

# মাটিৰ বুকুত কংক্ৰিটৰ ছুৰী

**সত্যব্ৰত বৰা**

**জী**ৱনৰ মূল শিপা মাটিয়েই। মাটি কেৱল ভূমিৰ ওপৰৰ স্তৰ নহয়, এইয়া পৃথিৱীৰ সৰ্ববৃহৎ স্থলীয় পৰিৱেশ তন্ত্ৰ আৰু এক আচৰিত বাসস্থান য'ত সৰু সৰু অণুজীৱৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ দ্বিতীয় বৃহত্তম জীৱ হানী ফাংগাছ আৰ্মিলেৰিয়া অষ্টয়ীলৈকে সকলো ধৰণৰ জীৱৰ বসতি। মাটিৰ অদৃশ্য জগতখনহে প্ৰকৃত জগত। ওপৰৰ দৃশ্যমান জগতৰ তুলনাত মাটিৰ তলৰ অদৃশ্য জগত অধিক জীৱন্ত, অধিক বৈচিত্ৰ্যময়, অধিক ৰঙীন, অধিক সক্ৰিয় আৰু অধিক কাৰ্যক্ষম।

জীৱন্ত মাটি একে ধৰণৰ নহয়। এটা অঞ্চলৰ পৰা আন এটালৈ, এটা অঞ্চলৰ ভিতৰতে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ মাটি সদায় সলনি হৈ থাকে। মাটিবোৰৰ গঠন, আকৃতি, উপাদান আৰু জীৱ-সম্পদত বৈচিত্ৰ্য আছে। সেয়েহে মাটিৰ বৈচিত্ৰ্য বা পেড'ডাইভাৰ্চিটি আছে। মাটিৰ বৈচিত্ৰ্যই অসংখ্য উদ্ভিদৰ এক বিস্ময়কৰ সমাহাৰক আশ্ৰয় দিয়ে আৰু সেই উদ্ভিদৰ চাৰিওফালে প্ৰাণীজগতৰ এক আচৰ্য্যজনক বৈচিত্ৰ্য গঢ়ি উঠে। মাটিৰ ওপৰত থকা এই ভয়ংকৰ জৈৱ বৈচিত্ৰ্যই মাটিৰ ভিতৰত থকা অদৃশ্য অণুজীৱৰ বৈচিত্ৰ্যৰ দ্বাৰাহে নিৰন্তৰ পুষ্টি লাভ কৰে। মাটিৰ জৈৱ বৈচিত্ৰ্য মাটিৰ উৰ্বৰতাৰ সমানুপাতিক আৰু সেই উৰ্বৰতা মাটিৰ ভিতৰত থকা জৈৱিক আৰু অজৈৱিক উপাদানৰ কাৰ্য্য।

যি সভ্যতাই মাটিক সন্মান কৰে, সি উদ্ভাসিত হৈ উঠে আৰু চিৰকাল টিকি থাকে। মাটিৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ লৈ আমাৰ প্ৰাচীন শাস্ত্ৰ, মহাকাব্য, কবিতা আৰু গদ্যত প্ৰকৃতিৰ উপাদানক সকলোতকৈ আগস্থান দিয়া হৈছে। তাত মাটিৰ প্ৰতি মানুহৰ গভীৰ চিন্তা প্ৰকাশ পাইছে। আমাৰ সাংস্কৃতিক গৌৰৱ মাটিৰ পৰাহে উদ্ভাসিত হয়। যি সভ্যতাই মাটিক উপেক্ষা কৰিছে, সেই সভ্যতা পৃথিৱীৰ পৰা নোহোৱা হৈ গৈছে।

মাটিয়ে আমাৰ সাংস্কৃতিক বৈচিত্ৰ্যকো প্ৰকাশ কৰে। কোৱা হয়, প্ৰতি আঠ মাইলত ভাষা, পানী আৰু জলবায়ু সলনি হয়। কিয়? কাৰণ আমি যি মাটিৰ ওপৰত নিৰ্ভৰশীল, সেই মাটিয়েই আমাক সংজ্ঞায়িত কৰে। দাৰ্শনিকভাৱে ক'বলৈ গ'লে আমি মাটিক সংজ্ঞায়িত কৰিব নোৱাৰোঁ, কাৰণ মাটিয়েই আমাক সংজ্ঞায়িত কৰে। আমি যদি চন্দ্ৰ বা মঙ্গল গ্ৰহত উপনিবেশ স্থাপনো কৰোঁ, তথাপিও আমি আমাৰ মাটিৰ দ্বাৰাহে চিহ্নিত হৈ ৰ'ম।

এই গ্ৰহৰ পৰিৱেশ তন্ত্ৰৰ সুস্থতা মাটিৰ ওপৰতে নিৰ্ভৰশীল। মানৱজাতিয়ে যি খাদ্যৰ ওপৰত নিৰ্ভৰ কৰে, তাৰ ৯৫ শতাংশৰো অধিক মাটিৰ পৰাই আহে। উদ্ভিদৰ জীৱন, বৃদ্ধি আৰু টিকি থকাৰ বাবে প্ৰয়োজনীয় ১৮টা প্ৰাকৃতিক মৌলৰ ভিতৰত ১৫টাই মাটিতে থাকে। আমাৰ স্বাস্থ্য আৰু কল্যাণৰ বাবে অপৰিহাৰ্য সকলো মেচ' আৰু মাইক্ৰ' পুষ্টি উদ্ভিদৰ মাধ্যমেৰে মাটিৰ পৰাই আহে।

২০২৫ চনৰ বিশ্ব ভূমি দিৱসৰ (৫ ডিচেম্বৰ) বিষয়বস্তু আছিল 'Healthy Soils for Healthy Cities'। আধুনিক নগৰে সন্মুখীন হোৱা সৰ্ববৃহৎ ট্ৰেজেডী হ'ল মাটিক সম্পূৰ্ণৰূপে চীল কৰি পেলোৱা- ভৱন, টাৱাৰ, পকী ৰাস্তাৰে মাটিৰ ওপৰত চিমেণ্টৰ ঢালি দিয়া। প্ৰতিবাৰ বৰষুণ হ'লেই ভয়ংকৰ বানপানী, অসহনীয় প্ৰদূষণ, বিশ্ব উষ্ণতা বৃদ্ধিয়ে বাসিন্দাৰ দুৰ্দশা বঢ়াই তুলিছে। কাৰণটো হ'ল অসম্পৃক্ত নগৰ মাটিৰ বিনাশৰ মূল্যত গঢ়ি উঠিছে।

যদি নগৰৰ চাৰিওফালে মাটি সেউজীয়া কৰি ৰখা হয় গছ-গছনি, ঘাঁহনি, উদ্যান- তেন্তে মাটিয়ে কাৰ্বন শোষণ কৰিব, বৰষুণৰ পানী মাটিয়ে ফিল্টাৰ কৰি ভূগৰ্ভৰ জলভঁৰাললৈ পঠিয়াই দিব, বায়ু বিশুদ্ধ কৰিব, নগৰক শীতল কৰি ৰাখিব আৰু আধুনিক নগৰৰ প্ৰয়োজনীয় সৌন্দৰ্য আৰু মানসিক স্বাস্থ্য প্ৰদান কৰিব। কিন্তু আমি তাৰ বিপৰীত কৰি আছোঁ। আমি মাটিৰ শ্বাস-প্ৰশ্বাস বন্ধ কৰি দিছোঁ।

অসমৰ কথাকে কওঁ। ব্ৰহ্মপুত্ৰৰ পাৰৰ উৰ্বৰ এলুভিয়েল মাটি পৃথিৱীৰ অন্যতম উৰ্বৰ মাটি। এই মাটিয়ে হাজাৰ হাজাৰ বছৰ ধৰি অসমৰ কৃষি-সংস্কৃতিৰ ভিত্তি দি আহিছে। কিন্তু গুৱাহাটীৰ পৰা ডিব্ৰুগড়, শিলঘাটৰ পৰা যোৰহাটলৈ সকলোতে একে ছবি। পাহাৰ কাটি, জলাশয় পুতি, মাটিৰ বুকুত কংক্ৰিটৰ নগৰ গঢ়ি উঠিছে। যিবোৰ ঠাইত এসময়ত ধাননিৰ সেউজীয়া বিস্তাৰ আছিল, তাত আজি ফ্লাইঅ'ভাৰ আৰু মল। যিবোৰ পাহাৰত বৰষুণৰ পানী মাটিয়ে শোষণ কৰি ভূগৰ্ভৰ জলস্তৰ বঢ়াইছিল, সেইবোৰ আজি খান্দি বিক্ৰী কৰা হৈছে। ফলত গুৱাহাটীত এতিয়া বৰষুণ হ'লে ৰাস্তা নদী হৈ পৰে, কৃত্ৰিম বানপানী হয়, গ্ৰীষ্মত পানীৰ অভাৱ। আমি মাটিৰ পৰা জীৱন কাঢ়ি লৈ আমাৰ ভৱিষ্যতক বিপদৰ মুখত ঠেলি দিছোঁ।

এই অসংলগ্ন নগৰায়ণৰ ফলত আমি কি হেৰুৱাইছোঁ? প্ৰথমতে, মাটিৰ কাৰ্বন শোষণ ক্ষমতা। সেউজীয়া মাটিয়ে প্ৰতি হেক্টৰত বছৰি ৪-৫ টন কাৰ্বন শোষণ কৰিব পাৰে। কিন্তু কংক্ৰিটৰ তলত সেই মাটিৰ মৃত্যু হয়। দ্বিতীয়তে, পানীৰ চক্ৰ। সেউজীয়া মাটিয়ে বৰষুণৰ ৯০ শতাংশ পানী শোষণ কৰি ভূগৰ্ভৰ জলভঁৰাল পূৰ্ণ কৰে। কিন্তু চীল কৰা মাটিয়ে পানীক ৰাস্তালৈ ঠেলি দিয়ে, বানপানীৰ সৃষ্টি কৰে। তৃতীয়তে, জৈৱ বৈচিত্ৰ্য। মাটিৰ সামান্য অংশতে কোটি কোটি অণুজীৱ থাকে। তেওঁলোকৰ মৃত্যুৱে পৰৱৰ্তী প্ৰজন্মৰ বাবে উৰ্বৰতা ধ্বংস কৰে।

আমাৰ পূৰ্বপুৰুষে মাটিক মাতৃৰ দৰে সন্মান কৰিছিল। 'ভূমি পূজা', 'ক্ষেত্ৰ পূজা', 'মাটি কটা নিষেধ'- এইবোৰ কেৱল ধৰ্মীয় আচাৰ নহয়, পৰিৱেশ তন্ত্ৰৰ জ্ঞান আছিল। কিন্তু আমি আধুনিকতাৰ নামত সেই জ্ঞান পাহৰিলোঁ। ফলত আজি আমাৰ নগৰবোৰ অসুস্থ, আমি অসুস্থ।

সমাধান কি? প্ৰথমতে, নগৰ পৰিকল্পনাত মাটিৰ সংৰক্ষণক প্ৰাধান্য দিয়াটো। প্ৰতিটো নতুন প্ৰকল্পত 'Sponge City' ধাৰণা প্ৰয়োগ কৰা- য'ত বৰষুণৰ পানী মাটিয়ে শোষণ কৰিব পাৰে। দ্বিতীয়তে, প্ৰতিখন নগৰত কমেও ৩৩ শতাংশ এলেকা সেউজীয়া কৰি ৰখা। তৃতীয়তে, প্ৰতিখন ঘৰৰ চালত বাগিচা, প্ৰতিটো ৰাস্তাৰ কাষত গছ। চতুৰ্থতে, জলাশয় আৰু পাহাৰৰ সংৰক্ষণ। অসমত এতিয়াও সময় আছে। আমাৰ পাহাৰ-ভৈয়াম, নদী-বিলৰ মাটি এতিয়াও জীৱন্ত। কিন্তু যদি আমি এতিয়াও নুশুনো, তেন্তে আমাৰ সন্তানে কেৱল কংক্ৰিটৰ জংঘল আৰু বানপানীৰ স্মৃতিৰ ভাগী হ'ব।

এটা সুন্দৰ, সুখী আৰু পূৰ্ণতাৰে ভৰা ভৱিষ্যত মাতৃ পৃথিৱীৰ উৰ্বৰ গৰ্ভৰ পৰাহে জন্মে। শ্ৰদ্ধাৰ মনোভাৱেৰে আহক, আমি আমাৰ মাটিক সুৰক্ষিত কৰোঁ, সংৰক্ষণ কৰোঁ আৰু ব্যৱস্থাপনা কৰোঁ। যি ভৱিষ্যত আমি আহ্বান কৰিব বিচাৰোঁ, তাৰ ভিত্তি আজি মাটিতে স্থাপন কৰোঁ।

মাটিৰ প্ৰতি আমাৰ ঋণ অপৰিশোধ্য। ভূমি নোহোৱা হ'লে আমি নোহোৱা হৈ যাম। আহক প্ৰতিজন অসমীয়াই এটা প্ৰতিজ্ঞা লওঁ- আমি আমাৰ মাটিক জীয়াই ৰাখিম, যাতে আমাৰ সন্তানে এখন জীৱন্ত অসম পায়।

# আঘোণ সোণগুটি চপোৱাৰ সময়

অজিত বৰুৱা

কুঁৱলিৰ ওৰণি টানি নামি আহা আঘোণ
সোণগুটিৰ সজীৱ বৰঘৰ
আঘোণ তোৰ বুকুতেই সপোনৰ পূৰ্ণতা দেখি
বিৰিঙে এধানি প্ৰাপ্তিৰ হাঁহি...

কবিৰ কবিতাৰ ভাষা হয় আঘোণ। আঘোণক লৈয়েই কত কবিয়ে লিখিলে বিৰহগাথা অথবা প্ৰেম আৰু ভালপোৱাৰ হেজাৰ কবিতা। এয়াই আঘোণ।

শৰতৰ সুকোমল আলিংগনত ব্যস্ত হৈ পৰা গাভৰু পথাৰখনত আঘোণে আহি দোঁ খাই পৰিল। সেন্দূৰীয়া হৈ পৰিল জীৱন আৰু জীয়া নৈৰ একা-বেঁকা পথবোৰ। সপোনৰ শইচবোৰ সেন্দূৰীয়া হৈ ধৰা দিলেহি চহা খেতিয়কৰ চকুত। গাঁৱৰ একোখনৰ এনে অপৰূপ সৌন্দৰ্যময় পথাৰখনৰ অনাবিল ৰূপ লাৱন্যই প্ৰতিগৰাকী সৌন্দৰ্য পিপাসুৰ মন প্ৰাণ হৰি নিয়ে।

চাবলৈ গ'লে অসমীয়া গাঁৱলীয়া সমাজ জীৱনৰ বাবে আঘোণ হৈছে এক অনন্য মাহ। ই নিজা বৈশিষ্ট্য আৰু স্বমহিমাৰে মহীয়ান হৈ হয় সোণসেৰীয়া আঘোণ। এই সোণসেৰীয়া আঘোণে গাঁওবোৰৰ বুকুলৈ কঢ়িয়াই আনে আশাৰ বতৰা। সোণোৱালী শস্যৰে আঘোণৰ বতৰতেই পথাৰ হৈ পৰে উভৈনদী। এনে কাৰণতেই কৃষিজীৱী গ্ৰাম্য সমাজ জীৱনৰ বাবে এই আঘোণৰ গুৰুত্ব সুকীয়া বুলি ক'ব পাৰি। আঘোণ বুলিলেই যেন নিয়ৰসিক্ত শেৱালি ফুলেৰে ওপচা সেউজীয়া দুবৰিৰ দলিচাৰ কথা মনলৈ আহে। সেউজীয়া শইচ পথাৰৰ যি সোণোৱালী ৰূপ-সৌন্দৰ্য সি যেন আমাৰ মনবোৰত দোলা দি থাকে অহৰহ। আমি অসমীয়া মানুহৰ ঠিক বহাগৰ বতৰত গছ-লতিকাৰ কোমল কুঁহিপাত, কুলি-কেতেকীৰ সুৱদি মাত, সেউজীয়া পাহাৰ, কপৌফুলৰ সুবাসে মন-প্ৰাণ মোহিত কৰাৰ দৰে আঘোণৰ আগমনৰ লগে লগে মন ভৰাই তোলা সোণোৱালী ধাননিৰ মোহময়ী চিত্ৰ এখনে যেন আমাৰ মনবোৰত দোলা দি যায়।

আমি জানো যে প্ৰাকৃতিক পৰিৱেশ তথা প্ৰত্যেক ঋতু তথা বতৰৰ এই মোহনীয় চিত্ৰবোৰে মানুহৰ মনক সৃষ্টিৰ অফুৰন্ত প্ৰেৰণা আৰু তাগিদা যোগাই আহিছে। এই ক্ষেত্ৰত আঘোণো পৃথক নহয় কেতিয়াও।



আঘোণ বুলি ক'লেই যেন গাঁৱৰ মানুহৰ মাজত উখল-মাখল পৰিৱেশ এটাই বিৰাজ কৰে। বাৰিষাৰ ৰ'দ-ঘাম, বতাহ-বৰষুণ একাকাৰ কৰি খেতি কৰি শৰতত জিৰণি লোৱা সোণগুটিৰ সপোন দেখা কৃষকক আঘোণেই যেন আনি দিয়ে কৰ্মময় জীৱনৰ স্বাদ, প্ৰদান কৰে পৰিশ্ৰমৰ সুন্দৰ মিঠা ফল। মন মতলীয়া কৰা এই পকা ধানৰ সুগন্ধই যেন খেতিয়কৰ মনৰ পৰা আঁতৰাই লৈ যায় বাৰিষাৰ বিষাদ আৰু বিপৰ্যয়বোৰৰ কথা।

আঘোণৰ পকা ধানে গাঁৱৰ মানুহবোৰৰ প্ৰাণত উছাহৰ হিল্লোল তোলে বুলিব পাৰি। চহা খেতিয়কৰ মাজলৈ নামি আহে অন্তহীন ব্যস্ততা। এই ব্যস্ততা খেতিয়কৰ শস্য চপোৱাৰ ব্যস্ততা। এই শস্য ঘৰলৈ চপোৱাৰ দিনকেইটা খেতিয়ক ৰাইজৰ বাবে অতি আনন্দৰ দিন। এই সময়খিনি তেওঁলোকৰ বাবে অতি ব্যস্ততাৰে ভৰা দিন হৈ পৰে। ডেকা-বুঢ়া কাৰো আজৰি নাথাকে এইকেইদিন। আনকি ঘৰৰ গৃহিনীসকলো হাত সাবটি বহি নাথাকে বুলিব পাৰি। সকলোৱে নিজৰ নিজৰ কামত একান্তভাৱে উঠি-পৰি লগা দেখিবলৈ পোৱা যায়। ঘৰৰ জীয়ৰী-বোৱাৰী সকলোৱে আঘোণ মাহ আৰম্ভ হোৱাৰ লগে লগে ভঁৰালটো পুনৰাই নতুন মাটিৰে লেপি-মচি ধুনীয়াকৈ সাজু কৰে- লখিমী আদৰিবলৈ। আনকি ঘৰৰ চোতালখনৰ বন-বাতো পৰিষ্কাৰ পৰিচ্ছন্নকৈ সাজু কৰি তোলা হয় নকৈ।

এই প্ৰকৃতিৰ বিপুল সম্ভাৰ আঘোণৰ বুকুতেই জী উঠা দেখিবলৈ পোৱা যায়। নিয়ৰৰ বৰষুণত তিতি-বুৰি জুৰুলি-জুপুৰি হোৱা আঘোণৰ শীতল মলয়াৰ স্পৰ্শত জুৰ পৰে মানুহৰ হৃদয়। পকা ধাননিৰ বুকুৰেদি বৈ অহা ৰিব্ ৰিব্ মলয়াৰ স্পৰ্শত দশোদিশে সিঁচৰতি হয় সোণালী ধানৰ সুগন্ধ। অপৰূপ সৌন্দৰ্যৰ বিপুল সম্ভাৰ লৈ অহা প্ৰকৃতিয়ে ইয়াৰ ৰূপ সলাই সজাই তোলে এই পৃথিৱীক। আনন্দত আত্মহাৰা চৰাই-চিৰিকটিৰ সুমধুৰ গীতৰ ধ্বনিত ৰজনজনাই উঠে আঘোণ। জোনাক নিশাৰ তৰাফুল আৰু শুভ্ৰ জোনাকে প্লাৱিত কৰে সোণালী পথাৰ। এই সময়ছোৱাতে পকা ধানৰ সুবাসত শেষ নিশাৰ তিমিৰ ভেদি ভাটৌ, ৰাজহংস, শৰালি, ঘিলাহাঁহৰ জাকে সুমধুৰ গীত জুৰি আকাশ-বতাহ মুখৰ কৰি ঢাপলি মেলে সুদূৰ পাহাৰৰ পৰা গাঁৱৰ ধাননি পথাৰৰ বুকুলৈ। এয়াই আঘোণ।

আঘোণ মাহৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ন-খোৱা পৰ্ব। অসমীয়া জাতীয় জীৱনৰ ই এক অন্যতম উৎসৱ। অসমীয়া লোক-সমাজৰ মাজত এই ৰীতিৰ আছে বিশেষ গুৰুত্ব। কাতি মাহত লখিমী আদৰাৰ পাছত আঘোণত ধান কটা পৰ্ব আৰম্ভ হোৱাৰ লগে লগে ঘৰে-ঘৰে ঢেঁকীৰ মাতত গুমগুমাই উঠে গাঁওবিলাক। ন-ধানৰ চাউল মুঠি উলিয়াই প্ৰথমে নিজ নিজ গোসাঁই ঘৰত আগবঢ়োৱাৰ পাছত আৰম্ভ হয় ঘৰে ঘৰে ন-খোৱা উৎসৱ। আত্মীয়-কুটুম্ব, বন্ধু-বান্ধৱ আৰু ওচৰ চুবুৰীয়াৰ সৈতে এসাঁজ খোৱাৰ আয়োজন কৰে প্ৰতিঘৰ গৃহস্থই। বৰ্তমান এনে উৎসৱ সমূহীয়াভাৱে গাঁৱৰ নামঘৰত ৰাইজ-আইসকল একত্ৰিত হৈ আড়ম্বৰপূৰ্ণভাৱে পালন কৰি ন-চাউল লগোৱা উৎসৱত ভোজ-ভাত খাই আনন্দ লাভ কৰে।

পথাৰৰ ধান ঘৰলৈ আনি মৰণা মৰা, ৰ'দত শুকুৱাই খেৰকেইডাল বছৰটোৰ বাবে গৰুকেইটাৰ বাবে সযতনে ৰাখিবলৈ মেজি সজা, কঠীয়াৰ বাবে ধানৰ পূৰঠ আৰু নিঘূণী ঠোক বছা, কঠীয়াৰ ধান সযতনে ৰাখিবলৈ বাঁহৰ তোম সজাৰ পৰা নৰাৰে পেঁপা সাজি ধান বোজাই গৰুগাড়ীৰ পিছে পিছে দৌৰ দিয়া, কেতিয়াবা গৰুগাড়ীৰ ধানৰ ওপৰত বহি পেঁপা বজাই বজাই ঘৰলৈ ওভতা, নৰানিত লেচেৰি বোটলা, দাৱনী বাইহঁতৰ লগত পথাৰতে এসাঁজ খোৱাৰ মিঠা অনুভৱবোৰ লুকাই থাকে আঘোণৰ বুকুতে।

ঋতু পৰিৱৰ্তনৰ অৱধাৰিত নিয়মৰ সৈতেই আঘোণ আছে, আহি থাকিব। কিন্তু গাঁৱৰ বুকুত আজি তাহানিৰ আঘোণৰ ৰং আৰু ব্যস্ততা যেন কমি আহিছে। খেতিৰ প্ৰতি মানুহৰ অনীহা আহি পৰিছে। কোনো কোনো ঠাইত সময় মতে কঠীয়া ৰুৱ নোৱৰাৰ বাবেই পথাৰখন ঠায়ে ঠায়ে উদং হৈয়ে ৰৈছে। ক'ৰবাত আকৌ পানীৰ অভাৱত বামে-বাকৰিয়ে ৰুলে যদিও খেতি আশানুৰূপ নহ'ল। তথাপি পথাৰত দেখা পোৱা যাব জাক জাক দাৱনীৰ ব্যস্ততা, কাঁচিৰ শব্দ, হাঁহি-খিকিন্দালি আদি কথাবোৰ। হতাশা-নিৰাশাই কোঙা কৰা খতিয়কৰ মন পুনৰ ভৰি উঠিব আঘোণত। গাঁৱৰ সহজ-সৰল চহা লোকৰ প্ৰাণত স্বকীয় বৈশিষ্ট্যৰ জিলিকি ৰ'ব আঘোণ- নিজা মাদকতাৰে।

ঋতু পৰিৱৰ্তনৰ অৱধাৰিত নিয়মৰ সৈতেই আঘোণ আছে, আহি থাকিব। কিন্তু গাঁৱৰ বুকুত আজি তাহানিৰ আঘোণৰ ৰং, ব্যস্ততা যেন কমি আহিছে। খেতিৰ প্ৰতি মানুহৰ অনীহা আহি পৰিছে। কোনো কোনো ঠাইত সময় মতে কঠীয়া ৰুৱ নোৱৰাৰ বাবেই পথাৰখন ঠায়ে ঠায়ে উদং হৈয়ে ৰৈছে।

# প্ৰিয় মাহ আঘোণ

ড° আৰ কে বেজবৰুৱা

"...... কাতি মাহত আকাশবন্তি
জ্বলাই শাৰী শাৰী,
আঘোণ মাহত সোণালী ধান
থাকে পথাৰ ভৰি। ....."

অসমীয়া সমাজত প্ৰিয় ঋতু বসন্তৰ পিছতেই হৈছে দ্বিতীয় প্ৰিয় ঋতু হেমন্ত। হেমন্তৰ কথা পাতিবলৈ গ'লে তাৰ শেষ ভাগত পৰে আঘোণ মাহ। ক'লীয়া মেঘৰ তাণ্ডৱ শেষ হৈ আকাশত শুকুলা মেঘৰ লুকাভাকু আৰম্ভ হয়। তাৰ ওপৰত সূৰুযে সোণালী ৰঙ সানি দি নান্দনিক দৃশ্যৰ ছবি আঁকে। শীতৰ সুৰ সুৰণি এটা ইতিমধ্যেই আৰম্ভ হৈ যায়। দুপৰীয়া ৰ'দ চোকা হয় যদিয়ো পুৱা আৰু আবেলি সময়ত তাৰ উত্তাপে শৰীৰত মিঠা মাদকতা সানি দিয়ে। গাঁৱৰ ৰাস্তাৰে পাৰ হৈ যোৱাৰ সময়ত পথৰ দুয়ো কাষত বিস্তীৰ্ণ পকা ধানৰ সোণোৱালী ৰঙে মুগ্ধ কৰে চকুৰ দৃষ্টি।

"পকা ধানৰ মাজে মাজে মাজে
সৰু সৰু আলি ঐ
সৰু সৰু আলি
আলিত পৰি গীত জুৰে
জাক বালিমাহী......."

আঘোণৰ প্ৰাকৃতিক ৰূপৰ বৰ্ণনা ৰুদ্ৰ বৰুৱাৰ এই গীতৰ মাজত প্ৰাণ ভৰি উজাৰি দিছে। লখিমীক অতি সোনকালে পথাৰৰ পৰা ঘৰলৈ আদৰি অনাৰ উলাহেৰে দাৱনীয়ে পথাৰত খৰকৈ কাঁচিয়ে চলায়। ধানৰ পাতে কাটি হাতত তেজে খমলা বান্ধিলেও দাৱনীয়ে দুখ নকৰে। ধানৰ হাঁহিত যেন তেওঁলোক সুখী হয় আৰু হাঁহিবলৈ অৱকাশ পায়। তেওঁলোকে পথাৰত গীত গায়, সৰু সৰু আলিত বহি ৰবাব টেঙাৰ সোৱাদ লয়। কটা ধানৰ ডাঙৰী বান্ধি পাহোৱাল ডেকাই কান্ধত যেতিয়া খৰ খোজেৰে গতি কৰে, তাৰ পৰা ওলোৱা জিৰ জিৰ শব্দতো যেন কবিতাৰ সৃষ্টি হয়। তাকে দেখি গাঁৱৰ পাট গাভৰুৱে পদূলিত ৰৈ ডেকালৈ মুগ্ধ দৃষ্টিৰে চাই চাই আপোন পাহৰা হয়।

আঘোণ হৈছে আনন্দৰ মাহ। ধান কাটি শেষ হোৱাৰ দিনা কৃষকে পিঠা পোৰে। তাকে ধান উঠা পিঠা বুলি কোৱা হয়। তাৰ পিছত নতুন চাউলেৰে পতা হয় ন-খোৱা পৰ্ব। আঘোণত মতা হাঁহ তেলীয়া হয়। সাধাৰণতে সেই তেলীয়া হাঁহেৰে ন-খোৱা হয়। কিছু বছৰ আগলৈকে 'সাঁউৰি' দিয়া পৰম্পৰাও আছিল। তেতিয়া হাজিৰ লগোৱাৰ পৰিবৰ্তে গাৱঁৰ প্ৰত্যেক ঘৰৰ মানুহে একোদিন একোঘৰ মানুহৰ পথাৰত সমূহীয়াকৈ ধান কাটি প্ৰত্যেক ঘৰকে সহায় কৰিছিল। এয়াই সাঁউৰি পৰম্পৰা। সেই দিনটোতো ধান কাটিবলৈ যোৱা সকলো মানুহৰ বাবে মাছ-মাংস যোগাৰ কৰা হয়। শৈশৱ কালৰ দিনবোৰত ধান কাটি শেষ হোৱা পথাৰত লেছেৰি বুটলি আমিও পাইছিলোঁ অনাবিল আনন্দ।

সাধাৰণতে আঘোণতে আহে ৰাস পূৰ্ণিমা। গাঁৱে গাঁৱে ৰাতি অনুষ্ঠিত হয় ৰাস। কোচ বিহাৰ, হাউলী আৰু নলবাৰীৰ ৰাসে হাজাৰ হাজাৰ লোকক আকৰ্ষিত কৰে। অসমৰ অসংখ্য ভ্ৰাম্যমাণ থিয়েটাৰে বিভিন্ন নাটেৰে মানুহৰ মনৰ খোৰাক পূৰ্ণ কৰাৰ লগতে যুৱক-যুৱতী নাট্য প্ৰতিভা বিকাশৰ প্লেটফৰ্ম তৈয়াৰ কৰে। নাট্য সাহিত্যত নতুন নতুন নাটকৰ সংযোগ ঘটে। বহু লোকৰ জীৱিকা কিছু দিনৰ বাবে সহজ হয়। আঘোণৰ পূৰ্ণিমা ৰাতি অবিভক্ত কামৰূপ আৰু দৰং জিলাত 'ম'হখেদা' বা 'মহোহো' উৎসৱ পালন কৰা হয়।

ধান কটা হোৱাৰ পিছত পথাৰত ৰৈ যায় নৰা ভৰা উদাস শূন্যতা। পথাৰে পথাৰে দীঘলকৈ পথে পোখা মেলে। ধান চপোৱাৰ পিছতে আৰম্ভ হৈছিল নৰা কটাৰ খদম দম। মাঘৰ ভেলাঘৰ সাধিবলৈ দৰকাৰ হোৱা নৰা সমনীয়াৰ সৈতে কাটিবলৈ লাগি গৈছিলোঁ আঘোণৰ পৰাই। তাৰ পিছতে আহে মাঘৰ ভোগালী। সেয়া যেন এক ডাঙৰ উৎসৱ।

জোতিৰ্বিজ্ঞান অনুসৰি পৃথিৱী যেতিয়া মৃগশিৰা নক্ষত্ৰত অধিষ্ঠিত হয় তেতিয়া আঘোণ মাহ পৰে। মৃগশিৰা নক্ষত্ৰৰ সংস্পৰ্শত থকা বাবে আঘোণক 'মাৰ্গশীৰ্ষ' বুলিও কোৱা হয়। অসমীয়া বৰ্ষ গণনাত আঘোণ অষ্টম মাহ। বঙালী বৰ্ষ গণনাত পূৰ্বতে আঘোণ মাহক বছৰৰ প্ৰথম মাহ বুলি ধৰা হৈছিল। সেয়ে ইয়াক 'অগ্ৰহায়ণ' বুলি কোৱা। 'অগ্ৰ' মানে প্ৰথম আৰু 'হায়ণ' মানে বছৰ। আভিধানিক অৰ্থ হৈছে ধান উৎপন্ন হোৱাৰ শ্ৰেষ্ঠ সময় বা মাহ।

আঘোণ হৈছে শষ্য চাপোৱাৰ সময়। বিবাহাদি শুভ কামৰ মাহ। জলফাই, আমলখি, কমলাৰ সোৱাদ ল'বলৈ এই আঘোণ মাহলৈ বাট চাব লাগিব। বনভোজৰ বাবেও প্ৰশস্ত সময় আঘোণ। এয়াই আমাৰ সোণালী আঘোণ। এটোপ দুটোপ নিয়ৰে শীতৰ ভৰি পখালে।



# মাদকতাৰে ভৰা এটা মাহ আঘোণ

নিবেদিতা হাজৰিকা

অসমীয়া গ্ৰাম্য জীৱনত আঘোণ মাহটোৰ গুৰুত্ব অপৰিসীম। এই আঘোণ মাহটো বহু ব্যস্ততম সময়। পৰম্পৰা অনুসৰি আঘোণ মাহ সোণগুটি চপোৱাৰ সময়। আঘোণ মানেই যেন প্ৰাপ্তিৰ আনন্দ, আশাৰ বতৰা। আঘোণ মাহ বুলিলেই কৃষকৰ মাজত দেখিবলৈ পোৱা যায় সীমাহীন আনন্দ। আঘোণ মাহতেই পথাৰখনে সোণোৱালী ৰূপ লয়। আঘোণৰ পৰশত সোণ গুটিয়ে পথাৰখন স্বৰ্ণময় কৰি তোলে। আঘোণৰ সোণোৱালী পথাৰখনে কৃষকক ৰিঙিয়াই মাতে। মূৰৰ ঘাম মাটিত পেলাই আঘোণ মাহতে কৃষকে বছৰটোৰ বাবে সোণগুটি চপাই আনে। এই মাহতে শস্যৰে কৃষকৰ ভঁৰাল ভৰি পৰে। কৃষকে সেই খেতিৰ ধান মুঠি আকাৰে কঢ়িয়াই আনে আৰু ঘৰৰ চোতালত গৰুৰ সহায়ত মৰণা মাৰি সেই ধান ৰ'দত শুকুৱাই বছৰটোলৈ সামৰি থয়। সোণগুটিৰ আগমনত উদং হ'ব ধৰা ভঁৰালটোও ভৰি পৰে আৰু খেতিয়কৰ মনত অনাগত বছৰটিৰ বাবে এক আশাৰ বতৰা কঢ়িয়াই আনে।



আঘোণৰ পৰশত পথাৰ খনি আগৰ দৰেই স্বৰ্ণময় হৈ পৰিছে বা পৰে যদিও তাৰ মাজত লুকাই থকা মাদকতা আজি যেন ম্লান, শেঁতা পৰি ৰ'ল। আজি একালৰ চিৰ পৰিচিত আঘোণৰ সেই দৃশ্য যেন চকুৰ আগতে নোহোৱা হৈ যাব ধৰিছে। শাওণৰ শ্ৰমবোৰ সোণগুটি ৰূপে আদৰি আনি চোতালত মৰণা মাৰি থোৱাৰ দৃশ্যটো এটা সময়ত প্ৰায় সকলোৰে ঘৰতে দেখা পোৱা সুলভ দৃশ্য আছিল। যিখন ছবিত জীৱন্ত হৈ উঠিছিল চহা অসমীয়াৰ প্ৰকৃত জীৱন। পুৱাৰ শান্ত - সমাহিত পৰিৱেশত গৰুৱে মৰণা মাৰি থকা নয়নাভিৰাম দৃশ্য দেখিবলৈ এক প্ৰকাৰ নোহোৱাই হ'ল বুলি ক'ব পাৰি। মৰণা মৰাৰ সময়ত লোৱা ৰঙা চাহ, পানী পিঠাৰ জুতি আজিৰ প্ৰজন্মই হয়তো দেখাও নাই, সেই সোৱাদ পোৱাও নাই। আঘোণৰ পথাৰে আগৰ দৰে ডেকা -গাভৰুৰ মনবোৰক হাত বাউলি নমতা হ'ল। নোহোৱা হ'ল হাতত কাঁচি লৈ ধান দাৱলৈ যোৱা দাৱনি আৰু ডাঙৰি কঢ়িয়াবলৈ যোৱা ডেকা-গাভৰুৰ প্ৰেমালাপ। ঠিক সেইদৰে নোহোৱা হ'ল পথাৰৰ লেচেৰি বুটলা দৃশ্য। জীৱন গঢ়াৰ ব্যস্ততাত সেইবোৰৰ আমেজ ল'বলৈ আহৰিয়ে বা ক'ত? আঘোণৰ মিঠা ৰ'দ পিঠিত পেলাই ৰবাব টেঙাৰ জুতি ল'বলৈ আছেনে আজৰি আগৰ দৰে? বহুতৰ বাবে আজি এইবোৰ স্মৃতি। পথাৰৰ লগত কৃষকৰ আজন্ম সম্পৰ্ক যদিও চাকৰি মুখী হৈ পৰা বাবে আজি বহুতে খেতি আদিৰ প্ৰতি অনীহা প্ৰকাশ কৰা দেখা যায়। আগৰ দৰে নাঙলৰ মুঠিত ধৰা, বোকাৰে লুটুৰি-পুটুৰি হৈ মাক-দেউতাকৰ লগত খেতি-পথাৰলৈ ঢাপলি মেলা ল'ৰা-ছোৱালী প্ৰায় নাই বুলিয়ে ক'ব পাৰি। আগৰদৰে উঠি অহা প্ৰজন্মৰ বহুতেই পথাৰৰ খেতিৰ প্ৰতি আকৰ্ষণ অনুভৱ নকৰে। ফলত তেওঁলোক এনেদৰেই কেঁচা মাটিৰ গোন্ধ লোৱাৰ পৰা, পথাৰত ৰবাব টেঙাৰ জুতি লোৱাৰ পৰা তথা লেচেৰি বোটলাৰ দৰে কামৰ পৰা পোৱা অনামিল আনন্দৰ পৰা বঞ্চিত হৈ ৰৈছে। সময়ৰ সোঁতত এনে দৰেই চহা জীৱনৰ অনুভূতি বিজড়িত হৈ থকা বহু দৃশ্যই যেন দেখিবলৈ নোহোৱা হ'ল। এছাৰি, মোখোৰা, ওখোন আদিও দেখিবলৈ নোহোৱা হ'ল বুলি ক'ব পাৰি। কিমানৰ মনত আছে মৰণাৰ কাষত বহি খোৱা চাহ কাপৰ সোৱাদ? এঘৰৰ খেতি শেষ হ'লে আন ঘৰলৈ গৈ সহায় কৰা, মৰণা আদিত লাগি দিয়াৰ পৰম্পৰাও লাহে-লাহে হেৰাই যাব ধৰিলে। এঘৰৰ চোতালত মৰণা পেলাই থোৱা দেখি উপযাচি আহি সহায় কৰাৰ উদাহৰণ অলেখ শুনিবলৈ পোৱা যায়।

মৰণা মৰাৰ দৃশ্য অসমৰ শ্ৰম জীৱী কৃষক সমাজৰ চিৰ পৰিচিত সুলভ দিশও কালৰ সোঁতত হেৰাই যোৱাৰ উপক্ৰম হ'ল। বলধ গৰু যুটি হাল বাবলৈ, মৰণা মাৰিবলৈ এতিয়া মানুহৰ সময় নোহোৱা হ'ল। বিজ্ঞান -প্ৰযুক্তিয়ে যেন সকলো নোহোৱা কৰিলে। নতুন- নতুন যন্ত্ৰৰ আৱিষ্কাৰে মানুহৰ জীৱন সলনি কৰি তুলিলে সঁচা কিন্তু মাদকতা ভৰা কিছুমান দৃশ্য স্মৃতিলৈ পৰিণত হ'ল। ঠিক যিদৰে আঘোণ মাহৰ মৰণা মৰাৰ দৃশ্য আজি এক প্ৰকাৰ দুৰ্লভ হৈ পৰিল। কোনো-কোনো ঠাইত অৱশ্যে আজিও গৰুৰেই মৰণা মাৰে যদিও এই সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা। এদিন অসমৰ মানুহে ধান চপাই দাঙৰিবোৰ ৰ'দ বতৰত চোতালত মেলি আবেলি বা সন্ধিয়া সময়ত মৰণা মাৰিছিল বুলি কোৱা কথাষাৰ বহুতৰ সাধু কথা যেন লাগিব আৰু বহুতৰ বাবে ই এক মধুৰ স্মৃতি হৈ ৰ'ব। আধুনিক যান্ত্ৰিকতাৰ আগ্ৰাসনত গাঁও সমূহৰ চিনাকি বহু ছবি, পৰিৱেশ সলনি হৈ গ'ল। হেৰাই গ'ল এই সমূহৰ লগত জড়িত হৈ থকা আবেগ। সময়ৰ সোঁতত ক্ৰমাৎ এখন এখন চিনাকি ছবি যেন পাহৰণিৰ গৰ্ভত। মনত পৰিব মৰণা মৰা দিনবোৰলৈ। সঁচাই উভতি যাবৰ মন যায় সেই দিনবোৰলৈ। সোণোৱালী পথাৰ, লখিমীৰ আগমন, খেতিয়কৰ ব্যস্ততা এই সকলোখিনি আঘোণৰ এক চিনাকি ছবি। কৃষকৰ শ্ৰমৰ সাৰ্থকতা আৰু অসমীয়া গ্ৰাম্য জীৱনৰ সেউজীয়া প্ৰকৃতিৰ মনোমোহা দৃশ্য প্ৰদৰ্শন কৰা তথা অসমীয়া সংস্কৃতি আৰু গ্ৰাম্য জীৱনৰ এক অবিচ্ছেদ্য অংগ আঘোণ মানেই জীৱন্ত, আশাৰ সঞ্চাৰ কৰা এক মাহ।

## আঘোণ

বৰ্ণালী মজুমদাৰ

নিয়ৰৰ বোল সনা
এমোকোৰা হাঁহিৰে
পিতায়ে বিৰিয়াত বান্ধে
বছৰেকীয়া সপোনৰ ভাৰ
বেলি লহিওৱাৰ পৰত
দেওলগা সময়ৰ নিৰ্যাস সামৰি
নাচি উঠে তাত জীৱনৰ সমদল।
মোক তোল মোক তোল
চেনেহৰ বা লাগি
উৰণীয়া সপোন আৰু
জুৰণীয়া বেলিৰ নাচোন।
উলাহৰ আমেজ ঢালি
চেনেহ পৰশি যোৱা
আঘোণৰ পথাৰৰ খিল খিল হাঁহি।
আঘোণ মানেই যেন কুঁৱলীৰ বালিঘৰ
ৰাগিলগা গধূলিৰ
সোণগুটি চপোৱা
চোতালত গৰখীয়া গান,
সুগভীৰ ভাৱনাৰে
আইৰ হাতত জ্বলে
সান্ধ্য বন্তিৰ অনুপম লহৰ।
আঘোণৰ পথাৰত
ছন্দায়িত কাঁচিৰে চলে
লিহিৰি হাতৰ পৰশ।
উধনীয়া খোপাৰ কজলীয়া শোভাৰে
জাকি মাৰি উৰি আহে
ৰাগি লগা জীৱন।
এন্ধাৰ কালিমাক
হেঁচুকি হেঁচুকি থৈ
অসম্পূৰ্ণ জীৱনত পূৰ্ণতা ঢালি
উৰি যায় যেন
ভালপোৱাৰ এজাক
সোণালী চৰাই।

## অসমাপ্ত আঘোণ

অৰুণ শইকীয়া

আকাশখনি আঘোণৰ
ৰিবৰিব বতাহচাটি হেমন্তৰ
সোণোৱালী ধাননিডৰা টুটিছে
দাৱনীজাকৰ লাহি আঙুলিৰ ফাঁকত।

আঁতৰিল কলা ডাৱৰ
মাধুৰীমা আবেলি ৰবাব আতৰ।
বগলীজাক বিলখনিৰ পৰা উৰা মাৰে,
ফেঁচাটোৱে উৰুলীয়াই মাতে।

বঁকিয়াইদি সিহঁত জাকৰ খৰ খোজ,
এহাতে কাঁচিখন
সিহাতে ফৰিঙৰ টোপোলাটো
খোপা বন্ধা আঁচলত মেৰিয়াই।
তামোলৰ পিকেৰে
ৰঙীয়াল ওঁঠত কিৰিলিয়াই
বহু ভাবৰ বুৰবুৰণি মনত।
সিহঁতে মনেই কৰা নাই
আকাশ যে তৰাময়,
সৰা নিয়ৰৰ টোপাল দুগাল বয়।

# তাহানিৰ আঘোণ আৰু বৰ্তমান

পৰিণীতা শৰ্মা

শৰতৰ পদূলি গছকি হেমন্তৰ আচল মেৰিয়াই ধৰালৈ নামি অহা সেমেকা শীতৰ পৰশত ধন্য হৈছে হেঁপাহৰ আঘোণ। কুঁৱলীৰ চেঁচা আভৰণে শিহৰাই তোলে যেন প্ৰতিটো পুৱাৰ কোমল ৰদালী। প্ৰতিনিতে যেন নিয়ৰশিক্ত দলিচাত সাৰ পাই উঠে প্ৰভাতৰ চিকুন কিৰণ। ক'ৰবাৰ পৰা অহা ফিৰফিৰিয়া চেঁচা বতাহজাকেও গাল মুখ চুই যায়। গীতিকাৰ কবি কেশৱ মহন্তৰ ভাষাত, "আঘোণৰ কুঁৱলীয়ে বাট ভেটি কৰিছে আমনি, একোকে নমনি কুঁৱলী নথকা হ'লে দেখিলোঁ হেঁতেন বা পকা সোণ বৰণীয়া ধানৰ আঁচল"।

আঘোণ অসমীয়া চহা জীৱনৰ এক ব্যস্ততা পূৰ্ণ মাহ তথা অতি হেঁপাহৰ মাহ। এই আঘোণ মাহতেই চহা ৰাইজৰ আশাৰ ফছল সোণগুটিক ঘৰলৈ কঢ়িওৱাৰ সময়। এইহেন সময়ত ব্যস্ততাৰ যেন কাৰো অন্ত নাই। ৰাতিপুৱা বেলি পাতত বহাৰে পৰা আবেলিৰ বেলি পশ্চিম আকাশত ডুব যোৱালৈ ওৰকে নপৰা দৌৰা দৌৰি, ল'ৰা ধপৰা। কেনিও যেন ব্যস্ততাৰ ওৰকে নপৰে। এয়া যে লখিমীক আদৰাৰ সময়। অসমীয়া সমাজত ধান কটা বা ধান চপোৱাৰ সময়ত চহা জীৱনৰ এক সুন্দৰ ছবি প্ৰতিফলিত হয়। কৃষক বন্ধুৰ লগতে দাওনি সকলেও তামোলৰ পিকেৰে ওঁঠ ৰঙা কৰি লৈ কেচ কেচ শব্দৰে এফালৰ পৰা ক্ষিপ্ৰ গতিত কাৰ্চি চলাই যায়। কবি হীৰেন ভট্টাচাৰ্যৰ ভাষাত, 'তোমাৰ পদুমী হাতেৰে ধান বোৰ দাই আনা'। সঁচাকৈয়ে আঘোণৰ পথাৰত কেচীৰ কেচ কেচ শব্দইহে যেন প্ৰাণ সঞ্চাৰ কৰে। আকৌ দুপৰীয়া পৰত ৰদত বহি ৰবাবটেঙা, জলফাই, কৰ্দৈ চকলিয়াই নিমখ জলকীয়া কাটি লৈ খোৱাৰ আনন্দ ই সুকীয়া। দুপৰীয়াৰ এইহেন ব্যস্ততাৰ অন্তভ আবেলি ডাঙৰি বান্ধি সোণগুটি কঢ়িয়াই ঘৰমূৱা হয় কৃষকসকল।

আঘোণ বুলিলেই মনলৈ আহে পৰম্পৰা, লোকচাৰেৰে সমৃদ্ধ অসমীয়া সমাজ জীৱনৰ এখন সুন্দৰ ছবি। মনলৈ আহে লৰালিৰ সেই দিনবোৰ। ঘৰৰ জেষ্ঠ্য সকলৰ লগত পথাৰলৈ গৈ সোণালী আঘোণৰ পথাৰত দাৱনীৰ পিছে পিছে লেচেৰী বুটলি ফুৰা, এন্দুৰৰ গাঁত খান্দি ধানৰ সীহ উলিয়াই অনা, নৰাৰ মাজে মাজে সমনীয়াহঁতৰ লগত জঁপিয়াই ফুৰা আদি ক'ত যে কি। সঁচাকৈয়ে আঘোণৰ পথাৰে আনে যেন চহা ৰাইজৰ জীৱনলৈ পূৰ্ণতা প্ৰাপ্তি। ৰুদ্ৰ বৰুৱাৰ বিখ্যাত গীতৰ মাজেৰে,

পকা ধানৰ মাজে মাজে
সৰু সৰু আলি ঐ
সৰু সৰু আলি
আলিত পৰি গীত জুৰে
জাক বালিমাহী'।

এই আঘোণ মাহেতেই আৰম্ভ হয় অসমীয়াৰ বহুতো পৰম্পৰা, লোকবিশ্বাস, লোক সংস্কৃতি। চহা ৰাইজে ধান চপোৱাৰ পাছতেই আৰম্ভ হয় অসমীয়াৰ ন-খোৱা উৎসৱ। বাৰীৰ সতেজ শাক পাচলি, পৃথৰীৰ মাছ, গড়ালৰ হাহ, চালৰ কোমোৰা, জহা চাউলৰ ভাত আদিৰে সমজুৱাকৈ ভোজ ভাত খোৱাৰ থাকে অনেক ভূষি। আকৌ এই আঘোণ মাহতেই নামনি অসমৰ পৰম্পৰাগত মহোহো বা মহ খেদা উৎসৱ পালন কৰা হয়।

অৱশ্যে পৰিবৰ্তনৰ ধাম খুমীয়াত আধুনিকতাৰ পৰশত বৰ্তমান সমাজ সংস্কৃতিৰ বহুখিনিয়ে যেন বিলুপ্তি ঘটিল। এতিয়া তাহানিৰ সেই নিভাজ পৰম্পৰা সমূহত বহুখিনি কৃত্ৰিমতা আহিল। মানুহৰ মনবোৰো কৃত্ৰিমতাৰ আৱৰেৰত সোমাল। এতিয়া বহু ঠাইত ধান কাটিবলৈ মানুহ বাহিৰৰ পৰা (!) মানুহ আহে। গাওঁ সমূহতো নতুনত্বৰ চাকনৈয়াত আঘোণৰ সেই উৎসুকতা, মাদকতা দেখা নোপোৱা হ'ল। এতিয়া আবেলি বেলি লহিওৱাৰ পিছত দুয়োকান্ধে ডাঙৰি কঢ়িয়াই অনা দৃশ্য দুৰ্লভ। তাৰ ঠাইত টে''ৰ আহিল। গধূলি বা ৰাতিপুৱাতেই চোতালত বলধ গৰুৰে মৰণা মৰাৰ সলনি মেচিনেৰে মৰা হ'ল। মনলৈ আহে আগৰ দিনবোৰ। কেনেকৈ ৰাতিপুৱাৰে পৰা চোতালত মৰণা মৰাৰ গৰু হালৰ পিছে পিছে গোটেই দিনটো ঘূৰি ফুৰিছিলো। গধূলিলৈকে ভৰিৰ বিষয় ৰব নোৱাৰা হও। তথাপি সেয়া কোনো কালে পাহৰিব নোৱাৰা স্মৃতি আজিও সজিব হৈ আছে। আজিৰ ল'ৰা ছোৱালীয়ে নতুনত্বৰ জখলাত উঠি আদিবোৰ একোৱেই দেখা নোপোৱা হ'ল। মুঠৰ ওপৰত আজিৰ মানুহে তুই ৰোৱাৰ পৰা মৰণা মৰালৈ আন মানুহ ব্যৱহাৰ কৰে। গতিকে আগৰ সেই মাদকতাও নোহোৱা হ'ল, নাই কোনো উৎসুকতাও। ভাব হয়, সঁচাকৈয়ে এদিন হেৰাই যাব নেকি অসমীয়াৰ স্বাভিমান প্ৰচলিত পৰম্পৰা, লোকবিশ্বাস!

## কংগ্ৰেছ-AIUDFৰ মিত্ৰতাৰ

ধৰি কংগ্ৰেছ আৰু AIUDFৰ মাজত মিত্ৰতা ভংগ হৈ আছে যদিও ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে আজমলে কংগ্ৰেছৰ সৈতে পুনৰ মিত্ৰতাৰ বাবে কিছু আশা পোষণ কৰি আহিছিল। শেহতীয়াকৈ বিহাৰ নিৰ্বাচনৰ ফলাফলৰ পৰিপ্ৰেক্ষিতত আজমলে কংগ্ৰেছক সতৰ্ক কৰি কৈছিল যে AIUDFৰ সৈতে মিত্ৰতা নোহোৱালে অসমত কংগ্ৰেছৰ ফলাফল বিহাৰতকৈয়ো বেয়া হ'ব পাৰে। কিন্তু গৌৰৱ গগৈয়ে এই সকলো আশাৰ অৱসান ঘটাই কয়, "কংগ্ৰেছ আৰু AIUDFৰ মাজত কোনো বুজাবুজি, মিত্ৰতা বা অন্য কোনো ধৰণৰ চৰ্চা হোৱাৰ সম্ভাৱনা শূন্য। শূন্য শতাংশ সম্ভাৱনা আছে যে দুয়োটা দলৰ মাজত কোনো চুক্তি বা ৰাজনৈতিক বুজাবুজি হ'ব।" আনহাতে, অহা ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমলৈ দুদিনীয়া ভ্ৰমণৰ প্ৰসংগতো গৌৰৱ গগৈয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। অসমৰ ছয়টা জনগোষ্ঠীৰ জনজাতি মৰ্যাদা প্ৰদানৰ বিষয়টোক লৈ গগৈয়ে প্ৰধানমন্ত্ৰীক প্ৰশ্ন কৰি কয়, "প্ৰধানমন্ত্ৰীয়ে ছয় মাহৰ ভিতৰত জনজাতিকৰণ কিয় নকৰিলে, তাৰ উত্তৰ দিয়ক। ৰাজ্যসভাত বিল উত্থাপনৰ পিছতো কিয় গৃহীত নকৰিলে, সেই বিষয়েও উত্তৰ দিব লাগিব।" সংবাদমেলত গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কঠোৰ সমালোচনা কৰে আৰু বিজেপিক ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীৰ ভাবমূৰ্তি নষ্ট কৰাৰ চেষ্টা কৰাৰ অভিযোগ উত্থাপন কৰে। নেচনেল হেৰাল্ড গোচৰত ন্যায়ালয়ে খাৰিজ কৰা ৰায়ৰ প্ৰসংগত গগৈয়ে কয়, "এয়া বিজেপিৰ অপচেষ্টা। কোৰ্টে ৰাহুল গান্ধী আৰু ছোনিয়া গান্ধীৰ বিৰুদ্ধে দাখিল কৰা FIR খাৰিজ কৰিছে। ইয়াৰ পৰা স্পষ্ট যে দিল্লীত বিজেপিয়ে ৰাহুল আৰু ছোনিয়াক ভয় কৰে। অসমতো কংগ্ৰেছৰ প্ৰতি জনসমৰ্থন দেখি দিছপুৰত বিজেপি ভয় খাইছে।" ২০২৬ৰ নিৰ্বাচনক লক্ষ্য ৰাখি কংগ্ৰেছে 'ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ' নামৰ এক নতুন কাৰ্যসূচী আৰম্ভ কৰিবলৈ ওলাইছে। গৌৰৱ গগৈয়ে জনায় যে এই মাহৰ ২০ তাৰিখৰ পৰা এই কাৰ্যসূচী আৰম্ভ হ'ব আৰু ইয়াৰ জৰিয়তে এক নতুন, বৰ অসম গঢ়াৰ লক্ষ্য লোৱা হৈছে। ৰাজ্যৰ প্ৰতিখন গাঁৱলৈ কংগ্ৰেছ নেতৃত্ব পৰিদৰ্শন কৰিব। বিৰোধী দলসমূহৰ মাজত আসন বুজাবুজিৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত গগৈয়ে কৌশলী মন্তব্য কৰি কয়, "এই বিষয়ে সংবাদ মাধ্যমৰ আগত আলোচনা নহয়। ইতিমধ্যে দলৰ ভিতৰত আলোচনা হৈছে। বিজেপিয়ে এতিয়ালৈকে নিজৰ মিত্ৰতাৰ কথা ঘোষণা কৰা নাই। " লগতে, নিজৰ ওপৰত উত্থাপিত পাকিস্তান সংযোগৰ অভিযোগ আৰু SIT তদন্তৰ প্ৰসংগত গগৈয়ে মুখ্যমন্ত্ৰীক প্ৰত্যুত্তৰ দি কয়, "মুখ্যমন্ত্ৰী সংকটত পৰিছে। তেওঁৰ আসন যোৱা নিশ্চিত। কোনো প্ৰমাণ নোহোৱাকৈয়ে একে কথাকে বছৰজুৰি কৈ আছে। পৰৱৰ্তী সময়ত তেওঁৰ বিৰুদ্ধে গোচৰ হ'ব আৰু তেওঁকো কোৰ্টলৈ যাব লাগিব।" গৌৰৱ গগৈৰ এই সকলো মন্তব্যই অসমৰ ৰাজনৈতিক পৰিৱেশক অধিক উত্তপ্ত কৰি তুলিছে আৰু ২০২৬ৰ নিৰ্বাচনৰ দিশত এক নতুন মেৰুকৰণৰ সূচনা কৰিছে।

## অসম প্ৰদেশ কংগ্ৰেছৰ

নতুন অধ্যক্ষ হিচাপে জয়া বৰুৱাই আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰিছে। ৰাজীৱ ভৱনত অনুষ্ঠিত এই দায়িত্ব হস্তান্তৰ অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ উপস্থিতিত বিদায়ী অধ্যক্ষ যুগল বুঢ়াগোহাঁয়ে নতুন অধ্যক্ষ জয়া বৰুৱাৰ হাতত দায়িত্বভাৰ অৰ্পণ কৰে। এই অনুষ্ঠানত প্ৰাক্তন সাংসদ তথা প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচনী পৰিচালনা কমিটিৰ অধ্যক্ষ ৰিপুন বৰা, জ্যেষ্ঠ উপ-সভাপতি মেহদী আলম বৰাৰ লগতে ৰাজ্যখনৰ বিভিন্ন জিলাৰ অ'বিচি বিভাগৰ জিলা অধ্যক্ষসকল উপস্থিত থাকে। ইয়াৰ উপৰি জ্যেষ্ঠ নেত্ৰী বালিকা লাহন পেগু, জ্যেষ্ঠ নেতা ঋতুপৰ্ণ কোঁৱৰ, উদিত ভানু দাস, শান্তনু বৰা আদি নেতাসকলো অনুষ্ঠানত অংশগ্ৰহণ কৰে। সভাখনৰ আঁত ধৰে মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা। দায়িত্ব হস্তান্তৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে নতুন অধ্যক্ষ জয়া বৰুৱাক আন্তৰিক অভিনন্দন জনায়। লগতে তেওঁ বিদায়ী অধ্যক্ষ যুগল বুঢ়াগোহাঁইক বিগত প্ৰায় তিনি বছৰ ধৰি অ'বিচি বিভাগটোক শক্তিশালী কৰি গতি প্ৰদান কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। গগৈয়ে কয় যে, আহি থকা বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত দলটোক শক্তিশালীভাৱে পৰিচালনা কৰিবলৈ অ'বিচি বিভাগে নিজকে অধিক সক্ৰিয় কৰি তুলিব লাগিব। এই লক্ষ্যত উপনীত হ'বলৈ বিভিন্ন কৰ্মসূচী গ্ৰহণ কৰাৰ বাবেও তেওঁ আহ্বান জনায়। সভাত উপস্থিত থাকি প্ৰাক্তন সাংসদ ৰিপুন বৰাই মন্তব্য কৰে যে, অ'বিচি বিভাগক শক্তিশালী কৰিলে অসম প্ৰদেশ কংগ্ৰেছে বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰা ব্যাপক সঁহাৰি আৰু সমৰ্থন লাভ কৰিব পাৰিব। তেওঁ জয়া বৰুৱাৰ নেতৃত্বত অ'বিচি সমাজৰ লোকসকলক কংগ্ৰেছৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট কৰিবলৈ সকলোকে সক্ৰিয় হৈ কাম কৰিবলৈ আহ্বান জনায়। নতুন দায়িত্ব গ্ৰহণ কৰি জয়া বৰুৱাই ভাষণত কয় যে, তেওঁৰ নেতৃত্বত বিভাগটোক আৰু অধিক শক্তিশালী কৰি তোলা হ'ব। তেওঁ ৰাজ্যৰ সকলো জিলাৰ অ'বিচি বিভাগৰ বিষয়ববীয়া আৰু কৰ্মীসকলক নতুন উদ্যম আৰু উৎসাহেৰে কামত লাগি পৰিবলৈ আহ্বান জনায়। এই দায়িত্ব হস্তান্তৰ অনুষ্ঠানে অসম কংগ্ৰেছৰ অ'বিচি বিভাগৰ কৰ্মীসকলৰ মাজত নতুন উদ্দীপনাৰ সৃষ্টি কৰিছে বুলি দলীয় সূত্ৰই জানিবলৈ দিছে। আহি থকা নিৰ্বাচনী যুঁজত এই বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

## কংগ্ৰেছে সমস্যা সমাধান

প্ৰয়োজন হ'লে AIUDF দলটোকে ভংগ কৰি দিবলৈ সাজু তেওঁ। কিন্তু ইয়াৰ বাবে এটা চৰ্ত আগবঢ়াইছে আজমলে- ৰাহুল গান্ধীয়ে নিজে অহি AIUDFৰ সৈতে আলোচনাত বহিব লাগিব আৰু দলটোৰ সমস্যাসমূহ সমাধান কৰিব লাগিব। আজমলে স্পষ্টভাৱে কয়, "ৰাহুল গান্ধীয়ে আহি আমাৰ সৈতে আলোচনাত বহক। আমাৰ সমস্যাসমূহ সমাধান কৰি দিয়ক। তেতিয়াহ'লে আমি AIUDF দলটোকে ভংগ কৰি দিম।" এই মন্তব্যৰ জৰিয়তে আজমলে কংগ্ৰেছৰ ওচৰলৈ মিত্ৰতাৰ দুৱাৰ খুলি ৰখাৰ লগতে গৌৰৱ গগৈৰ নেতৃত্বৰ কংগ্ৰেছক প্ৰত্যাহ্বান জনাইছে। কংগ্ৰেছৰ সৈতে মিত্ৰতা নোহোৱাৰ প্ৰসংগত আজমলে তীব্ৰ সমালোচনা কৰে আৰু কয় যে উজনি অসমত কংগ্ৰেছৰ কোনো ভেটি নাই। বিহাৰ নিৰ্বাচনৰ ফলাফলৰ উদাহৰণ দি তেওঁ সতৰ্ক কৰি কয়, "বিহাৰত আছাদুদ্দিন ওৱেইছিৰ সৈতে মিত্ৰতা কৰিলে কংগ্ৰেছে ৩০-৪০টা আসন পালেহেঁতেন। AIUDFৰ সৈতে মিত্ৰতা নকৰিলে ২০২৬ত কংগ্ৰেছৰ ফলাফল বিহাৰতকৈয়ো বেয়া হ'ব।" সভাত আজমলে মুকলিকৈ প্ৰশ্ন কৰে, "মই গৌৰৱ গগৈক মুকলি আহ্বান জনাইছো। আমাৰ যুঁজ কাৰ সৈতে? কংগ্ৰেছৰ যুঁজ AIUDFৰ সৈতে নেকি? AIUDFৰ যুঁজ কংগ্ৰেছৰ সৈতে নেকি? নে আমাৰ দুয়োৰে শত্ৰু বিজেপি? যদি বিজেপি তেন্তে ভোট ভাগ কৰা কিয়? সংখ্যালঘু অঞ্চলত দুয়োটা দলে টিকট দিলে ভোট ভাগ হ'ব আৰু বিজেপিয়ে লাভ কৰিব। এয়া মুখ্যমন্ত্ৰীৰ ভিতৰুৱা পৰিকল্পনা নেকি?" কংগ্ৰেছৰ উজনি অসমত দুৰ্বলতাৰ কথা উল্লেখ কৰি আজমলে কয়, "নিৰ্বাচনৰ বাবে কংগ্ৰেছে প্ৰাৰ্থী বিচাৰি নাপায়। পঞ্চায়ত নিৰ্বাচনতেই প্ৰাৰ্থী পোৱা নাই, বিধানসভাত পাব নেকি? বিহাৰৰ নিৰ্বাচনৰ আগতে যি সপোন দেখিছিল, তাৰ পিছত দৃশ্যপট সলনি হৈছে। আমাৰ সৈতে মিত্ৰতা কৰিব নালাগে। কংগ্ৰেছে সৰু সৰু দল লৈছে- অখিল গগৈ যি এটা আসনত বিধায়ক হৈছে, লুৰীণজ্যোতি গগৈ যি বিধায়কেই হ'ব পৰা নাই। তেওঁলোকৰ দলৰ ক্ষমতা কিমান, আমি নাজানো। আমি বিজেপিক ৱাকঅভাৰ দি আছো। মই কংগ্ৰেছৰ বাবে দোৱা কৰিম।" ২০২৬ৰ নিৰ্বাচনক লক্ষ্য কৰি আজমলে ঘোষণা কৰে যে কংগ্ৰেছৰ সৈতে মিত্ৰতা নহ'লে AIUDF আৰু কংগ্ৰেছ দুয়োটা হাৰিব আৰু বিজেপিয়ে লাভ কৰিব। তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক "ফেচিষ্ট আৰু সাম্প্ৰদায়িক" বুলি অভিহিত কৰি কয় যে বিজেপিয়ে অসমৰ পৰিৱেশ বিনষ্ট কৰিছে আৰু ৰাজনৈতিক পৰম্পৰাক ধূলিসাৎ কৰিছে। এই মন্তব্যসমূহে অসমৰ ৰাজনৈতিক পৰিৱেশক আৰু উত্তপ্ত কৰি তুলিছে আৰু ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে বিৰোধী ঐক্যৰ সম্ভাৱনাক নতুন মাত্ৰা প্ৰদান কৰিছে।

## বিৰোধীৰ টাৰ্গেট জুবিন গাৰ্গ

সভাত প্ৰতীকীভাৱে ১০ গৰাকী মহিলাৰ হাতত চেক তুলি দি অনুষ্ঠানৰ শুভাৰম্ভ কৰে তেওঁ। এই অনুষ্ঠানত উপস্থিত আছিল বৰপেটাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ৰণজিৎ কুমাৰ দাসকে ধৰি বিজেপিৰ নেতা-কৰ্মী আৰু হাজাৰ হাজাৰ মহিলা। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, "ইতিমধ্যে ৰাজ্যত ১২ লাখ মহিলাৰ মাজত এই আঁচনিৰ পুঁজি বিতৰণ সম্পূৰ্ণ হৈছে। অসমৰ প্ৰায় ৮ লাখ মহিলা ইতিমধ্যে লাখপতি বাইদেউত পৰিণত হৈছে। মুঠ ৪ হাজাৰ কোটি টকাৰ এই আঁচনিখনৰ জৰিয়তে মহিলাসকলক স্বাৱলম্বী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে। আহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত ৰাজ্যৰ ৩২ লাখ মহিলাৰ মাজত এই ধন বিতৰণৰ কাম সম্পূৰ্ণ কৰা হ'ব।" তেওঁ লগতে মহিলাসকলক আহ্বান জনায় যে আজি পোৱা ১০ হাজাৰ টকা সফলতাৰে ব্যৱহাৰ কৰিলে চৰকাৰে পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকা আৰু তাৰ পিছত ৫০ হাজাৰ টকা প্ৰদান কৰিব। এই অনুষ্ঠানতে বেদখল উচ্ছেদৰ বিষয়ে ডাঙৰ ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে কয়, "এফালৰ পৰা উচ্ছেদ অব্যাহত আছে আৰু বৰপেটা জিলাতো বেদখল উচ্ছেদৰ বৃহৎ অভিযান চলিব।" এই মন্তব্যই ৰাজ্যৰ চলি থকা উচ্ছেদ অভিযানৰ প্ৰসংগত নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। অনুষ্ঠানৰ অন্তত সংবাদ মাধ্যমৰ আগত জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত আৰু ন্যায়ৰ বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ড° শৰ্মাই কয়, "ছিংগাপুৰৰ বিচাৰ প্ৰক্ৰিয়া বেলেগ, ভাৰতৰ বিচাৰ প্ৰক্ৰিয়া বেলেগ। ছিংগাপুৰৰ কোনো আইনী ব্যৱস্থা বা পুলিচ অসমত আহি তদন্ত কৰা নাই। জুবিনৰ বিহু অনুষ্ঠানৰ ধন কোনে ল'লে, সেয়া অসম আৰক্ষীয়ে তদন্ত কৰিছে। অসম আৰক্ষীয়ে ছিংগাপুৰলৈও গৈ তদন্ত কৰিছে। গতিকে তদন্তটো কাৰ ভাল হ'ব সেয়া স্পষ্ট। ভাৰতৰ আদালত ছিংগাপুৰৰ আদালতৰ অধীনত নহয়।" বিৰোধী দলৰ সমালোচনাক কটাক্ষ কৰি তেওঁ লগতে কয়, "এচাম লোক আছে যিসকলে খালি কনফিউজন সৃষ্টি কৰি থাকে। তেওঁলোকৰ কথা শুনি মাজে মাজে সন্দেহ হয় যে তেওঁলোকে জুবিনক ন্যায় দিয়াটো বিচাৰে নে নাই। তেওঁলোকে এটা কামত লাগি আছে- উইক পইণ্ট উলিয়াই দিয়ক যাতে অভিযুক্তসকল মুকলি হৈ যায়। তেওঁলোকৰ কথাৰ পৰা বুজা যায় যে অভিযুক্তসকলক মুক্ত কৰি তাৰ পিছত হিমন্ত বিশ্ব শৰ্মাক ধৰিবলৈ বিচাৰে।" তেওঁ আক্ৰমণাত্মকভাৱে কয়, "বিৰোধীৰ টাৰ্গেট জুবিন গাৰ্গ নহয়, তেওঁলোকৰ টাৰ্গেট হিমন্ত বিশ্ব শৰ্মা। এই তদন্ত ইমান ভালদৰে হৈছে যে আজিলৈকে অভিযুক্তসকল জে'লৰ পৰা ওলাব পৰা নাই। কংগ্ৰেছৰ দিনত যিমান অপৰাধ হৈছে, সেইবোৰৰ অপৰাধীসকলে দুমাহৰ ভিতৰতে জামিন পাইছিল। কিন্তু আমাৰ চৰকাৰে জামিন দিয়া নাই। মোৰ আদালতৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। ভাৰতৰ আদালতে ন্যায় দিব।" ১০৮ জৰুৰীকালীন সেৱাৰ চালক-কৰ্মচাৰীসকলৰ চলি থকা আন্দোলনৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "যিখন কোম্পানীয়ে তেওঁলোকক চাকৰি দিছে, সেয়া সম্পূৰ্ণ ব্যক্তিগত খণ্ডৰ। চৰকাৰৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। বৰ্তমান এই সেৱা চলি থকা সংস্থাটোৰ ম্যাদ অহা এপ্ৰিল মাহত অন্ত পৰিব। " এই অনুষ্ঠানে মহিলা সৱলীকৰণৰ লগতে ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক বিষয়তো বহু চৰ্চাৰ সৃষ্টি কৰিছে।

## প্ৰধানমন্ত্ৰী মোদীক ইথিওপিয়াৰ

ড° আবি আহমেদ আলীয়ে আদিছ আবাবাৰ আদিছ আন্তঃৰাষ্ট্ৰীয় অধিৱেশন কেন্দ্ৰত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত এই সন্মান প্ৰদান কৰে। এই সন্মান প্ৰধানমন্ত্ৰী মোদীৰ ভাৰত-ইথিওপিয়া সম্পৰ্ক শক্তিশালী কৰাৰ ব্যতিক্ৰমী অৱদান আৰু বিশ্ব মঞ্চত তেওঁৰ দূৰদৰ্শী নেতৃত্বৰ স্বীকৃতি স্বৰূপে প্ৰদান কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদী এই সন্মান লাভ কৰা প্ৰথমজন বিশ্ব নেতা। ইয়াৰ পূৰ্বে এই সন্মান কেৱল মাইক্ৰ'ছফটৰ সহ-প্ৰতিষ্ঠাপক বিল গেটছক প্ৰদান কৰা হৈছিল। ইথিওপিয়াৰ পৰা এনে সৰ্বোচ্চ সন্মান লাভ কৰা দেশসমূহৰ ভিতৰত ইথিওপিয়া ভাৰতৰ বাবে ২৮ সংখ্যক দেশ হিচাপে স্থান লাভ কৰিছে। ইথিওপিয়ালৈ এয়া প্ৰধানমন্ত্ৰী মোদীৰ প্ৰথম দ্বিপাক্ষিক ভ্ৰমণ। জৰ্ডান ভ্ৰমণ সম্পূৰ্ণ কৰি মঙলবাৰে তেওঁ আদিছ আবাবাত উপস্থিত হয়। বিমানবন্দৰত ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি আহমেদে নিজে তেওঁক আদৰণি জনায় আৰু এক বিৰল সন্মান হিচাপে নিজেই গাড়ী চলাই তেওঁক হোটেললৈ লৈ যায়। পথত দুয়ো নেতাই আদিছ আবাবাৰ বিজ্ঞান সংগ্ৰহালয় আৰু ফ্ৰেণ্ডশ্বিপ পাৰ্ক পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ত দুয়োখন দেশৰ মাজত বিভিন্ন খণ্ডত সহযোগিতাৰ বিষয়ে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। সন্মান গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণত কয়, "এই মহান আৰু প্ৰাচীন সভ্যতাৰ দেশ ইথিওপিয়াত উপস্থিত হোৱাটো মোৰ বাবে সৌভাগ্যৰ কথা। আহি পোৱাৰ লগে লগে ইয়াৰ মানুহে মোক ঘৰুৱা অনুভৱ কৰাইছে। প্ৰধানমন্ত্ৰী আবি আহমেদে বিমানবন্দৰত আদৰি লৈ বিজ্ঞান সংগ্ৰহালয়লৈ লৈ গৈছে, য'ত আমি গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰিছো।" তেওঁ লগতে কয় যে, বিশ্বৰ অন্যতম পুৰণি সভ্যতাৰ পৰা এই সন্মান লাভ কৰাটো তেওঁৰ বাবে গৌৰৱৰ বিষয় আৰু তেওঁ ইয়াক গভীৰ নম্ৰতা আৰু কৃতজ্ঞতাৰে গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মান ১৪০ কোটি ভাৰতীয়ৰ হৈ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি কয়, "এই সন্মান সেই সকলো ভাৰতীয় আৰু ইথিওপিয়াবাসীক উৎসৰ্গা কৰিছো যিসকলে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি দুয়োখন দেশৰ মাজত সম্পৰ্ক সুদৃঢ় কৰি তুলিছে।" তেওঁ ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি আহমেদৰ নেতৃত্বৰ প্ৰশংসা কৰি কয় যে, ৰাষ্ট্ৰীয় ঐক্য, বহনক্ষম উন্নয়ন আৰু সৰ্বাংগীণ প্ৰগতিৰ দিশত তেওঁৰ পদক্ষেপ প্ৰেৰণাদায়ক। তেওঁ জ্ঞানক জাতি-নিৰ্মাণৰ ভেটি বুলি অভিহিত কৰি কয়, "এশ বছৰতকৈও অধিক কাল ধৰি ভাৰতীয় শিক্ষকসকলে ইথিওপিয়াৰ উন্নয়নত অৰিহণা যোগোৱাটো ভাৰতৰ বাবে গৌৰৱৰ বিষয়।" প্ৰধানমন্ত্ৰী মোদীয়ে ইথিওপিয়াৰ জনসাধাৰণ আৰু নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। এই ভ্ৰমণৰ সময়ত দুয়োখন দেশৰ মাজত সম্পৰ্কক কৌশলগত অংশীদাৰিত্বৰ স্তৰলৈ উন্নীত কৰা হৈছে, যিয়ে দ্বিপাক্ষিক সহযোগিতাক নতুন গতি আৰু গভীৰতা প্ৰদান কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণক দুয়োখন দেশৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ নতুন অধ্যায় বুলি অভিহিত কৰিছে।

## ঐতিহাসিক পাটকাই পাহাৰৰ

শক্তিশালী ৰাজনৈতিক নেতাৰ সেউজ সংকেতত আৰম্ভ কৰিছে ক'লা হীৰাৰ ক'লা সম্ৰাজ্য। ইতিমধ্যে ছিণ্ডিকেট চক্ৰই লিডু মাৰ্ঘেৰিটাৰ পৰা কয়লা সৰবৰাহ কৰিবলৈ আৰম্ভ কৰি দিছে। এই অভিযোগ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ। সংগঠনটোৰ সাধাৰণ সম্পাদক এল ৰতন সিঙে এই গুৰুত্বৰ অভিযোগ উত্থাপিত কৰিছে। এক বিবৃতিত তেওঁ উল্লেখ কৰে যে পূৰ্বৰ বৰ্ষত অসম চৰকাৰৰ খনি আৰু ভূতত্ত্ব বিভাগে লিডু মাৰ্ঘেৰিটাৰ ১৯ গৰাকী কয়লা চোৰৰ তালিকা প্ৰকাশ কৰিছিল। সেই সকলৰ ভিতৰত কুখ্যাত কয়লা চোৰ বি গণেশ, সুনীল গুৰুং, গোবিন চেত্ৰী অন্যতম। কিন্তু এইসকল কয়লা চোৰক আজি লৈকে গ্ৰেপ্তাৰ কৰিব নোৱাৰা কথাটো অতি হাস্যকৰ কথা বুলিও মত প্ৰকাশ কৰে এল ৰতন সিঙে। আজিও এইসকল কয়লা চোৰ কয়লাৰ ক'লা সাম্ৰাজ্যৰ উঠি ৰজা বহি ৰজা। বি গণেশ নামৰ দক্ষিণ ভাৰতৰ চোৰাং কয়লা চোৰ প্ৰথমতে কয়লা খনিত বনুৱা, তাৰ পিছত মহৰী আৰু এতিয়া কুখ্যাত কয়লা চোৰ হৈ অগাধ সম্পত্তিৰ পাহাৰ গঢ়িছে। সূত্ৰত প্ৰকাশ মতে তেওঁৰ দুজন ভায়েককো কয়লা চোৰ কৰিবলৈ নমাই দিছে। আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক এল ৰতন সিঙে উল্লেখ কৰে যে এইবাৰ অবৈধ কয়লাৰ ওপৰত সংগঠনটোৱে তীক্ষ্ণ দৃষ্টি ৰাখিব আৰু এই সন্দৰ্ভত অনাগত দিনত বিস্তাৰে কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিব বুলিও হুংকাৰ প্ৰদান কৰে। লগতে অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ খাৰচাঙৰ পৰাও দৈনিক শ শ কয়লা গাড়ী জি এচ টি নিদিয়াকৈ প্ৰেৰণ কৰা বুলি ও তেওঁ উল্লেখ কৰে। কোন এটা বিভাগে আজি লৈকে কোনো এখন গাড়ীৰ নথি-পত্ৰ পৰীক্ষা নকৰে। সংশ্লিষ্ট বিভাগৰ বিষয়াক মেনেজ কৰি সকলো চলি আছে বুলি বিস্ফোৰক মন্তব্য কৰে। এনে কাৰ্য হোৱাৰ বাবে চৰকাৰে বুজন পৰিমাণৰ ৰাজহ হেৰুৱাব লগা হৈছে বুলি মত প্ৰকাশ কৰে। অচিৰেই এই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ কয়লা মন্ত্ৰালয়ক অৱগত কৰাৰ লগতে বিষয়টোৰ ওপৰত চি বি আই দ্বাৰা তদন্তৰ দাবী জনাব।

## চাৰ্জশ্বীটত 'ক' লিখা আছে

মহিলা উদ্যমিতা আঁচনি'ৰ অধীনত লামডিঙ বিধানসভা সমষ্টিৰ প্ৰায় ২৭ হাজাৰ মহিলালৈ চেক বিতৰণ কৰি অনুষ্ঠানিকভাৱে এই আঁচনিৰ শুভাৰম্ভ কৰে। এই অনুষ্ঠানত উপস্থিত আছিল লামডিঙৰ বিধায়ক শিবু মিশ্ৰকে ধৰি বিজেপিৰ নেতা-কৰ্মী আৰু হাজাৰ হাজাৰ মহিলা। চেক বিতৰণৰ লগতে মুখ্যমন্ত্ৰীয়ে বিভিন্ন ৰাজনৈতিক আৰু সাম্প্ৰতিক বিষয়ত মুকলিকৈ মন্তব্য কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। বাংলাদেশৰ সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "বিগত এবছৰ ধৰি বাংলাদেশত এনে চৰ্চা চলি আছে যে ভাৰতৰ উত্তৰ-পূবাঞ্চলক ভাৰতৰ পৰা পৃথক কৰি বাংলাদেশৰ সৈতে যুক্ত কৰা হ'ব। কিন্তু ভাৰত এখন শক্তিশালী ৰাষ্ট্ৰ, পাৰমাণৱিক শক্তিধৰ দেশ আৰু বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিৰ অধিকাৰী। বাংলাদেশে এনে কৰাটো কেনেকৈ সম্ভৱ? এই চিন্তাধাৰাটোৱেই মূলতঃ ভুল। বাংলাদেশৰ লোকৰ মানসিকতা বেয়া হৈছে। তেওঁলোকক অত্যধিক সহায় কৰা উচিত নহয় আৰু সকীয়াই দিয়াৰো প্ৰয়োজন। ভাৰতৰ লগত এনেধৰণৰ আচৰণ কৰিলে আমি সহ্য নকৰোঁ।" বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এগৰাকী মহিলাৰ হিজাবত স্পৰ্শ কৰাৰ ঘটনাৰ প্ৰসংগত ড° শৰ্মাই কয়, "নীতিশ কুমাৰৰ বয়স এতিয়া ৮০ বছৰৰ ওচৰা-ওচৰি। তেওঁ এগৰাকী জ্যেষ্ঠ নাগৰিক। যদি তেওঁ হিজাবত চুৰে, তাক নেতিবাচকভাৱে লোৱা উচিত নহয়। দেউতাক বা ককাদেউতাৰ দৰে ভাবিব লাগে। তেওঁৰ বয়স যথেষ্ট হৈছে। যদি কোনো ডেকা ল'ৰাই এনে কৰে তেন্তে কথা বেলেগ আছিল। তথাপি ধৰ্মীয় নিয়মৰ বিষয়ে তেওঁ ভালদৰে জানে।" বিৰোধী দলৰ সমালোচনাৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, "বিৰোধীয়ে কি কৈছে সেয়া জানিবলৈ ৰাতি ৰীল চাই থাকিব লাগিব নেকি? সেয়া মোৰ কাম হ'ব পাৰে নেকি? যিবোৰ কথা ৰাজহুৱাভাৱে কোনেও দেখা নাই, বাতৰি কাকততো প্ৰকাশ পোৱা নাই, টিভিৰ হেডলাইনো হোৱা নাই-তেনেকুৱা কথাত কিমান গুৰুত্ব দিম?" জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত দাখিল কৰা চাৰ্জশ্বীটক দুৰ্বল বুলি বিৰোধীয়ে কৰা সমালোচনাৰ প্ৰত্যুত্তৰত তেওঁ কয়, "চাৰ্জশ্বীটত কি আছে সেয়া বিৰোধীয়ে কেনেকৈ জানিলে? ন্যায়াধীশে তেওঁলোকক ক'লে নেকি? তেওঁলোকে ক'ৰ পৰা পঢ়িলে? ভিতৰত 'ক' লিখা আছে নে 'খ' লিখা আছে সেয়াও জানে নেকি? এই কথাই প্ৰমাণ কৰে যে বিৰোধীৰ কোনো জ্ঞানৰ গভীৰতা নাই। আদালতৰ কাম বিৰোধীয়ে কেনেকৈ কৰিব?" কংগ্ৰেছক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয়, "কংগ্ৰেছৰ নেতা আৰু কৰ্মীসকলে প্ৰায়ে গৰিমাৰ সীমা অতিক্ৰম কৰি কথা কয়। বিজেপিয়ে কেতিয়াও তেনে নকৰে। মোৰ বিশ্বাস, ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীয়ে যিদৰে কথা কয়, তাৰ বাবে দেশবাসীৰ ওচৰত ক্ষমা খুজিব লাগে।" বিধায়ক অখিল গগৈৰ সমালোচনাৰ প্ৰসংগত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত ড° শৰ্মাই কয়, "অখিল গগৈয়ে আমাক সমালোচনা কৰিবলৈ তেওঁ কোন? প্ৰথমে তেওঁৰ পৰিচয় দিয়ক। তেওঁৰ দলত কেইজনমান বিধায়ক আছে? অসমৰ বাবে তেওঁ কি কৰিলে? বিভিন্ন সময়ত তেওঁ বিভিন্ন কথা কয়- কেতিয়াবা কংগ্ৰেছৰ প্ৰশংসা কৰে, কেতিয়াবা সমালোচনা কৰে।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগন্তুক অসম ভ্ৰমণৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে ২০ তাৰিখে প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত নতুন বিমানবন্দৰ টাৰ্মিনেল উদ্বোধন কৰিব। পিছদিনা নামৰূপৰ সাৰ কাৰখানাৰ আধাৰশিলা স্থাপন কৰিব। লগতে বিজেপি কাৰ্যালয়লৈ আহি শ্বহীদ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। এই অনুষ্ঠানে মহিলা সৱলীকৰণৰ লগতে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশতো নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে।

## স্থগিত ঘোষণা প্ৰতিবাদ,

মুক্তি সংগঠনৰ (কেএলঅ) নেতা জীৱন সিংহকে ধৰি অন্যান্য নেতৃত্বৰ সৈতে শান্তি আলোচনাৰ দাবীত মঙলবাৰে গোসাইগাঁৱত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে বিভিন্ন কোচ-ৰাজবংশী সংগঠনে। কামতাপুৰ ৰাজ্য দাবী কমিটি (কে এছ ডি চি) আৰু সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (আক্ৰাছু)ৰ যৌথ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে প্ৰথমে অনিৰ্দিষ্টকালীন ৰে'লপথ অৱৰোধৰ পৰিকল্পনা গ্ৰহণ কৰিছিল যদিও আৰক্ষীৰ বাধাৰ সন্মুখীন হোৱাত ৰে'ল লাইনৰ কাষতে ধৰ্ণাত বহি প্ৰতিবাদ অব্যাহত ৰাখে। প্ৰতিবাদস্থলীত বিশাল আৰক্ষী বাহিনী মোতায়েন কৰা হয় যাতে পৰিস্থিতি নিয়ন্ত্ৰণত থাকে। উল্লেখ্য যে, কেন্দ্ৰীয় চৰকাৰে শান্তি আলোচনাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছত কেএছডিচিয়ে পূৰ্বতে ৰে'ল অৱৰোধ কাৰ্যসূচী প্ৰত্যাহাৰ কৰিছিল। কিন্তু এই সিদ্ধান্তত অসন্তুষ্ট হৈ একাংশ লোকে পুনৰ প্ৰতিবাদত নামে। ইফালে, কোকৰাঝাৰ জিলাৰ ছালাকাটিৰ ওচৰৰ পুঠিয়াগাঁৱতো কেএছডিচি, আক্ৰাছু, গ্ৰেটাৰ কুচবিহাৰ পিপলছ এছ'চিয়েচন (জিচিপিএ), কামতাপুৰ পিপলছ পাৰ্টি ইউনাইটেড (কেপিপিইউ)কে ধৰি বিভিন্ন সংগঠনে অনিৰ্দিষ্টকালীন ৰে'ল অৱৰোধৰ প্ৰস্তুতি চলাইছিল। পদ্মবিল লক্ষ্মী মন্দিৰৰ পৰা এই কাৰ্যসূচী আৰম্ভ কৰাৰ পৰিকল্পনা আছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰে সাত দিনৰ ভিতৰত আলোচনাৰ বাবে আন্দোলনকাৰী নেতৃত্বক আমন্ত্ৰণ জনোৱাৰ আশ্বাস দিয়াত এই অৱৰোধ কাৰ্যসূচী সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হয়। কেএছডিচিৰ কোকৰাঝাৰ জিলা সভাপতি বাণীৰাম বৰ্মনে এই কথা জানিবলৈ দি কয় যে, সাত দিনৰ ভিতৰত আলোচনা অনুষ্ঠিত নহ'লে পুনৰ তীব্ৰ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। পৃথক কামতাপুৰ ৰাজ্য পুনৰ্গঠন, কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ আৰু কামতাপুৰী ভাষাৰ সাংবিধানিক স্বীকৃতিৰ দাবী দীৰ্ঘদিনীয়া। কেএলঅ আৰু কেএলঅ (কে এন)ৰ সৈতে দ্ৰুত শান্তি চুক্তি সম্পাদনৰ দাবীও এই আন্দোলনৰ মূল অংশ। আন্দোলনকাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত নজৰ ৰাখিছে আৰু প্ৰয়োজন সাপেক্ষে আন্দোলন তীব্ৰতৰ কৰাৰ হুংকাৰ দিছে।

## শদিয়াত আজি অসম জাতীয়

কৰা অসম জাতীয় পৰিষদে জাতীয় স্বাৰ্থ আৰু জাতিৰ আত্মপ্ৰতিষ্ঠাৰ অবিৰত ৰাজনৈতিক সংগ্ৰামৰ মাজেৰে পাৰ কৰিলে পাঁচটাকৈ বৰ্ষ। এক ঐতিহাসিক সামাজিক প্ৰেক্ষাপটত জন্ম লাভ কৰা অসম জাতীয় পৰিষদে বিগত চাৰিটা বৰ্ষৰ দৰে এইবাৰো দলৰ পঞ্চম প্ৰতিষ্ঠা দিৱসটি উলহ-মালহেৰে উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। অ.জা.প.ৰ পঞ্চম কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি কাইলৈ শতফুলৰ দেশ শদিয়াৰ সদৰ চপাখোৱা ৰাজহুৱা খেলপথাৰ (গণশিল্পী ৰাজীৱ শদিয়া সমন্বয় ক্ষেত্ৰত) ত অসম জাতীয় পৰিষদৰ শদিয়া আৰু তিনিচুকীয়া জিলা সমিতিৰ সৌজন্যত, শদিয়া সমষ্টি সমিতিৰ সহযোগত আৰু শদিয়া সমষ্টিৰ সমূহ আঞ্চলিক সমিতিৰ আতিথ্যত তথা শদিয়াবাসীৰ সহযোগত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে উদযাপনৰ দিহা কৰিছে। কাৰ্যসূচী অনুসৰি, কাইলৈ পুৱা ৯ বজাত দলীয় পতাকা উত্তোলন কৰিব অসম জাতীয় পৰিষদৰ সভাপতি তথা অসমৰ বলিষ্ঠ যুৱনেতা লুৰীণজ্যোতি গগৈয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব দলৰ সাধাৰণ সম্পাদক তথা শদিয়াৰ দুবাৰৰ বিধায়ক, প্ৰাক্তন পৰ্য্যটন মন্ত্ৰী জগদীশ ভূঞাই। ৯.৪৫ বজাত গণশিল্পী জুবিন গাৰ্গ, ৰাজীৱ শদিয়া আৰু লোকশিল্পী গজেন নৰহৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি তথা প্ৰাক্তন সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁয়ে। ১০.৩০ বজাত বৃক্ষৰোপণ কৰিব অসম জাতীয় পৰিষদৰ মুখ্য উপদেষ্টা ড° কৃষ্ণ গোপাল ভট্টাচাৰ্যই। ইয়াৰ পাছত দিনৰ ১১.৩০ বজাৰ পৰা জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ আৰু মুকলি সভা অনুষ্ঠিত হ'ব। দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব সকলো দলৰ পাহাৰীয়া নেতাসকলৰ সন্মিলন, মেঘালয়ৰ সভাপতিজন ইংতি কাথাৰ, বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব সচেতন নাগৰিক দল, ছিকিমৰ সভাপতি গণেশ কুমাৰ ৰায়। সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব সোণোৱাল-কছাৰী গণমঞ্চৰ সম্পাদক গোপাল সোণোৱাল। জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ৰোহিত সোণাৰ, ৰাকেশ ৰিয়ান, নীলাক্ষি নেওগ আৰু বিৰুজ গগৈয়ে। প্ৰতিষ্ঠা দিৱসৰ দিনজোৰা কাৰ্যসূচীত সকলোৰে উপস্থিতি আৰু দিহা-পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছে অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই।

## এচিএছ বিষয়া সুকন্যা বৰাক চাকৰিৰ পৰা বৰ্খাস্ত

চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। বিভাগীয় তদন্তৰ অন্তত এই বৰ্খাস্তৰ আদেশ জাৰি কৰা হৈছে। অসম চৰকাৰৰ পাৰ্চনেল (পাৰ্চনেল-এ) বিভাগে অসম সেৱা (শৃংখলা আৰু আপীল) নিয়মাৱলী, ১৯৬৪ৰ অধীনত এই বৰ্খাস্তৰ আদেশ জাৰি কৰে। ২০২৩ চনত আৰম্ভ হোৱা বিভাগীয় কাৰ্য্যৱিধিৰ অন্তত এই সিদ্ধান্ত লোৱা হৈছে। সুকন্যা বৰাৰ বিৰুদ্ধে অভিযোগ উত্থাপিত হৈছিল কামৰূপ (মেট্ৰ') জিলাত অতিৰিক্ত উপায়ুক্ত (ADC) হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত। মুখ্যমন্ত্ৰীৰ বিশেষ সতৰ্কতা কোষৰ প্ৰতিবেদনৰ ভিত্তিত ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ অধীনত ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষত অনুমোদিত এমপিএলএডিএছ কামসমূহৰ ক্ষেত্ৰত এই অভিযোগ উত্থাপন হৈছিল। বিষয়াজনীৰ বিৰুদ্ধে মুঠ ১২টা অভিযোগ গঠন কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল চৰকাৰী পদৰ অপব্যৱহাৰ, চৰকাৰী ধনৰ অপব্যৱহাৰ, নকল নথি-পত্ৰ দাখিল, প্ৰকল্পৰ সম্পূৰ্ণতাৰ মিছা প্ৰমাণপত্ৰ প্ৰদান আৰু পৰিচিত উৎসৰ তুলনাত অসংগতিপূৰ্ণ সম্পত্তিৰ অধিকাৰী হোৱাৰ অভিযোগ। চৰকাৰী বিষয়া তথা আয়ুক্ত আৰু সচিব অৰুণা ৰাজোৰিয়াই দাখিল কৰা তদন্ত প্ৰতিবেদনত এই ১২টা অভিযোগৰ ভিতৰত ৮টা সম্পূৰ্ণৰূপে প্ৰমাণিত হৈছে, ৩ টা প্ৰমাণিত হোৱা নাই আৰু এটা অভিযোগ আংশিকভাৱে প্ৰমাণিত হৈছে বুলি উল্লেখ কৰা হৈছে। তদন্তত প্ৰকাশ পাইছে যে, বহুতো এমপিএলএডিএছ প্ৰকল্প হয় সম্পূৰ্ণৰূপে কৰা হোৱা নাছিল নহয় কেৱল আংশিকভাৱে কৰা হৈছিল, তথাপি কামৰ শতকৰা ১০০ ভাগ সম্পূৰ্ণতাৰ প্ৰমাণপত্ৰত স্বাক্ষৰ কৰি ধন মুকলি কৰা হৈছিল-স্থানীয় পৰিদৰ্শন অবিহনে। বিষয়াজনে নিৰ্মাণ সমিতিৰ সদস্য নোহোৱা এজন ব্যক্তিগত ঠিকাদাৰক স্বাক্ষৰিত চেক আৰু বেংকৰ নথি-পত্ৰ গতাই দিয়াৰো তথ্য প্ৰকাশ পাইছে, যি নিয়মাৱলীৰ সম্পূৰ্ণ উলংঘা। ইয়াৰ উপৰি নকল ইনভয়চ আৰু বিল দাখিল কৰা, প্ৰকল্পৰ একাউণ্টৰ পৰা নগদ উলিওৱা আৰু খালী চেকত স্বাক্ষৰ কৰাৰ কথা বিষয়াজনে স্বীকাৰ কৰা বুলিও প্ৰতিবেদনত উল্লেখ আছে। সাক্ষীসকলৰ বক্তব্যত প্ৰকাশ পাইছে যে, চৰকাৰী এমপিএলএডিএছ ফাইলসমূহ জিলা কাৰ্যালয়ৰ পৰা উলিয়াই অনা হৈছিল আৰু কিছুমান নথি-পত্ৰ আঁতৰোৱা বা সলনি কৰা হৈছিল বুলি সন্দেহ কৰা হৈছে। সম্পত্তিৰ ক্ষেত্ৰত তদন্তই আংশিকভাৱে প্ৰমাণ কৰিছে যে, সুকন্যা বৰাৰ অধীনত একাধিক বাহনকে ধৰি স্থাৱৰ-অস্থাৱৰ সম্পত্তি আছিল, যিবোৰ তেওঁৰ দাখিল কৰা সম্পত্তিৰ বিৱৰণীত সম্পূৰ্ণৰূপে প্ৰতিফলিত হোৱা নাছিল, যাৰ ফলত অসংগতিপূৰ্ণ সম্পত্তিৰ সন্দেহ উত্থাপিত হৈছে। তদন্ত প্ৰতিবেদন আৰু বিষয়াজনীৰ দাখিল কৰা প্ৰতিনিধিত্ব পৰীক্ষা কৰি শৃংখলা কৰ্তৃপক্ষই তেওঁৰ পক্ষ সমৰ্থনযোগ্য নহয় বুলি সিদ্ধান্ত লয়। এই অসদাচৰণ গুৰুতৰ প্ৰশাসনিক আৰু আৰ্থিক উলংঘা বুলি মন্তব্য কৰা হয়। এই বিষয়ত পৰামৰ্শ লোৱা অসম ৰাজ্যিক লোকসেৱা আয়োগে (APSC) বৰ্খাস্তৰ প্ৰস্তাৱৰ সৈতে একমত প্ৰকাশ কৰিছে। তাৰ পিছত অসমৰ ৰাজ্যপালে অসম সেৱা (শৃংখলা আৰু আপীল) নিয়মাৱলীৰ নিয়ম ৭(৭)ৰ অধীনত সুকন্যা বৰাক তাৎক্ষণিকভাৱে চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ আদেশ জাৰি কৰে। আদেশত উল্লেখ কৰা হৈছে যে, নিলম্বনৰ সময়ছোৱাত তেওঁ কেৱল ইতিমধ্যে প্ৰদান কৰা জীৱিকা ভাতাৰহে অধিকাৰী হ'ব। এই বৰ্খাস্তৰ আদেশত স্বাক্ষৰ কৰিছে পাৰ্চনেল বিভাগৰ আয়ুক্ত আৰু সচিব এম. এছ. মণিৱান্নানে। এই ঘটনাই ৰাজ্যত চৰকাৰী বিষয়াসকলৰ মাজত শৃংখলা আৰু স্বচ্ছতাৰ গুৰুত্ব পুনৰ উজ্জ্বল কৰি তুলিছে বুলি মন্তব্য কৰা হৈছে।

## ২০ ডিচেম্বৰৰ পৰা কংগ্ৰেছৰ

হ'বলগীয়া এই অভিযানত কংগ্ৰেছৰ নেতা-কৰ্মীসকলে ৰাজ্যৰ প্ৰতিখন গাঁৱলৈ গৈ ৰাইজৰ মতামত আৰু পৰামৰ্শ সংগ্ৰহ কৰিব। মঙলবাৰে সংবাদ মাধ্যমৰ আগত এই কাৰ্যসূচীৰ বিষয়ে বিস্তৃতভাৱে কথা পাতি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কয় যে, সংসদৰ শীতকালীন অধিৱেশন সমাপ্ত হোৱাৰ লগে লগে দলটোৱে এই অভিযানত হাতে-কামে লাগিব। "আমি ৰাইজৰ মনৰ কথা গভীৰভাৱে বুজি ল'বলৈ বিচাৰোঁ। ইয়াৰ বাবে আমি https: //natunaxom.com/ নামৰ এটা বিশেষ ৱেবছাইট মুকলি কৰিছোঁ। এই ডিজিটেল মাধ্যমৰ জৰিয়তে ৰাইজে নিজৰ সমস্যা, আশা-আকাংক্ষা আৰু পৰামৰ্শ আমাক প্ৰেৰণ কৰিব পাৰিব, "বুলি গগৈয়ে উল্লেখ কৰে। এই ৱেবছাইটৰ জৰিয়তে পোৱা পৰামৰ্শসমূহৰ ওপৰত ভিত্তি কৰি বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা মতামতৰ সৈতে পৰৱৰ্তী পৰ্যায়ত কংগ্ৰেছ নেতৃত্বই পোনপটীয়াকৈ মত-বিনিময় কৰি অধিক বিস্তৃত পৰামৰ্শ গ্ৰহণ কৰিব বুলিও সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে। শিক্ষাৰ ক্ষেত্ৰত বিজেপি চৰকাৰৰ নীতিৰ সমালোচনা কৰি গৌৰৱ গগৈয়ে কয়, "তেজপুৰ বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি অসমৰ প্ৰায়বোৰ উচ্চ শিক্ষানুষ্ঠানত বিজেপি আৰু আৰএছএছে নিজৰ অনুগত লোক সুমুৱাই দি এই প্ৰতিষ্ঠানসমূহৰ ঐতিহ্য আৰু গৌৰৱ ধ্বংস কৰিবলৈ চেষ্টা কৰিছে। ইয়াৰ ফলত নৱপ্ৰজন্মৰ ভৱিষ্যতো বিপদাপন্ন হৈ পৰিছে।" তেওঁ লগতে কয় যে, এনে কাৰ্যই অসমৰ শিক্ষা ব্যৱস্থাৰ মানদণ্ডক গভীৰভাৱে ক্ষতিগ্ৰস্ত কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত এছআইটিয়ে দাখিল কৰা চাৰ্জশ্বিটৰ প্ৰসংগত গৌৰৱ গগৈয়ে কয় যে, তদন্তপ্ৰক্ৰিয়াৰ ওপৰত ৰাজ্যজুৰি চৰ্চা চলিছে আৰু আইন বিশেষজ্ঞসকলেও বহুতো প্ৰশ্ন উত্থাপন কৰিছে। "এতিয়াৰ বাবে আমি কেৱল আশাহে কৰিব পাৰোঁ যে তদন্ত সঠিকভাৱে হৈছে। পৰৱৰ্তী সময়তহে সকলো স্পষ্ট হ'ব", বুলি তেওঁ মন্তব্য কৰে। এই অভিযানৰ জৰিয়তে কংগ্ৰেছৰ লক্ষ্য হৈছে ৰাইজৰ প্ৰকৃত সমস্যা বুজি লৈ এক জনকেন্দ্ৰিক ইস্তাহাৰ প্ৰস্তুত কৰা আৰু অসমক এক নতুন দিশ দিয়া।

## মৃত্যুদূত ঘন কুঁৱলী ! যমুনা

লোক আহত হৈছে। সংঘৰ্ষত জড়িত হৈ পৰা ৭খন বাছ আৰু ৩খন সৰু বাহনত তীব্ৰ অগ্নিকাণ্ডৰ সৃষ্টি হোৱাত বহুতো যাত্ৰী জুইত জাহ হৈ মৃত্যুমুখত পৰে। বলদেৱ আৰক্ষী থানাৰ অন্তৰ্গত আগ্ৰাৰ পৰা নয়ডাৰ দিশে যাত্ৰা কৰি থকা বাহনসমূহে ঘন কুঁৱলীত সমুখৰ দৃশ্য ভালদৰে নোহোৱাৰ বাবে ইখনৰ পিছত সিখনকৈ খুন্দা মাৰে। মথুৰাৰ চিনিয়ৰ ছুপাৰিনটেণ্ডেণ্ট অৱ পুলিচ (এছ এছ পি) শ্লোক কুমাৰে জানিবলৈ দিয়া মতে, দুৰ্ঘটনাত জড়িত বাছকেইখনৰ ভিতৰত এখন ৰাজ্যিক পৰিবহণৰ বাছ আৰু বাকীবোৰ ব্যক্তিগত শ্লীপাৰ বাছ আছিল। সংঘৰ্ষৰ তীব্ৰতাৰ ফলত প্ৰায় সকলোবোৰ বাহনতে জুই জ্বলি উঠে, যাৰ ফলত ঘটনাস্থলীত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। খবৰ লাভ কৰাৰ লগে লগে স্থানীয় আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী, ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষ (এন এইচ এ আই) আৰু ৰাজ্যিক দুৰ্যোগ প্ৰতিক্ৰিয়া বাহিনীৰ (এছ ডি আৰ এফ) দল ঘটনাস্থলীত উপস্থিত হয়। বহু প্ৰচেষ্টাৰ অন্তত জুই নিয়ন্ত্ৰণলৈ অনা হয় যদিও উদ্ধাৰ অভিযান কেইঘণ্টামান চলি থাকে। আহতসকলক ততালিকে এম্বুলেন্সৰ সহায়ত মথুৰা আৰু ওচৰৰ চিকিৎসালয়সমূহলৈ প্ৰেৰণ কৰা হয়। কেইজনমান আহতৰ অৱস্থা সংকটজনক বুলি চিকিৎসকে জানিছে। দুৰ্ঘটনাৰ ফলত যমুনা এক্সপ্ৰেছৱেৰ যাতায়াত ব্যৱস্থা কেইঘণ্টামানৰ বাবে সম্পূৰ্ণৰূপে ব্যাহত হয়। নিৰাপত্তাৰ কাৰণে পথৰ এটা অংশ বন্ধ কৰি ৰখাৰ লগতে যানবাহনসমূহক বিকল্প পথলৈ ডাইভাৰ্ট কৰা হয়। ক্ষতিগ্ৰস্ত বাহনসমূহ আঁতৰোৱাৰ পিছত ক্ৰমে যাতায়াত স্বাভাৱিক হৈ উঠে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই দুৰ্ঘটনাক "অত্যন্ত দুঃখজনক আৰু হৃদয়বিদাৰক" বুলি অভিহিত কৰি মৃতকৰ পৰিয়ালৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ আহতসকলৰ সুস্থতাৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে জিলা প্ৰশাসনক উত্তম চিকিৎসাৰ নিৰ্দেশ দিছে। মথুৰাৰ জিলা মেজিষ্ট্ৰেটে দুৰ্ঘটনাৰ কাৰণ অনুসন্ধানৰ বাবে মেজিষ্ট্ৰিয়েল তদন্তৰ নিৰ্দেশ দিছে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, মৃতকসকলৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া চলি আছে আৰু দুৰ্ঘটনাৰ মূল কাৰণৰ তদন্ত আৰম্ভ হৈছে। উত্তৰ ভাৰতত শীতকালত ঘন কুঁৱলীৰ বাবে এনে দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এক্সপ্ৰেছৱে সমূহত নিৰাপত্তা ব্যৱস্থা আৰু যাত্ৰীসকলৰ সচেতনতাৰ ওপৰত পুনৰ প্ৰশ্ন উত্থাপিত হৈছে।

ইতিপূৰ্বে সংস্থাপিত কৰে ২১টা পৰিয়ালক; ৩৩ বছৰীয়া অবৰ্ণনীয় সমস্যাৰ অৱসান

# '৯২ৰ বানত বিধ্বস্ত ৩০টা ভূমিহীন পৰিয়ালক সংস্থাপন

## বিধায়ক বলিন চেতিয়াকে ধৰি ছয়জনক সম্বৰ্ধনা জ্ঞাপন




**ডুমডুমাৰ কৰ্দৈগুৰিৰ পৰা ৰবীন মৰাণ, ১৬ ডিচেম্বৰ ঃ** আজি কৰ্দৈগুৰি অঞ্চলৰ কেচৰুগুৰি গাঁওস্থিত কেঁচাবাৰী চাহ বাগিচাত কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘৰ উদ্যোগত সংঘৰ সভাপতি ৰহেন্দ্ৰ মৰাণৰ সভাপতিত্বত 'ভূমি হস্তান্তৰ সভা' অনুষ্ঠিত হ'য়। অনুষ্ঠানত ৩০টা বান বিধ্বস্ত ভূমিহীন পৰিয়ালক আনুষ্ঠানিকভাৱে ভূমি হস্তান্তৰৰ প্ৰক্ৰিয়া সম্পন্ন কৰা হ'য়। উল্লেখ্য যে, ১৯৯২ চনৰ ন-দিহিঙৰ প্ৰলয়ংকৰী বান আৰু গৰাখহনীয়াত নিজৰ মাটি, ভেঁটি, সম্পত্তি সৰ্বস্ব হেৰুৱাই সুদীৰ্ঘ ৩৩বছৰ কাল অস্থায়ী শিবিৰত অনিদ্ৰা, অনাহাৰে অঘৰীৰ জীৱন কটোৱা ৫১টা ভূমিহীন পৰিয়ালক ইতিমধ্যে সংস্থাপিত কৰি দীৰ্ঘদিনীয়া সমস্যাৰ অৱসান পেলালে। উল্লেখযোগ্য যে, ইয়াৰ পূৰ্বে কাঁইটীয়া আশ্ৰয় শিবিৰৰ ২১টা পৰিয়ালক শদিয়াৰ গণেশবাৰী চাপৰিত ৩০ বিঘা মাটিত চৰকাৰীভাৱে সংস্থাপিত কৰাৰ পাছত আজি ৩০টা পৰিয়ালক ২৪ বিঘা ১২ লোচা মাটিত সংস্থাপিত কৰা হ'য়। এই দুয়োটা সংস্থাপনৰে উদ্যোগ লয় কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘই। পৰিতাপৰ কথা এয়ে যে, মধ্য কৰ্দৈগুৰিৰ কাঁইটীয়া শিবিৰত ৩০টা পৰিয়াল, ৩নং কৰ্দৈগুৰি গৰিয়াটিং গাঁৱৰ ২৫টা (২০১০ চনৰ পৰা) পৰিয়ালে ক্ৰমে কৰ্দৈগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ, কৰ্দৈগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহ, কৰ্দৈগুৰি গাঁও পঞ্চায়তত আৰু দৰ্জিজানৰ মোৱাৰী বস্তিৰ ৪টা পৰিয়ালে দৰ্জিজান স্বাস্থ্য কেন্দ্ৰ, নদীৰ কাষৰ ৰাস্তাৰ দাঁতিত আৰু শ্ৰীশ্ৰীটিপুক শিমলুগুৰি বজ্ৰপুৰ সত্ৰৰ ১টা পৰিয়ালে স্থানীয় আত্মীয়জনৰ বাৰীৰ এচুকত শিবিৰ পাতি ইতৰ প্ৰাণীৰ দৰে অতি দুৰ্বিষহ জীৱন অতিবাহিত কৰি আছিল। উল্লেখ্য যে, এই দুৰ্ভগীয়া পৰিয়ালসমূহৰে পদ্মেশ্বৰ মৰাণ নামৰ এগৰাকী ব্যক্তিয়ে পত্নী আৰু সন্তানৰ চকুৰ আগতেই নদীৰ গৰাখহনীয়াত পৰি মৃত্যুক সাৱটি ল'বলগীয়া হোৱাৰ উপৰিও চিবেন মৰাণ নামৰ আন এগৰাকী ব্যক্তিয়ে অস্বাস্থ্যকৰ পৰিৱেশত খাদ্য আৰু চিকিৎসাৰ অভাৱত শিবিৰতে মৃত্যুক আঁকোৱালি লব লগা হ'য়। দুখ-কষ্টৰে ভৰা এই দুৰ্ভগীয়া পৰিয়ালসমূহৰ দীৰ্ঘদিনীয়া দুৰ্বিষহ জীৱনৰ অৱসান ঘটাবলৈ দুটা পৰ্যায়ত মহানুভৱতাৰে বলিষ্ঠ আৰু কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰি স্থায়ী ভূমি আৱণ্টনৰ ব্যৱস্থা কৰাৰ বাবে তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পাল, শদিয়াৰ বিধায়ক বলিন চেতিয়া, ডুমডুমা ৰাজহ চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়া, শদিয়াৰ ৰাজহ চক্ৰ বিষয়া জয়দ্বীপ ৰজক, কেঁচাগুৰি চাহ বাগিচাৰ স্বত্বাধিকাৰ ঘনশ্যাম লাহতী, বৃন্দাবন চাহ বাগিচাৰ স্বত্বাধিকাৰ কিশোৰ আগৰৱালাক আজি অনুষ্ঠিত ভূমি হস্তান্তৰৰ সভাত ভূমিহীন পৰিয়ালসমূহৰ হৈ কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘই কৃতজ্ঞতা পত্ৰ, চেলেং, মৰাণ গামোচা, ফুলাম জাপি আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে, বিগত ৩৩টা বছৰে তিনিচুকীয়া জিলাখনলৈ অহা কোনো এগৰাকী উপায়ুক্ত (এতিয়া জিলা আয়ুক্ত) ই কোনো আবেদন-নিবেদন, অনুনয়-বিনয় আদি বিষয়বোৰ হৃদয়ঙ্গম কিম্বা গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হোৱা নাছিল। অঞ্চলটোৰ জ্বলন্ত সমস্যাসমূহৰ ভিতৰত অন্যতম এই ভূমিহীন পৰিয়ালকেইটাৰ স্থায়ী সংস্থাপন আৰু উপযুক্ত ক্ষতিপূৰ্ণৰ বাবে কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘই উপৰ্যুপৰি আবেদন জনাই আহিছিল। আজি উক্ত পক্ষসমূহৰ সদিচ্ছা আৰু দৃঢ় পদক্ষেপতেই ইতিমধ্যে কৰ্দৈগুৰি কাঁইটীয়া শিবিৰত বসবাস কৰি থকা ২১টা দুৰ্ভগীয়া ভূমিহীন পৰিয়ালকো যোৱা ১১ আগষ্ট, ২০২৫ তাৰিখে শদিয়াৰ গণেশবাৰী চাপৰিত পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰাত কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘ কৃতজ্ঞ হৈ পৰে। কাৰণ, ১৯৯২ চনৰ প্ৰলয়ংকৰী বান-গৰাখহনীয়াত নিজৰ মাটি-ভেঁটি হেৰুৱাই সম্পূৰ্ণ তিনি দশক কাল অঘৰীৰ দৰে জীৱন অতিবাহিত কৰা দুৰ্ভগীয়া বান বিধ্বস্ত ভূমিহীন পৰিয়ালকেইটাই স্থায়ী ভূমি সংস্থাপন পাবলৈ সক্ষম হ'ল। উদ্যোক্তাসকলৰ মতে ১৯৯২ চনৰ পৰা ২০২৫ চনলৈকে জিলাখনত বহু বিষয়া, জন প্ৰতিনিধি আহিল, গ'ল। কিন্তু কোনো এজনেও সংস্থাপনৰ বিষয়টো গুৰুত্ব সহকাৰে লোৱা পৰিলক্ষিত হোৱা নাছিল। কিন্তু উক্ত বিষয়াসকলে একপ্ৰকাৰ অসম্ভৱকো সম্ভৱ কৰি নিজৰ কৰ্মদক্ষতাৰে ভূমিহীন লোকসকলৰ এক দীৰ্ঘদিনীয়া সপোন বাস্তবায়িত কৰিলে। প্ৰকৃতপক্ষে তেওঁলোকক নতুন জীৱন দান দিয়া এই মহান পদক্ষেপৰ জৰিয়তে দুৰ্ভগীয়া পৰিয়ালকেইটাৰ লগেত কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘই চিৰকাল মনত ৰাখিব পৰাকৈ মহানুভৱতাৰ নিদৰ্শন দাঙি ধৰিলে। তদুপৰি বিভিন্ন স্থানৰ অস্থায়ী শিবিৰত ইতৰ প্ৰাণীৰ দৰে অঘৰী জীৱন-যাপন কৰি থকা ৩ নং কৰ্দৈগুৰি গৰিয়াটিং গাঁৱৰ ২৫টা ভূমিহীন পৰিয়াল, মোৱাৰী বস্তিৰ ৪টা পৰিয়াল আৰু শ্ৰীশ্ৰী টিপুক শিমলুগুৰি বজ্ৰপুৰ সত্ৰৰ ১টা পৰিয়ালক স্থায়ী সংস্থাপনৰ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰতো উক্ত ব্যক্তিসকলৰ পৰামৰ্শ, সহযোগ, সাহসৰ ফলশ্ৰুতিতেই কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘই আগবাঢ়ি গৈছিল। দুৰ্ভগীয়া মানুহখিনিৰ দীৰ্ঘদিনৰ প্ৰকৃত আৰ্তনাদক উপলব্ধি কৰি ডুমডুমা অঞ্চলৰে দুগৰাকী বিশিষ্ট চাহ খেতিয়ক, সমাজসেৱক তথা মানৱদৰদী ব্যক্তি ক্ৰমে ঘনশ্যাম লাহতী আৰু কিশোৰ আগৰৱালাৰ ২৪ বিঘা ১২ লোচা কালিৰ ভূমিদানৰ দ্বাৰা এই সমস্যাটোৰ সমাধান সম্ভৱ কৰি তুলিলে। এই আটাইখিনি প্ৰাপ্তিৰ ক্ষেত্ৰত আঞ্চলিক যুৱক সংঘটোৱে কৰি অহা দীৰ্ঘসময়ৰ ত্যাগ আৰু আপোচবিহীন শ্ৰমে আজি মৰ্যাদা লাভ কৰিলে। যুৱক সংঘটোৰ এই সফলতাৰ ঐতিহাসিক ক্ষণত আজি সাক্ষী হৈ ৰোৱা ব্যক্তিসকলৰ ভিতৰত আছিল বিধায়ক বলিন চেতিয়া, ডুমডুমাৰ ৰাজহ চক্ৰৰ বিষয়া নৱজ্যোতি চহৰীয়া, ভূমি দাতা কিশোৰ আগৰৱালা, উদ্যোক্তা সংঘটোৰ উপদেষ্টা নৰেন্দ্ৰ মৰাণ, লেখক, শিক্ষক প্ৰদীপ কুমাৰ মৰাণ, প্ৰাক্তন ছাত্ৰ নেতা টুটুকান্ত মৰাণ, 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতি তথা মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণ, নৱগঠিত বৃহত্তৰ কাকপথাৰ প্ৰেছ ক্লাৱৰ কাৰ্যকৰী সভাপতি মনোৰঞ্জন নেওগ, মৰাণ সাহিত্য সভাৰ সহকাৰী সম্পাদক দিলীপ মৰাণ, মৰাণ স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সোমেশ্বৰ মৰাণ, আছু, আটছা আৰু আছাৰ বিষয়ববীয়া, বিভিন্ন কাকত-চেনেলৰ সাংবাদিকসকলকে ধৰি বহু বিশিষ্ট ব্যক্তি।

'অসম বাৰ্তা'ৰ তিনিচুকীয়াৰ সাংবাদিক পাপুল গগৈলৈ "পৰিৱেশ/পৰ্য্যটন গ্ৰাম্য সাংবাদিকতা বঁটা"

# যুৱ সাংবাদিক সন্থা, অসমৰ ২৫ বৰ্ষৰ বঁটা ঘোষণা

## অহা ১৫ ফেব্ৰুৱাৰীত গুৱাহাটীত প্ৰদান কৰিব বঁটা



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৬ ডিচেম্বৰ ঃ** অসমৰ সকলো সাংবাদিক সংগঠনৰ উমৈহতীয়া সংগঠন যুৱ সাংবাদিক সন্থা, অসমে ২০২৫ বৰ্ষৰ ৰাজ্যৰ বিশিষ্ট সাংবাদিক আৰু দক্ষ যুৱ সাংবাদিকৰ বাবে বিভিন্ন বঁটা ঘোষণা কৰিছে। সক্ৰিয়তাৰে ৰাজ্যৰ সাংবাদিক ক্ষেত্ৰ বা দেশৰ সংবাদক্ষেত্ৰলৈ একনিষ্ঠভাৱে সেৱা আগবঢ়োৱা সাংবাদিকসকলক প্ৰতিবছৰে সংগঠনটোৰ প্ৰতিষ্ঠা দিৱসত বঁটা আৰু সন্মানেৰে সন্মানিত কৰি আহিছে। সন্থাই আজি এক প্ৰেছ বিবৃতিযোগে চলিত বৰ্ষৰ বঁটাসমূহ ঘোষণা কৰিছে। এই অনুসৰি বৰ্ষীয়ান সাংবাদিক হাইদৰ হুছেইনক বিশেষ সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে বি. বি. চি. (ইণ্ডিয়া) ৰ সাংবাদিক শচীন গগৈলৈ সংবাদ শিৰোমণি বিশেষ বঁটা আৰু সন্মান, অসমীয়া প্ৰতিদিনৰ বনজিৎ ঠাকুৰীয়ালৈ বৰ্ষশ্ৰেষ্ঠ যুৱ সাংবাদিকতা বঁটা, সাহিত্য-সংস্কৃতিৰ শিতানত বৰ্ষশ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা চেটেলাইট চেনেল এন কে টিভি প্লাছৰ বশিষ্ঠদেৱ ফুকনলৈ, ৰেব বৰা (দৈনিক জনমভূমি) লৈ শ্ৰেষ্ঠ ফটো সাংবাদিক বঁটা ঘোষণা কৰিছে। সন্থাই "অসম বাৰ্তা" ৰ তিনিচুকীৰ সাংবাদিক পাপুল গগৈলৈ আগবঢ়াইছে পৰিৱেশ/পৰ্যটন গ্ৰাম্য সাংবাদিকতা বঁটা। বাঘজানৰ মাগুৰি মতাপুং বিলৰ সংৰক্ষণ আৰু পক্ষী সজাগতা বিষয়ক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাৰ বাবে পাপুল গগৈক এই বঁটা আগবঢ়োৱা কথা বিবৃতিত উল্লেখ কৰিছে। সন্থাই অহা ইং ১৫ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া সন্থাৰ প্ৰতিষ্ঠা দিৱসত এই বঁটা প্ৰদান কৰাৰ কথা সন্থাৰ সভাপতি বুবুল হাজৰিকা, কাৰ্যকৰী সভাপতি কাঞ্চনজ্যোতি গোহাঁই আৰু সাধাৰণ সম্পাদক ঋতুপৰ্ণ চক্ৰৱৰ্তীৰ স্বাক্ষৰিত বিবৃতিত কোৱা হৈছে। উল্লেখ্য যে, বাণিজ্যিক চহৰ তিনিচুকীয়াৰ নিলগৰ বাঘজান গাঁৱত জন্মগ্ৰহণ কৰা পাপুল গগৈ এগৰাকী কবি-লেখক তথা যুৱ সমাজ-সংগঠক হিচাপে তিনিচুকীয়াত পৰিচিত। যুৱ সাংবাদিক পাপুল গগৈৰ ইতিমধ্যে "পোহৰ এক কাব্যিক যাত্ৰা" নামৰ গ্ৰন্থও প্ৰকাশ পাইছে। তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰা পাপুল গগৈয়ে প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অসমীয়া বিষয়ত স্নাতকোত্তৰত অধ্যয়নৰত। মাগুৰি বিল, ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ লগতে ভেৰজান-বৰাজান-পদুমণি অভয়াৰণ্য আৰু তিনিচুকীয়া জিলাৰ সংৰক্ষিত বনাঞ্চল তথা অভয়াৰণ্যসমূহত প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণৰ ওপৰত কাম কৰি অহা পাপুল গগৈ সাংবাদিকতাৰ সমান্তৰালকৈ এগৰাকী ট্যুৰিষ্ট গাইড হিচাপেও কৰ্মৰত। সাপ, চৰাই আদি উদ্ধাৰৰ লগতে সজাগতা, প্ৰশিক্ষণ দিয়াৰ সৈতেও জড়িত পাপুল গগৈ। বিশ্ব কঁপাই যোৱা বাঘজান কাণ্ডৰ সন্দৰ্ভত আন্তঃ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰকাশ পোৱা Our Burden Of Grief শীৰ্ষক গ্ৰন্থত কবি পাপুল গগৈৰ ছয়টাকৈ কবিতাও প্ৰকাশ পাইছে।

# মাজুলী মহাবিদ্যালয়ৰ ২০২৫ বৰ্ষৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৭ দিনীয়া শিবিৰৰ শুভ উদ্বোধন

## 'দুৰ্লভ মনুষ্য-জীৱনৰ প্ৰধান ধৰ্ম হৈছে সমাজ সেৱা' ঃ ড° দেৱজিৎ শইকীয়া




**অসম বাৰ্তা, উজনী মাজুলী, ১৬ ডিচেম্বৰ ঃ** ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয় গোটৰ সৌজন্যত সপ্তাহজোৰাকৈ আৰম্ভ হোৱা ২০২৫ বৰ্ষৰ বিশেষ শিবিৰ কাৰ্যক্ৰম মহাবিদ্যালয়ৰ সমীপৱৰ্তী ২ নং মৰিটুনী মিচিং গাঁৱত আজিৰে পৰা আৰম্ভ হৈছে। এই উদ্দেশে কালি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটৰ স্বেচ্ছাসেৱকসকলৰ মাজত দায়িত্ব আৰু কৰ্তব্যৰ ভাগ বিতৰণ, শিবিৰৰ নীতি-নিৰ্দেশনা সম্পৰ্কত অৱগতকৰণ, চৌহদ পৰিষ্কাৰকৰণ, ৰন্ধন প্ৰস্তুতকৰণ সম্পৰ্কীয় আগতীয়া প্ৰস্তুতি সম্পন্ন কৰা হয়। মহাবিদ্যালয়ৰ মুঠ ১১১ গৰাকী স্বেচ্ছাসেৱকে অংশ গ্ৰহণ কৰা এই বিশেষ কাৰ্যসূচী উদ্বোধন কৰাৰ উদ্দেশ্যে আজি ২ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ত আয়োজিত সভাত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সাদিনীয়া কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়, "আমাৰ সমাজত বৰ্তমান ব্যক্তিগত লাভালাভৰ চিন্তাৰে কাম কৰা লোকৰ সংখ্যা সৰহ হৈ পৰিছে। কিন্তু, জীৱনৰ পৰম সুখ পাব পাৰি সমাজৰ উপকাৰ অহাকৈ সেৱা কৰাৰ যোগেদিহে। কবিয়ে কৈছে- পৰৰ কাৰণে কান্দিব পাৰিলে কান্দোনতো সুখ পায়। মানুহে লাভ কৰা দুৰ্লভ মনুষ্য-জীৱনৰ প্ৰধান ধৰ্ম সমাজ সেৱাৰ বাবে ছাত্ৰাৱস্থাৰ পৰাই নিজকে প্ৰস্তুত কৰিবৰ বাবেই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এনে কাৰ্যক্ৰমৰ আৱশ্যকতা আছে।" সেৱা আঁচনিৰ স্বেচ্ছাসেৱিকা মমী দলেয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষগৰাকীয়ে বন্তি প্ৰজ্বলন কৰাৰ লগে লগেই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শীৰ্ষ গীতটি বাজি উঠে। অনুষ্ঠানত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মহাবিদ্যালয় গোটৰ কাৰ্যক্ৰম বিষয়া ড° অৰূপ বুঢ়াগোহাঁইয়ে আগন্তুক সাতদিনীয়া শিবিৰত হ'বলগীয়া বিভিন্ন কাৰ্যসূচীৰ এটি বিৱৰণ আগবঢ়োৱাৰ লগতে সেৱা আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে বক্তব্য আগ বঢ়ায়। সভাত উপস্থিত থাকি মাজুলী মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, মহাবিদ্যালয় অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, অধ্যাপিকা ড° জুলি গগৈ, সুদৰ্শনা ফুকন, ২ নং মৰিটুনী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডিম্বেশ্বৰ ৰেগন, সহকাৰী শিক্ষয়িত্ৰী অঞ্জলি বৰা আদিয়ে বক্তব্য আগ বঢ়ায়। উল্লেখ্য যে, এই বৰ্ষৰ শিবিৰৰ মূল বিষয় 'যুৱসমাজৰ বাবে বহনক্ষম জীৱিকা আৰু দক্ষতাৰ বিকাশ'ৰ সৈতে সংগতি আয়োজন কৰা বিষয় ক্ৰমে লাভজনক কাঠফুলা খেতিৰ যোগেদি স্বাৱলম্বন, লাভজনকভাৱে আচাৰ প্ৰস্তুতকৰণ, স্বাস্থ্য আৰু পৰিচ্ছন্নতা, অগ্নিনিৰ্বাপনৰ কলা-কৌশল, অন্ধবিশ্বাস তথা কু-সংস্কাৰ সম্পৰ্কীয় সজাগতা অনুষ্ঠান, কৰ্মস্থানত মহিলাৰ যৌন আতিশয্য সম্বন্ধীয় বক্তৃতানুষ্ঠান আদিত সমল ব্যক্তি হিচাপে উপস্থিত থাকিব ক্ৰমে সহযোগী অধ্যাপিকা ড° ৰূপজ্যোতি বৰা, অধ্যাপক ড° অনুপ কুমাৰ দলে, সমাজকৰ্মী-প্ৰৱক্তা ৰমেশ চন্দ্ৰ শইকীয়া, মনোজ দাস, স্বাৱলম্বী মহিলা নিৰু বৰা শইকীয়া আদিয়ে সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিব। এই সাতদিনীয়া কাৰ্যক্ৰমত স্থানীয় ৰাইজৰ সুবিধা হোৱাকৈ ৰাস্তাৰ দাঁতিত গছপুলি ৰোপণ, চাফাই অভিযান আদি অনুষ্ঠিত হোৱাৰ উপৰি স্বেচ্ছাসেৱকসকলে অঞ্চলটোৰ এক আৰ্থ-সামাজিক জৰীপ সম্পন্ন কৰিব।

# শিৱসাগৰ জিলাত "সুৰক্ষিত শৈশৱ সোণালী অসম" শীৰ্ষক শিশু সুৰক্ষাৰ ৯০ দিনীয়া প্ৰচাৰ অভিযান আৰম্ভ




**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৬ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো আজি "সুৰক্ষিত শৈশৱ সোণালী অসম" শীৰ্ষক শিশু সুৰক্ষাৰ ৯০ দিনীয়া প্ৰচাৰ অভিযানৰ আৰম্ভণি কৰা হয়। এই উপলক্ষ্যে জিলা পৰিষদ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত এক বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে আন্তঃবিদ্যালয় আকস্মিক বক্তৃতা প্ৰতিযোগিতা এখনৰ আয়োজন কৰা হয়। উক্ত প্ৰতিযোগিতাত বিভিন্ন বিদ্যালয়ৰ সৰ্বমুঠ ২১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। টি. আৰ. বি. চিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ প্ৰবক্তা সাব্ৰী ৰাছিম হাজৰিকাই এই প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰে। প্ৰতিযোগিতা শেষ হোৱাৰ পিছতে উক্ত প্ৰেক্ষাগৃহত মূল অনুষ্ঠানৰ শুভাৰম্ভণি কৰা হয় উদ্যোগক্তাসকলৰ সমবেত সংগীতেৰে। অনুষ্ঠানৰ বন্তিপ্ৰজ্বলন কৰে সমাজ কল্যাণ বিষয়া উপমা শইকীয়াই। জিলা শিশু সুৰক্ষা বিষয়া ড° বিকাশ ৰঞ্জন কোঁৱৰে অনুষ্ঠানৰ মূল বক্তব্য ৰখাৰ পিছতে অতিৰিক্ত জিলা আয়ুক্ত লুকুমণি বড়াই ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ এই প্ৰচাৰ অভিযানখনি সফল কৰি শিশু সকলৰ উজ্জ্বল ভৱিষ্যত আৰু সুৰক্ষাৰ অৰ্থে সকলো সংশ্লিষ্ট বিভাগ তথা বেচৰকাৰী অনুষ্ঠানৰ সক্ৰিয় সহযোগিতা কামনা কৰে। শিৱসাগৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) মইদুল ইছলামে এইবছৰত জিলাখনত শিশুসকলৰ লগত হোৱা বিভিন্ন ধৰণৰ অপৰাধৰ ওপৰত বিষদভাৱে অৱলোকন দাঙি ধৰে। "সুৰক্ষিত শৈশৱ সোণালী অসম"ৰ আৰম্ভণি অনুষ্ঠানত, জিলা শ্ৰম বিষয়া চয়নিকা গোস্বামী, বিদ্যালয়সমূহৰ উপ - পৰিদৰ্শক উৎপল কুমাৰ বৰুৱা, জিলা পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া পংকজ হাজৰিকা, শিশু কল্যাণ সমিতিৰ সদস্যা বন্দনা কৌশিক বৰদলৈ উপস্থিত থাকি বক্তব্য আগবঢ়ায়। মূল অনুষ্ঠানত সমাজ কল্যাণ বিভাগৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, মুখ্য সহায়িকা আৰু কৰ্মীসকল, শিক্ষা বিভাগৰ চি. আৰ. চি. চি. সকল, বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল তথা শিশুৰ লগত কাম কৰি অহা বিভিন্ন বেচৰকাৰী অনুষ্ঠানৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উক্ত অনুষ্ঠানতে আকস্মিক বক্তৃতা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা বিজয়ীসকলক মানপত্ৰ আৰু নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হয়। শিশু সকলৰ লগত জড়িত প্ৰতিজনব্যক্তিয়েইঐকান্তিকপ্ৰচেষ্টাৰে সেৱা আগবঢ়ালে শিশুসকল সুৰক্ষিত হ'ব বুলি উপস্থিত সকলোৱে সহমত প্ৰকাশ কৰে। কাৰ্যসূচীৰ আৰম্ভণিৰে পৰা শেষলৈকে আঁতধৰা সভাত উপস্থিত সকলোলৈ কৃতজ্ঞতা জনাই সভাৰ অন্ত পেলায় জিলা শিশু সুৰক্ষা বিষয়া কাৰ্যালয়ৰ অনানুষ্ঠানিক সুৰক্ষা বিষয়া ৰূপা গগৈয়ে।

# সমাজসেৱিকা, কবি-সাহিত্যিক ববী বড়াক 'বীৰাংগনা বঁটা' প্ৰদান

## সাহিত্য-সংস্কৃতিৰ সাধনা মঞ্চৰ



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৬ ডিচেম্বৰ ঃ** সমাজৰ দুৰ্নীতি, অন্যায়ৰ বিৰুদ্ধে সততে সৰৱ ভূমিকা পালন কৰি অহা তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমা নিবাসী তথা বিশিষ্ট সমাজসেৱিকা ববী বড়াক প্ৰজ্ঞা-মৈত্ৰী ঃ সাহিত্য-সংস্কৃতিৰ সাধনা মঞ্চ, অসমে "বীৰাংগনা বঁটা"ৰে সন্মানিত কৰিছে। গুৱাহাটীৰ খানাপাৰাস্থ ৰাজ্যিক পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় প্ৰেক্ষাগৃহত অলপতে অনুষ্ঠিত হৈ যোৱা মঞ্চৰ "সাংস্কৃতিক সমাৰোহ আৰু কবিতাৰ মহামেল - ২৫" অনুষ্ঠানত ববী বড়াক এই বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে, ববী বড়া অসমৰ কাব্য জগতৰ এটি চিনাকি নাম। ববী বড়াৰ নতুন ঠাঁচৰ কবিতাই পাঠকৰ সমাজৰ যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰীধাৰী ববী বড়াই প্ৰায় দুটা দশকৰ পূৰ্বে জন্মস্থান ডুমডুমাত "শংকৰদেৱ শিশু নিকেতন, ডুমডুমা" প্ৰতিষ্ঠা কৰি শিক্ষাৰ বন্তিৰে জগত আৰু জীৱন পোহৰাই তোলাৰ প্ৰচেষ্টাত ব্ৰতী হোৱাৰ লগতে অসমৰ বিভিন্ন কাকত-আলোচনীত তেখেতৰ বিভিন্ন তত্ত্বগধূৰ প্ৰবন্ধ প্ৰকাশ পোৱাৰ উপৰিও বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় কাকত, আলোচনীতো প্ৰবন্ধ, কবিতা আদি প্ৰকাশ পাইছে। মননশীল লেখিকা ববী বড়া অঞ্চলটোৰ বিভিন্ন সামাজিক কাম-কাজতো অতি সক্ৰিয়। ইতিমধ্যে 'বীৰাঙ্গনা সাৱিত্ৰী বাঈ ফেল'শ্বিপ ৰাষ্ট্ৰীয় বঁটা', 'শংকৰ-আজান বঁটা', 'সামাজিক দায়বদ্ধতা বঁটা', অসম চৰকাৰৰ সন্মানিত 'লেখক সম্বৰ্ধনা' আৰু আন্তঃ ৰাষ্ট্ৰীয় 'INDU UNIVERSEVOICE OF POETRY' ৰ 'ৰবীন্দ্ৰনাথ ঠাকুৰ আন্তঃৰাষ্ট্ৰীয় বঁটা -২০২২' আদি সন্মানেৰেও সন্মানিত হোৱা কবি, লেখিকা ববী বড়াই সমাজত গা কৰি উঠা বিভিন্ন সামাজিক সমস্যাক সাহিত্যৰ মাজেৰে ফুটাই তুলিবলৈ সক্ষম হৈছে। 'দুহাত খামুচি', 'অনুভৱে চুই যোৱাৰ পথত', 'জোনাকৰ বুকুত তুমি আৰু মই', 'প্ৰেম আৰু সপোনৰ সুৰভিৰে', 'এমুঠি ৰ'দৰ ভালপোৱা', 'কজলা সপোনৰ জলঙাৰে' আদি কাব্যগ্ৰন্থৰ ৰচয়িতা কবি ববী বড়াৰ বাংলা ভাষাত প্ৰকাশিত কাব্যগ্ৰন্থ হৈছে 'নিশি ৰাতেৰ ভালোবাসা'। কবি-সাহিত্যিক ববী বড়াক "বীৰাংগনা বঁটা" প্ৰদানৰ খবৰত ডুমডুমাৰ বিদ্বৎ সমাজে সন্তুষ্টি ব্যক্ত কৰিছে। এইক্ষেত্ৰত বিভিন্নজনে জনাইছে শুভেচ্ছা আৰু অভিনন্দন।

# শান্তিপূৰ্ণভাৱে সম্পন্ন

গ্ৰহণ কৰা ধাৰাবাহিক প্ৰচেষ্টাৰ অংশস্বৰূপে আজি নগাঁও জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে জিলাখনৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত টুকটুকী, ছালনাবৰি আৰু আহোম গাঁৱৰ বেদখলীকৃত ভূমি বেদখলমুক্ত কৰাৰ বাবে উচ্ছেদ অভিযান আৰম্ভ কৰে। আজি পুৱা ৮-০০ বজাৰ পৰা আৰম্ভ কৰা এই উচ্ছেদ অভিযানত প্ৰায় ৬৩ বিঘা হেক্টৰ ভূমিৰে আবৃত টুকটুকী, ছালনাবৰি আৰু আহোম গাঁৱৰ চৰকাৰী ভূমিত বেদখল কৰি অবৈধভাৱে খন্দা পুখুৰীসমূহত উচ্ছেদ চলাই মাটিসমূহ বেদখলমুক্ত কৰা হয়। উল্লেখযোগ্য যে, এই অঞ্চলসমূহত মুষ্টিমেয় কিছুসংখ্যক লোকে এই অঞ্চলত থকা ৰৌ-মাৰি বিলখনক পাৰ বান্ধি বৃহৎ বৃহৎ পুখুৰী কৰি বহু বছৰ ধৰি অবৈধভাৱে বেদখল কৰি মাছৰ ব্যৱসায় কৰি আহিছিল। আজিৰ এই উচ্ছেদ অভিযানত ফকলেন লগাই পুখুৰীসমূহৰ পাৰৰ বান্ধসমূহ ভাঙি ভূমিসমূহ বেদখলমুক্ত কৰা হয়। আজিৰ প্ৰথম দিনাৰ উচ্ছেদ অভিযান সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে সমাপন হয়। ইয়াৰ পিছত কাইলৈ ৰৌ-মাৰি বিল, মৈৰাধ্বজ, বেচামাৰি, চালমৰাবৰি, অঁকৰাবৰি আৰু গেৰেকণী বিলৰ বেদখলকৃত ভূমিসমূহ বেদখলমুক্ত কৰাৰ বাবে উচ্ছেদ অভিযান চলোৱা হব। এই উচ্ছেদ অভিযান ১৬, ১৭, ১৯ আৰু ২০ ডিচেম্বৰলৈ মুঠ ৪ দিন ধৰি চলিব। এই চাৰিদিনীয়া উচ্ছেদ অভিযানত ২৩০ বিঘা চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। উক্ত উচ্ছেদ অভিযান সুকলমে সমাপনৰ বাবে প্ৰায় ৩০০ গৰাকী আৰক্ষীক নিয়োগ কৰা হৈছে। আজিৰ উচ্ছেদ অভিযান স্থলীত জিলা আয়ুক্ত দেৱাশিস শৰ্মা অতিৰিক্ত জিলা আয়ুক্তদ্বয় শ্ৰী সুদীপ নাথ, শৌভিক ভূএগ, ধিং ৰাজহ চক্ৰ বিষয়া সৌৰভ কুমাৰ দাসকে প্ৰমুখ্য কৰি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

# ইডিৰ গোচৰত সঁকাহ ছোনিয়া-

এভিনিউ আদালতে। মঙলবাৰে বিশেষ ন্যায়াধীশ বিশাল গগনে বলবৎকাৰী সঞ্চালকালয়ে (ইডি) দাখিল কৰা অভিযোগপত্ৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। আদালতে স্পষ্টভাৱে উল্লেখ কৰে যে ইডিৰ এই গোচৰটো বিজেপি নেতা সুব্ৰমণ্যন স্বামীৰ এক ব্যক্তিগত অভিযোগৰ ওপৰত ভিত্তি কৰি চলোৱা হৈছে, কোনো আনুষ্ঠানিক এফআইআৰৰ ওপৰত নহয়। ফলত ধন সৰবৰাহ প্ৰতিৰোধ আইন (পিএমএলএ)ৰ অধীনত এই অভিযোগ ৰক্ষণাবেক্ষণযোগ্য নহয় বুলি আদালতে মত প্ৰকাশ কৰে। এই ৰায়দানে কংগ্ৰেছ দলৰ বাবে এক বৃহৎ জয় হিচাপে পৰিগণিত হৈছে। কংগ্ৰেছে তৎক্ষণাৎ এক্স (পূৰ্বৰ টুইটাৰ)ত এক পোষ্ট শ্বেয়াৰ কৰি কয়, "সত্যই জয়লাভ কৰিছে। মোদী চৰকাৰৰ কু-অভিপ্ৰায় আৰু অবৈধ কাৰ্যকলাপ সম্পূৰ্ণৰূপে উন্মোচিত হৈছে। ইয়ং ইণ্ডিয়ান গোচৰত কংগ্ৰেছ নেতৃত্ব ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে ইডিৰ কাৰ্যকলাপ সম্পূৰ্ণ অবৈধ আৰু দুৰ্ভিসন্ধিমূলক বুলি সন্মানীয় আদালতে প্ৰমাণিত কৰিছে।" পোষ্টটোত আৰু উল্লেখ কৰা হৈছে যে কোনো ধন সৰবৰাহৰ গোচৰ নাই, অপৰাধৰ পৰা উদ্ভৱ হোৱা ধন বা সম্পত্তিৰ কোনো প্ৰমাণ নাই। এই সকলো অভিযোগ ৰাজনৈতিক প্ৰতিশোধ, অপপ্ৰচাৰ আৰু নিন্দাৰ অংশ আছিল বুলি কংগ্ৰেছে অভিহিত কৰে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে এই ৰায়ক স্বাগতম জনাই কয়, "এই ৰায়দানে নৰেন্দ্ৰ মোদী চৰকাৰৰ অবৈধ আৰু অসাংবিধানিক ৰাজনৈতিক লক্ষ্যকৰণক উন্মোচিত কৰিছে। প্ৰথম দিনৰ পৰাই বিৰোধী দলক-বিশেষকৈ ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক- কোনো আইনী ভিত্তি অবিহনে লক্ষ্য কৰি লোৱা হৈছে। এই ৰায়ে আমাৰ অৱস্থানৰ সত্যতা স্পষ্টভাৱে প্ৰমাণ কৰিছে।" কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যসভা সাংসদ অভিষেক মনু সিংভীয়ে কয়, "এই সিদ্ধান্ত অতি গুৰুত্বপূৰ্ণ। কোনো বিষয়ত জ্ঞান লোৱাটোৱেই আটাইতকৈ নিম্ন ৰূপ। বিষয়টোৰ প্ৰতি সচেতন হোৱাটো অতি সহজ, কিন্তু ইয়াত জ্ঞান লোৱাৰ যোগ্যতা নাই। বিজেপিয়ে এই বিষয়টোক অতিৰঞ্জিত কৰি কিমান হুলস্থূল সৃষ্টি কৰিছে, সেয়া সকলোৱে দেখিছে।" ইডিৰ অভিযোগপত্ৰত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ উপৰিও কংগ্ৰেছৰ প্ৰবাসী বিভাগৰ প্ৰধান ছেম পিট্ৰ'ডা, সুমন ডুবে, সুনীল ভাণ্ডাৰী, ইয়ং ইণ্ডিয়ান কোম্পানী আৰু ডটে' মাৰ্চেণ্ডাইজ প্ৰাইভেট লিমিটেডক অভিযুক্ত কৰা হৈছিল। ইডিয়ে দাবী কৰিছিল যে ইয়ং ইণ্ডিয়ানে এছ'চিয়েটেড জাৰ্নেলছ লিমিটেড (এজেএল)ৰ সম্পত্তি- যাৰ মূল্য প্ৰায় ২, ০০০ কোটি টকা- অবৈধভাৱে অধিগ্ৰহণ কৰিছে। কিন্তু আদালতে এই অভিযোগক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি কয় যে গোচৰটোৰ ভিত্তি এফআইআৰৰ ওপৰত নহয়, গতিকে পিএমএলএৰ অধীনত ইয়াক আগবঢ়াই নিব নোৱাৰি। যদিও আদালতে ইডিক তদন্ত অব্যাহত ৰখাৰ অনুমতি দিছে আৰু দিল্লী আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ শাখাই এই গোচৰত এক নতুন এফআইআৰ পঞ্জীয়ন কৰিছে, তথাপি এই ৰায়ে কংগ্ৰেছৰ বাবে এক শক্তিশালী বাৰ্তা বহন কৰিছে। কংগ্ৰেছে ঘোষণা কৰিছে যে দল আৰু ইয়াৰ নেতৃত্ব সত্যৰ বাবে আৰু প্ৰতিজন ভাৰতীয়ৰ অধিকাৰৰ বাবে যুঁজি যাব-ভয় নকৰি, কাৰণ সত্যৰ পক্ষত থিয় দিয়াটোৱেই তেওঁলোকৰ প্ৰতিশ্ৰুতি। এই গোচৰটোৱে দীৰ্ঘদিন ধৰি ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰি আহিছে আৰু এই ৰায়ে বিৰোধী দলৰ বাবে এক নৈতিক জয় হিচাপে চিহ্নিত হৈছে।

# অৱসৰী শিক্ষয়িত্ৰী লিপিকা বৰকাকতীলৈ বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, জাঁজী, ১৬ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ খনামুখ মজলীয়া বিদ্যালয়ৰ শিক্ষয়িত্ৰী লিপিকা বৰকাকতীৰ ৩২ বছৰীয়া শিক্ষকতা জীৱন যোৱা ৩০ নৱেম্বৰত সফলতাৰে সম্পূৰ্ণ কৰি অৱসৰ গ্ৰহণ কৰাত আজি তেখেতক আনুষ্ঠানিক ভাৱে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে ৰাজহুৱা বিদায় সম্ভাষণ জনায়। এই উপলক্ষে খনামুখ উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰবীন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভাত খনামুখ মজলীয়া বিদ্যালয়ৰ প্ৰধান ভবেন্দ্ৰ নাথ কটকী খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আনন্দ বৰা, অৱসৰ প্ৰাপ্ত কৃতি শিক্ষক ভোলা নাথ দত্ত, প্ৰবীন গগৈ, খনামুখ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিনমণি ভূএগকে ধৰি ভালে সংখ্যক ন-পুৰণি ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদায় সম্ভাষণ জনায়। শিক্ষক বসন্ত বৰুৱা আৰু দিনেশ বৰুৱাই সভাখনৰ আঁত ধৰে। ১৯৯৩ চনত শিৱসাগৰৰ কৈৱৰ্ত দলনি এম ভি স্কুলত যোগদান কৰি গৌৰীসাগৰ এম ভি আৰু ২০০৮ চনৰ পৰা খনামুখ মজলীয়া বিদ্যালয়ত দক্ষতাৰে সেৱা আগবঢ়াই আহিছিল। উলেখ্য যে ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ সমাদৰ বৰকাকতী ৰ বিদায় ক্ষন বৰ অন্তস্পৰ্শী আছিল।

অসম উন্নয়ন পৰিষদৰ উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰাৰ ঘোষণা

# কৃষি বিভাগত ব্যাপক দুৰ্নীতি অভিযোগ




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ ডিচেম্বৰঃ** কৃষি বিভাগত ব্যাপক দুৰ্নীতি ও এক বৃহৎ কেলেঙ্কাৰী পোহৰলৈ আহিছে। অসম উন্নয়ন পৰিষদে (AUP) ইয়াৰ ওপৰত ভালেমান অভিযোগ উত্থাপিত কৰিছে। পৰিষদৰ দাবী অনুসৰি বিভাগীয় বিষয়া আৰু যোগানধাৰী সংস্থাসমূহে মিলিজুলি বহু কোটি টকা চৰকাৰী ধন আত্মসাৎ কৰিছে, যাৰ ফলত সাধাৰণ কৃষকে চৰকাৰী সহায়ৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। এই অভিযোগসমূহে কৃষি যোজনাসমূহৰ স্বচ্ছতা আৰু জবাবদিহিতা লৈ গভীৰ প্ৰশ্ন উত্থাপন কৰিছে। জানিব পৰা অনুসৰি, পিএম কিষান সন্মান নিধি যোজনাৰ অধীনত লাখ লাখ ভূমিহীন কৃষকক বহু কোটি টকা আৰ্থিক সহায় প্ৰদান কৰাৰ দাবী কৰা হৈছিল, কিন্তু দুৰ্নীতিৰ ফলত সেই ধন কৃষকৰ বেংক একাউণ্টলৈ নোযোৱা বুলি অভিযোগ আছে। আকৌ, আলু যোগানৰ নামত কাগজত ৪ লক্ষ ৮০ হাজাৰ কুইণ্টেল আলু যোগান দিয়া দেখুৱাই প্ৰায় ৫০ কোটি টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপন কৰা হৈছে, য'ত নিম্নমানৰ বা বাস্তৱতে নথকা আলুৰ বিবৰণ দেখুওৱা হৈছে। মাটি মাহৰ বীজ যোগান ক্ষেত্ৰতো অসম বীজ নিগমৰ মাধ্যমেৰে নিকৃষ্ট মানৰ বীজ বিতৰণ কৰি কোটি কোটি টকাৰ দুৰ্নীতি কৰা অভিযোগ উত্থাপিত হৈছে। ইয়াৰ লগতে ওডালগুৰিতে ৬০ কোটি টকাতকৈ অধিক ধনৰ কেলেঙ্কাৰী সংঘটিত হোৱাৰ অভিযোগ কৰা হৈছে। কৃষকে ভোগী থকা এই গভীৰ ক্ষতিৰ প্ৰেক্ষাপটত সংগঠনৰ বিষয়ববীয়া সকলে কৈছে যে, এই বিয়াগোম দুৰ্নীতিৰ জৰিয়তে অসমৰ কৃষক সমাজৰ অপূৰণীয় ক্ষতি সাধন হৈছে, কাৰণ কৃষকসকলে চৰকাৰী যোজনাৰ সুফলৰ পৰা বঞ্চিত হৈছে আৰু সেই সুবিধা দোষী বিষয়া আৰু যোগানদাৰসকলে নোপোৱা কৰিছে। অসম উন্নয়ন পৰিষদে RTI তথ্য সংগ্ৰহ কৰি লোকসমাজক সতৰ্ক কৰা, সামাজিক ন্যায় আৰু স্বচ্ছতাৰ প্ৰতি সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। সংগঠনে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে যে, জড়িত দোষী বিষয়া আৰু যোগানদাৰসকলক অতি শীঘ্ৰে গ্ৰেপ্তাৰ কৰি, তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে ফৌজদাৰী মামলা ৰুজু কৰিব লাগিব, লুট কৰা সম্পূৰ্ণ ধন উদ্ধাৰ কৰিব লাগিব, আৰু কৃষকৰ অধিকাৰ সুৰক্ষিত কৰাৰ স্বাৰ্থত এই বিষয়টো বিধানসভাতো শক্ত ভাৱে উত্থাপন কৰিব লাগিব। ইয়াৰ লগতে এই গোচৰটো দেশৰ সৰ্বোচ্চ ন্যায়ালয় চুপ্ৰিম কোৰ্টলৈ লৈ যোৱাৰ কথাও সংগঠনে জনাইছে। সংগঠনৰ সভাপতি মৌচুম কুমাৰ উজীৰ আৰু সাধাৰণ সম্পাদক চন্দন বৰদলৈয়ে ইতিমধ্যে এই বিষয়টো সংগঠনৰ পক্ষৰ পৰা অতি শীঘ্ৰে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰা হ'ব বুলি পুনৰায় নিশ্চিত কৰিছে। এতিয়া চৰকাৰে এই গুৰুতৰ অভিযোগসমূহ কিমান গম্ভীৰতাৰে গ্ৰহণ কৰিব, দোষীসকলক শাস্তি নিশ্চিত কৰিব নে, নে বিবাদটোক সহজভাৱে লৈ এই দুৰ্নীতিক প্ৰশ্ৰয় দিব সেয়াহে অনাগত সময়ত হব লক্ষণীয়।

# শ্ৰীশ্ৰী আউনীআটি মণিকাঞ্চন ৰংগক্ষেত্ৰত অসম ভাওনা সমাৰোহ কাৰ্যসূচী উন্মোচন

**অসম বাৰ্তা, মাজুলী, ১৬ ডিচেম্বৰঃ** মাজুলীৰ শ্ৰীশ্ৰী আউনীআটি সত্ৰৰ মণিকাঞ্চন ৰংগ ক্ষেত্ৰত ১৮ জানুৱাৰীৰ পৰা ২৮ জানুৱাৰীলৈ অনুষ্ঠিত হবলগীয়া অসম ভাওনা সমাৰোহ -২০২৬ বৰ্ষৰ কাৰ্যসূচী আজি আনুষ্ঠানিক ভাবে উন্মোচন কৰে। সেই উপলক্ষে মণিকাঞ্চন ৰংগক্ষেত্ৰত কাৰ্যলত সভাপতি ডঃ পীতাম্বৰদেৱ গোস্বামীৰ সভাপতিত্ব অনুষ্ঠিত হয় এখন উন্মোচনী সভা। সম্পাদক তুলসী ৰাজখুৱাই আঁত ধৰা অনুষ্ঠানত কৰ্ণাধাৰ সমিতিয়ে সৰ্ব সন্মতভাৱে গৃহীত নিমন্ত্ৰণী চিঠি আৰু কাৰ্যসূচীখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে। উন্মোচক সত্ৰাধিকাৰ ডঃ পীতাম্বৰদেৱ গোস্বামীয়ে কয়, ২০০৬ চনৰে পৰা প্ৰতি দুবছৰৰ অন্তত উদযাপন কৰি অহা অসম ভাওনা সমাৰোহ বৰ্তমান একাদশ সংখ্যক বৰ্ষ। ভাওনা সমাৰোহ উদযাপনৰ উদ্দেশ্য কেৱল মনোৰঞ্জন ধৰ্মীয়েই নহয়। ইয়াৰ উদ্দেশ্য অতি মহৎ। ভাওনাৰ আধ্যাত্মিক তত্ত্ব, মানুহৰ হৃদয়ত ইয়াক পবিত্ৰ অন্তৰেৰে স্থাপন কৰি ভাওনাৰ জৰিয়তে নৱ প্ৰজন্মক কেনেকৈ আধ্যাত্মিক চেতনা জাগ্ৰত কৰি এখন সমাজ কিদৰে সু-শৃংখলিত ব্যৱস্থাৰে পৰিচালিত হব পাৰে সেই উদ্দেশ্য এই ভাওনাৰ মাধ্যমেৰে প্ৰভান্বিত কৰিব পৰাটোৱেই আচল লক্ষ্য। এই সমাৰোহৰ মাধ্যমেৰে তাৰেই মানস কৰা হৈছে। আমাৰ নাগৰিকে, সমাজৰ প্ৰতিজন সচেতন ৰাইজে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিলে সমাজখনত সদায়েই ইতিবাচক প্ৰভাৱেৰে প্ৰভাৱান্বিত হব আৰু ভাওনা সমাৰোহ অনুষ্ঠিত কৰাৰ সাৰ্থক ৰূপ পাবইবুলি উল্লেখ কৰে। সত্ৰাধিকাৰ গৰাকীয়ে সমাৰোহ খনি সফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সম্পুৰ্ণ সহযোগিতা কৰিবলৈ অসমবাসী ৰাইজলৈ বিনম্ৰ আহ্বান জনায়। অনুষ্ঠানত মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিত শইকীয়াই উপস্থিত ৰাইজৰ হৈ সমাৰোহখনি সফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সকলো দিশতে সক্ৰিয় সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত সদৌ অসম মইনা পাৰিজাতৰ তৰফৰ পৰা সদ্য ঘোষিত ২০২৪-২৫ বৰ্ষৰ "শিশু মহীয়ান" উপাধি লাভ কৰা মাজুলীৰ সু-সন্তান, কমলপুৰ গাঁৱৰ নিবাসী, অৱসৰপ্ৰাপ্ত শিক্ষক, আজীৱন শিশুপ্ৰেমী লোহিত বৰাক সত্ৰাধিকাৰ গৰাকীয়ে অসম ভাওনা সমাৰোৰ তৰফৰ অঙ্গবস্ত্ৰ প্ৰধানেৰে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত আউনীআটী সত্ৰৰ বৰপূজাৰীসহ বৈষ্ণৱ বৃন্দ, মাজুলী জিলা নাট্য সন্মিলনৰ সভাপতি তথা আউনীআটি বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ ভূঞা, সাংস্কৃতিক কৰ্মী তথা শিক্ষক নিলোৎপাল হাজৰিকা, যুগল ভূঞা, ইন্দ্ৰেশ্বৰ নাথ, গোলাপ বৰুৱা, ৰমেশ বৰা, আসাম প্ৰেছ কৰেছস্পণ্ডেণ্ট ইউনিয়ন কেন্দ্ৰীয় উপসভাপতি জীৱন বৰুৱা, সাংবাদিক উৎপল বৰা, গুণেশ্বৰ গায়ন আদিৰ লগতে মাজুলীৰ বিভিন্ন ঠাইৰ বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে। সভাৰ শেষত ৫০০ গৰাকী সূত্ৰধাৰৰ দ্বাৰা ভাওনা সমাৰোহ উদ্বোধনৰ উদ্দেশ্য ভাওনা সমাৰোহৰ থলিত প্ৰশিক্ষণ আৰম্ভ কৰে। তদুপৰি নামঘৰৰ মনিকূটৰ শুভাৰম্ভ কৰে। আনহাতে ভাওনাৰ থলিত ৰভাদিয়া কাম আৰম্ভ কৰে। প্ৰকৃতপক্ষে আজিৰ পৰাই ভাওনা সমাৰোহৰ কাৰ্যক্ৰমনিকা আৰম্ভ হৈছে।

## গোসাঁইগাঁৱত জল মিত্ৰৰ ২ ঘণ্টীয়া অৱস্থান ধৰ্মঘট



**অসম বাৰ্তা, গোসাঁইগাঁও, ১৬ ডিচেম্বৰঃ** আজি গোসাঁইগাঁৱত জল মিত্ৰৰ উদ্যোগত আৰু সদৌ অসম পিএইচ ই অস্থায়ী শ্ৰমিক কৰ্মচাৰী পৰিষদৰ সহযোগত দুই ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। জনস্বাস্থ্য কাৰিকৰি অভিযন্তাৰ গোসাঁইগাঁও সংমণ্ডল কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত কাৰ্য্যসূচীত অংশগ্ৰহণ কাৰী জলমিত্ৰ সকলে হাতে হাতে বেনাৰ ফেষ্টুন লৈ আমাৰ দাবী ন্যাৰ্য্য দাবী, জল মিত্ৰৰ দৰমহা আমাক দিয়ক, আক্তাৰা বেগম মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায়, বিপিএফ চৰকাৰ হায় হায়, জয়ন্ত মল্ল বৰুৱা হায় হায় আদি শ্লোগান দি পৰিস্থিতি উত্তাল কৰি তোলে। জলমিত্ৰ সকলে শ্ৰমিক আইন মতে ন্যূনতম দৰমহা, প্ৰতিমাহে সময় মতে দৰমহা আদায়, এঙ্গেজমেণ্টৰ পৰিৱৰ্তে পি এইচ ই বিভাগীয় নিযুক্তি পত্ৰ প্ৰদান আৰু ইউজাৰ কমিটি, পঞ্চায়ত বিভাগৰ পৰা মুক্ত কৰি পি এইচ ই বিভাগৰ পৰা দৰমহা দিয়াৰ ব্যৱস্থা কৰাৰ দাবী জনায়।

সামৰণি অনুষ্ঠানত অ.সা.স. সভাপতি ড° বসন্ত কুমাৰ গোস্বামী

# ডিব্ৰুগড়ৰ বাণীপুৰ সাহিত্য সভাৰ ৰূপালী জয়ন্তী সমাৰোহ




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ ডিচেম্বৰ ঃ** দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাণীপুৰ সাহিত্য সভাৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰা হয়। তেৰ ডিচেম্বৰৰ প্ৰথম দিনাৰ কাৰ্যসূচীত চাফাই অভিযান, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মঞ্চ মুকলিৰ লগতে 'আকাশ', 'ৰামধেনু' আৰু 'কুঁহি' অনুষ্ঠানৰ অন্তৰ্ভুক্ত হিচাপে বিয়ানাম, উৰুলি, কবিতা আবৃত্তি, চিত্ৰাংকন, আকস্মিক বক্তৃতা, সাধুকোৱা প্ৰতিযোগিতা অনুষ্ঠিত হয়। অধিবেশনৰ দ্বিতীয় দিনা চৈধ্য তাৰিখৰ কাৰ্যসূচী আৰম্ভ হয় বাণীপুৰৰ মহিলা সকলৰ দ্বাৰা পৰিৱেশিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে। 'অসমীয়া ভাষা সাহিত্যৰ ভৱিষ্যত আৰু প্ৰত্যাহ্বান' শীৰ্ষক আলোচনা চক্ৰখনি সঞ্চালনা কৰে সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই আৰু আলোচক হিচাপে উপস্থিত থাকে তিনিচুকীয়া ৱিমেনজ কলেজৰ অধ্যাপক ড° কৰবী বৰুৱা গগৈ। দুয়োগৰাকীয়ে অসমীয়া ভাষাৰ মূল কালিকাটো ৰক্ষা কৰাৰ দিশত সকলোকে গুৰুত্ব দিবলৈ আহ্বান কৰে। মুকলি সভাত সভাপতিত্ব কৰে বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই। তেখেত সভাপতিৰ অভিভাষণত বাণীপুৰৰ ইতিহাস আৰু সমাজ-সংস্কৃতিৰ সন্দৰ্ভত আলোকপাত কৰে। সভাত মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে মনোগ্ৰাহী বক্তব্যৰে সকলোকে আপ্লুত কৰে। তেখেতে অসম সাহিত্য সভাৰ ভৱিষ্যত কাৰ্যপন্থা, ভাষা সাহিত্যৰ সাম্প্ৰতিক স্থিতি আদি দিশত মত প্ৰকাশ কৰি ৰূপালী জয়ন্তী উদযাপন কৰা বাণীপুৰ শাখা সাহিত্য সভাক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। এই মুকলি সভাত অসম সাহিত্য সভাৰ শতবৰ্ষীয় শিৱসাগৰ অধিবেশনৰ সভাপতি পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৃষ্ণ কান্ত বৰা, বিশিষ্ট শিশু সাহিত্যিক প্ৰসেনজিৎ কুমাৰ গোস্বামী, অনিৰুদ্ধদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় অধ্যক্ষ ড° শশীকান্ত শইকীয়া, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নোমল গগৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া উপস্থিত থাকি বহুমূলীয়া বক্তব্যৰে বাণীপুৰ শাখা সাহিত্য সভাক সমৃদ্ধ কৰে। এই সভাতে বাণীপুৰ শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী উদযাপনৰ লগত সংগতি ৰাখি, স্মৃতিগ্ৰন্থ 'বাণী সৌৰভ'ৰ লগতে ঝৰ্ণা শইকীয়া আৰু বিষ্ণু গোহাঁইৰ দুখন গ্ৰন্থ ড° বসন্ত কুমাৰ গোস্বামীয়ে উন্মোচন কৰে। সভাৰ শেষত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে শাখা সভাৰ সম্পাদক ড° দিব্যজ্যোতি বৰাই। বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই মঞ্চ উন্মোচন কৰাৰ লগে লগে সাংস্কৃতিক সন্ধিয়াৰ শুভাৰম্ভ হয় আৰু বাণীপুৰ মহিলা সমিতিৰ সভানেত্ৰী তথা ডিব্ৰুগড় জিলা মহিলা পতঞ্জলি যোগ সমিতিৰ জিলা প্ৰভাৰী ঊষা দত্তই কৰা বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পিছত বৰগীত, আলেখ্য, জুবিনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, দলীয় আৰু একক নৃত্য, স্থানীয় শিল্পীৰ গীতৰ শৰাই আদিয়ে সাংস্কৃতিক সন্ধিয়া জীপাল কৰি তোলে।

দীৰ্ঘদিনীয়া কৃত্ৰিম বানৰ সমস্যা সমাধান হোৱাৰ লগতে সৌন্দৰ্য বৰ্দ্ধনৰে শুভাবৃদ্ধি কৰিব

# নগাঁৱৰ লাওঁখোৱা পথত পকী নলাৰ আধাৰশিলা বিধায়ক ৰূপক শৰ্মাৰ



**অসম বাৰ্তা, নগাঁও, ১৬ ডিচেম্বৰঃ** নগাঁও লোকনিৰ্মাণ বিভাগৰ তৰফৰ পৰা আজি নগাঁও চহৰৰ লাওখোৱা পথত এটি নলাৰ আধাৰশিলা স্থাপন কৰে বিধায়ক ৰূপক শৰ্মাই। সাধাৰণ এজাক বৰষুণৰ ফলত হোৱা কৃত্ৰিম বানপানীৰ ফলত দীৰ্ঘদিনৰ পৰা লাওঁখোৱা পথৰ ৰাইজৰ বহু সমস্যাৰ সৃষ্টি হৈ আহিছিল। এই সমস্যা দূৰীকৰণৰ উদ্দেশ্যেৰে আজি মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ আঁচনিৰ অধীনত মাজৰ আটি চাৰিআলিৰ পৰা আৰম্ভ হোৱা প্ৰায় ৩ কোটি ৩ লাখ টকা ব্যয় সাপেক্ষে পথৰ উন্নীতকৰণৰ লগতে ৭৫০ মিটাৰ পকী নলাৰ নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰা হয়। আধাৰশিলা স্থাপন কৰি বিধায়ক শৰ্মাই কয় যে- নতুনকৈ নিৰ্মাণ কৰা নলাৰ জৰিয়তে অঞ্চলটোত কৃত্ৰিম বানৰ সমস্যা সমাধান হোৱাৰ লগতে পথটো বহলীকৰণৰ জৰিয়তে জনসাধাৰণৰ যাতায়তৰ সুবিধা হোৱাৰ লগতে সৌন্দৰ্য বৰ্ধনৰ কামো সম্পন্ন কৰা হব। ইয়াৰ ফলত অঞ্চলতোৱে নতুন ৰূপ পাবলৈ সক্ষম হ'ব। আজিৰ এই আধাৰশিলা অনুষ্ঠানত লোকনিৰ্মাণ বিভাগৰ সংমণ্ডল বিষয়া বীৰেন্দ্ৰ দাস, লোকনিৰ্মাণ বিভাগৰ কৰ্মচাৰী সকল, বিজেপি কাৰ্যকৰ্তা সকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## ৰঙ্গপীঠ পৰিৱেশ্য কলা বিদ্যালয়ৰ সংগীত শাখাৰ বিশেষ সফলতা

**অসম বাৰ্তা, জামুগুৰিহাট, ১৬ ডিচেম্বৰঃ** জামুগুৰিহাটৰ অন্যতম শঙ্কৰী সংগীত শিক্ষাৰ প্ৰতিষ্ঠান ৰঙ্গপীঠ পৰিৱেশ্য কলা বিদ্যালয়ৰ সংগীত শাখাই এক উল্লেখযোগ্য সফলতা লাভ কৰিছে। সদ্যঘোষিত সংগীত সত্ৰ, গুৱাহাটী অধীনত পৰিচালিত হোৱা বছৰেকীয়া পৰীক্ষাত বিদ্যালয়খনৰ গায়ন আৰু বায়ন বিভাগৰ ১০ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংচন নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ গৌৰৱ অৰ্জন কৰে। উক্ত পৰীক্ষাত মুঠ ৩২জন শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত, ১২জন শিক্ষাৰ্থীয়ে দ্বিতীয় বিভাগত আৰু ২জন শিক্ষাৰ্থীয়ে তৃতীয় বিভাগত সফলতাৰে উত্তীৰ্ণ হয়। গায়ন আৰু বায়ন- দুয়োটা বিভাগ প্ৰখ্যাত সংগীত শিক্ষক প্ৰাঞ্জু বাৰুতীৰ তত্ত্বাৱধানত সুশৃঙ্খলভাৱে পৰিচালিত হৈ আহিছে। উল্লেখযোগ্য যে বিদ্যালয়খনৰ নৃত্য বিভাগটো নৃত্য শিক্ষয়িত্ৰী এনিশা বৰাৰ তত্ত্বাৱধানত সুচাৰুৰূপে পৰিচালিত হৈ আছে। বিদ্যালয়খনৰ এই সাফল্যই অঞ্চলটোৰ শঙ্কৰী সংগীত আৰু সংস্কৃতিৰ বিকাশত এক নতুন প্ৰেৰণা যোগাব বুলি সচেতন মহলে আশা প্ৰকাশ কৰিছে।

অবৈধ ই-ৰিস্কাৰ বিৰুদ্ধে যুদ্ধকালীন তৎপৰতা; কেইবাখনো ই-ৰিস্কাত জৰিমনা

# সমাগত নৱবৰ্ষৰ প্ৰাকক্ষণত বঙাইগাঁৱত আৰক্ষীৰ বৃহৎ অভিযান

**অসম বাৰ্তা, বঙাইগাঁও, ১৬ ডিচেম্বৰ ঃ** সমাগত ইংৰাজী নৱবৰ্ষৰ প্ৰাক্-মুহূৰ্তত পথ সুৰক্ষা আৰু যান-বাহন চলাচল ব্যৱস্থাটোক অধিক নিয়ন্ত্ৰিত কৰাৰ লক্ষ্যৰে এইবাৰ বঙাইগাঁও আৰক্ষী আৰু পৰিবহণ বিভাগে যুদ্ধকালীন তৎপৰতাৰে অভিযান চলাইছে। অবৈধভাৱে ৰাজ্যিক ঘাইপথৰ (State Highway) ওপৰেৰে চলাচল কৰি থকা ই-ৰিস্কাসমূহৰ বিৰুদ্ধে এক বৃহৎ অভিযান চলোৱা হয়। বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দন গোস্বামীৰ নেতৃত্বত আৰক্ষী আৰু পৰিবহণ বিভাগৰ এটা বৃহৎ দলে এই অভিযানত অংশ লয়। অভিযান কালত কেইবাখনো অবৈধ ই-ৰিস্কাৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰি জৰিমনা বিহা হয়। উল্লেখ্য যে, এই ই-ৰিস্কাসমূহে ঘাইপথত যান-জঁট আৰু দুৰ্ঘটনাৰ সৃষ্টি কৰি অহাৰ অভিযোগ দীৰ্ঘদিন ধৰি চলি আহিছিল। অভিযান সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দন গোস্বামীয়ে কয়, "আগন্তুক ইংৰাজী নৱবৰ্ষৰ সময়ছোৱাত পথ সুৰক্ষা নিশ্চিত কৰাটো আমাৰ প্ৰাথমিক লক্ষ্য। যিবোৰ ই-ৰিস্কাই অবৈধভাৱে ঘাইপথত চলাচল কৰি যান-জঁট আৰু দুৰ্ঘটনাৰ কাৰণ হৈ আহিছে, সেইবোৰক কোনো কাৰণতে সহ্য কৰা নহ'ব।" তেওঁ লগতে দৃঢ়তাৰে জনাই যে, বঙাইগাঁও আৰক্ষীৰ এই অভিযান বৰ্তমানৰ পৰা আগন্তুক সময়ত আৰু তীব্ৰতৰ হ'ব, আৰু অবৈধ যান-বাহনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। এই পদক্ষেপে জিলাখনত এক সুস্থ আৰু নিয়ন্ত্ৰিত পৰিবহণ ব্যৱস্থা গঢ়ি তোলাত সহায় কৰিব বুলি আশা কৰা হৈছে।

# দৰং জিলাৰ চৰকাৰী আঁচনিৰ অগ্ৰগতিৰ সম্পৰ্কে মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপস্থিতিত পৰ্যালোচনা সভা




**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা, মীন আদি বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালৰ সভাপতিত্বত সোমবাৰে দৰং জিলাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰীগৰাকীয়ে তেওঁৰ অধীনত চলি থকা বিভাগসমূহৰ গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনি আৰু চলি থকা প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে বিভিন্ন আঁচনিসমূহৰ কাৰ্যকৰীকৰণৰ পৰ্যালোচনা কৰাৰ লগতে আঁচনি সমূহৰ কাম কৰবাত লেহেমীয়া হৈছে নেকি চিনাক্ত কৰি ক্ষিপ্ৰতাৰে আগুৱাই নিয়াৰ ব্যৱস্থা ল'বলৈ কয়। উন্নয়নমূলক আঁচনি সমূহৰ দ্বাৰা যাতে তৃণমূল পৰ্যায়লৈ হিতাধিকাৰীসকল লাভান্বিত হয় তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিভাগ সমূহক চৰকাৰী আঁচনিৰ কামসমূহ নিয়াৰিকৈ আৰু সময়মতে সম্পন্ন কৰিবলৈ আহ্বান জনায়। বৈঠকত গেৰিমাৰীস্থিত ব্ৰুড বেংক(Brood Bank)ৰ অগ্ৰগতিৰ বিষয়েও পৰ্যালোচনা কৰা হয়। বৈঠকত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতী, সমাজকৰ্মী মুকুন্দ ডেকাৰ লগতে পশুপালন আৰু পশু চিকিৎসা, মীন আৰু লোক নিৰ্মাণ বিভাগৰ (পথ) ৰ জ্যেষ্ঠ বিষয়াসকল, বিভাগীয় বিষয়া আৰু কৰ্মচাৰী উপস্থিত থাকে। প্ৰথমতে জিলাখনত উপস্থিত হৈ মন্ত্ৰীগৰাকীয়ে গৰুখুটি বহুমুখী কৃষি প্ৰকল্পত সংহত একুৱা পাৰ্ক পৰিদৰ্শন কৰাৰ লগতে গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

গেলেকী তৈল ক্ষেত্ৰৰ অন্তৰ্গত দেওপানী খৰঙীত চোৰাং খাৰুৱা তেল চুৰিৰ ঘাটি উৎখাত

# উজনি অসমত পুনৰ সক্ৰিয় খাৰুৱা তেল চুৰি চক্ৰ



**অসম বাৰ্তা, গেলেকী, ১৬ ডিচেম্বৰ ঃ** উজনি অসমত সক্ৰিয় হৈ আছে খাৰুৱা তেল চুৰি চক্ৰ। গেলেকী তৈল ক্ষেত্ৰৰ পৰা খাৰুৱা তেল পৰিবাহী পাইপত ভেল্ভ বহুৱাই তেল চুৰ কৰা ঘাটি উৎখাত কৰা হৈছে। দেওপানী বাগিচাৰ শিৱা কুৰ্মী নামৰ এজন যুৱকৰ ব্যক্তিগত চাহ বাগিচাৰ মাজৰ পৰা ভেল্ভ বহুৱাই অচিনাক্ত দুস্কৃতিকাৰীয়ে চুৰি কৰি আহিছিল খাৰুৱা তেল। জানিব পৰা মতে পুৱা স্থানীয় লোকে বাগানৰ নলাত খাৰুৱা তেল বিয়পি থকা দেখি বাগানৰ মালিক শিৱা কুৰ্মীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত দেওপানী বাগিচাৰ ৩ নং লাইনত বসবাস কৰা শিৱা কুৰ্মীয়ে আৰক্ষীক খবৰ দিয়ে। এই ঘটনাৰ খবৰ লাভ কৰি ততাতৈয়াকৈ ঘটনাস্থলীত হালোৱাটিঙ আৰক্ষী আৰু তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিষয়ববীয়া উপস্থিত হৈ ঘটনাৰ বুজ লয়। বৰ্তমান উক্ত লাইনেদি খাৰুৱা তেলৰ সৰবৰাহ বন্ধ কৰা হৈছে বুলি জানিব পৰা গৈছে। গেলেকীৰ তৈলক্ষেত্ৰৰ পৰা যোৰহাটলৈ খাৰুৱা তেল পৰিবাহী পাইপলাইনত এই ঘটনা সংঘটিত হৈছে। ঘটনাৰ সন্দৰ্ভত এই মুহূৰ্তলৈকে কোনো লোকক আটক কৰা হোৱা নাই। আৰক্ষীৰ তদন্তৰ পিছত সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

# সন্মিলিত গগৈ ঐক্য মঞ্চৰ টাই আহোম পৰম্পৰাৰে ন-লগোৱা উৎসৱ পালন



**অসম বাৰ্তা, জাঁজী, ১৬ ডিচেম্বৰঃ** সন্মিলিত গগৈ ঐক্য মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত যোৱা ১৪ ডিচেম্বৰত টাই আহোম পৰম্পৰাৰে ন-লগোৱা উৎসৱ পালন কৰা হয়। গগৈ ঐক্য মঞ্চৰ শিৱসাগৰ জিলাৰ কাৰ্যকৰী সভাপতি ডাঃ উপেন্দ্ৰ নাথ গগৈৰ লালিম গাঁওস্থিত গৃহ প্ৰাঙ্গণত অনুষ্ঠিত এই কাৰ্যসূচীত শিৱসাগৰ জিলাৰ সভাপতি চাও ৰমা গগৈ, উপ-সভাপতি নাং অৰ্চনা গগৈ, সম্পাদক চন্দন গগৈ, ৰংপুৰ আঞ্চলিক সমিতিৰ সভাপতি ৰমেন গগৈ, সম্পাদক ৰুবুল গগৈ সহ জিলাৰ সকলো বিষয় ববীয়া অনুষ্ঠানত উপস্থিত থাকাৰ লগতে স্থানীয় বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। শিৱসাগৰ জিলাৰ সম্পাদক চন্দন গগৈয়ে জানিবলৈ দিয়া মতে অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা টাই আহোম গগৈ সকলক একত্ৰিত কৰাৰ উদ্দেশ্যে গঠিত সন্মিলিত গগৈ ঐক্য মঞ্চৰ গঠন হৈছে। গগৈ সকল একত্ৰিত হৈ অহা জানুৱাৰী ৩, ৪ আৰু ৫ জানুৱাৰীত সাপেখাটীত ঐক্য মঞ্চৰ প্ৰথম গগৈ সন্মিলনৰ আয়োজন কৰা হৈছে। ইয়াৰোপৰি গগৈ ঐক্য মঞ্চৰ প্ৰথম বাৰ্ষিক সন্মিলনত সকলো আহোম জ্ঞাতিক নিমন্ত্ৰণ জনোৱাৰ লগতে সকলোকে অংশগ্ৰহণ কৰিবলৈ জিলা সভাপতি ৰমা গগৈয়ে অনুৰোধ জনায়।

# ৰূপালী জয়ন্তী উৎসৱৰ শুভাৰম্ভ

**অসম বাৰ্তা, ধৰমতুল, ১৬ ডিচেম্বৰঃ** দেওবাৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে জাগীৰোড কলা মন্দিৰ প্ৰাংগণত ৰূপালী জয়ন্তীৰ শুভাৰম্ভ অনুষ্ঠানৰ আয়োজন কৰে। শাখা সমিতিৰ সভাপতি প্ৰতিভা দেওৰজা, সম্পাদিকা তুমনি গোস্বামী, ৰূপজ্যোতি গোস্বামী প্ৰমুখ্যে বৰ্তমান সমিতিৰ সদস্য সকল, প্ৰাক্তন সভাপতি-সম্পাদক প্ৰমুখ্যে সদস্য সকল মৰিগাঁও জিলা সমিতিৰ সভাপতি স্মৃতিৰেখা গোহাঁই প্ৰমুখ্যে সদস্য সকলৰ লগতে জাগীৰোড অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে জাগীৰোড লেখিকা সমাৰোহ সমিতিৰ এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। সভাৰ লগত সংগতি ৰাখি ত্ৰিভাষিক বিশিষ্ট কবি ৰাজুমনি শইকিয়াৰ "বুকুৰ নক্ষত্ৰবোৰ" নামৰ এখন কবিতা পুথি উন্মোচন কৰে জাগীৰোড মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক অনিল বৰাই।

# জাঁজীত বৰ-মৌৰ সন্ত্ৰাস; মৌৰ কামোৰত আহত একাধিক

**অসম বাৰ্তা, জাঁজী, ১৬ ডিচেম্বৰ ঃ** জাঁজীত বিগত চাৰি-পাঁচ দিন ধৰি এজাক বৰ-মৌৰ সন্ত্ৰাসত এতিয়া থৰ কাছুটি হেৰুৱাইছে স্থানীয় ৰাইজে। জানিব পৰামতে জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখৰ এঘৰ লোকৰ পিছফালৰ বাঁহনিত বাহ লোৱা এজাক বৰমৌৱে অঞ্চলটোত সন্ত্ৰাসৰ সৃষ্টি কৰিছে। বিগত চাৰি পাঁচ দিনত বৰমৌৰ আক্ৰমণত কমেও ১৫জন লোক আহত হৈছে। বৰমৌৰ জাকটোৱে পথাৰলৈ যোৱা দাৱনী, ডাঙৰী কঢ়িওৱা লোকক আক্ৰমণ কৰিছে। মৌৰ জাকটোৱে চুবুৰীয়া লোকৰ ঘৰৰ ভিতৰত সোমাইও মানুহক আক্ৰমণ কৰিছে। কালি মৌৰ আক্ৰমণ জয়ন্ত বাইলুং নামৰ লোকজন গুৰুতৰ ভাৱে আহত হোৱা বুলি জানিব পৰা গৈছে। স্থানীয় ৰাইজে বনবিভাগক বৰমৌৰ জাকটো নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনাইছে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন